● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

ভাল নেতা এজনৰ অন্তিম পৰীক্ষা ইয়াতেই যে তেওঁৰ চিন্তা আৰু কৰ্মসূচী কঢ়িয়াই নিবলৈ এদল মানুহ এৰি থৈ যাব পাৰিছে।

ৱাল্টাৰ লিপমেন
*মাৰ্কিন সমীক্ষক*



www.dainikagradoot.in

৭ এয়াৰ ইণ্ডিয়াৰ পাছত এইবাৰ বিক্ৰী হ'ব বেংক
১৫ বাংলাদেশৰ বিৰুদ্ধে বৃহৎ জয় ভাৰতৰ
৪ বিধি বহিৰ্ভূত মুক্তহত্যা আৰু পুলিচীৰাজ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৬৩তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ৮ চ'ত ১৪২৮ ভাস্কৰাব্দ ২৩ মাৰ্চ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 23 March 2022 মূল্য ঃ ৯.০০ টকা

এটকাও বৃদ্ধি নহয় বিধায়ক পুঁজিৰ পৰিমাণ ■ বিধায়কে হেৰুৱাব বৰ্তমানৰ উন্নয়নমূলক কামৰ দায়িত্ব ■ বিধায়কে নাম লিখি দিয়া ঠিকাদাৰে কাম নাপালে মন্ত্ৰীক সমালোচনা কৰে ঃ মুখ্যমন্ত্ৰী

# ৰাজ্যত গুৰুত্ব হেৰুৱালে বিধায়কে



*মজুৰি বৃদ্ধি আৰু চাকৰি নিয়মীয়াকৰণৰ দাবীৰে অংগনবাড়ী কৰ্মীৰ অৱস্থান ধৰ্মঘট, মহানগৰীত মঙলবাৰে।*

■ ভোটাৰ তালিকাত ভোটাৰৰ নামৰ বিপৰীতে উল্লেখ থাকিব ভোগ কৰি থকা আঁচনিৰ নাম

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মতে অসমতে বিধায়কৰ প্ৰভাৱত সমষ্টিৰ সকলো কাম হয়। আন ৰাজ্যত এনে নিয়ম নাই আৰু সেইকাৰণেই অসমতো বিধায়কৰ কামৰ দায়িত্ব হ্ৰাস কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে বুলি আজি বিধানসভাত ঘোষণা কৰে মুখ্যমন্ত্ৰী শৰ্মাই। চলিত বাজেট অধিবেশনত আজিৰ 'সদস্যৰ সময়' কাৰ্যসূচীত দলগাঁৱৰ বিধায়ক মজিবুৰ ৰহমানে বিধায়ক পুঁজিৰ পৰিমাণ বৃদ্ধি কৰিব লাগে বুলি জনোৱা দাবীৰ সন্দৰ্ভত এই কথা সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'কামৰ মান উন্নত কৰিবলৈ হ'লে অসমতো কিছুমান সংশোধন আনিব লাগিব। বিষয়া জবাবদিহি নহ'লে চৰকাৰৰ কামত উন্নতি নহ'ব। মন্ত্ৰীসকলকো জবাবদিহি কৰিব পাৰিব লাগিব। বিধায়ক পুঁজিৰে যিমান কাম কৰিব পাৰি তাতকৈ বেছি কাম আমি চৰকাৰে কৰি দিম। মই সেইকাৰণে দাবী যিমানে উঠিলেও বিধায়ক পুঁজিৰ ধন এটকাও বৃদ্ধি নকৰো। বিধায়কক এক কোটিকৈ টকা দিয়া হয়। যদি আমি সমষ্টিত কাম নকৰো তেতিয়াহে বিধায়কৰ পুঁজি বঢ়োৱাৰ কথা আহিব। এতিয়া চৰকাৰেই যিহেতু সমষ্টিত কাম কৰিব তাত আৰু বিধায়ক পুঁজিৰ পৰিমাণ বৃদ্ধিৰ কথা নাহে। মই বিভিন্ন উদ্দেশ্যত ৰাজ্যবোৰ ঘূৰি ফুৰো। সেইবোৰ *১০ পৃষ্ঠাত চাওক*

■ চৰকাৰৰ নিযুক্তি হিচাপত অসন্তুষ্ট বিৰোধী ■ প্ৰধানমন্ত্ৰী-মুখ্যমন্ত্ৰীক মিছলীয়া আখ্যা দিয়াৰ পাছতে নিয়ন্ত্ৰণহীন পৰিৱেশ ■ নিৰ্বাচনী প্ৰতিশ্ৰুতি পূৰণত চৰকাৰ বদ্ধপৰিকৰ ঃ বিত্ত মন্ত্ৰী

## এক লাখ নিযুক্তি ? উত্তপ্ত হ'ল বিধানসভা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ মাৰ্চ ঃ** অসম চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি চলিত বিত্তীয় বৰ্ষত এক লাখ নিবনুৱাক নিযুক্তি দিবলৈ সক্ষম হ'ব নে? অসম বিধানসভাত আজি এই প্ৰশ্নক লৈ শাসক-বিৰোধীৰ মাজত সৃষ্টি হোৱা তীব্ৰ বাদানুবাদে সদনৰ কাম-কাজ দীৰ্ঘ সময় স্থবিৰ কৰি তোলে। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ বাবেও পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ যায়। শেষত অধ্যক্ষই অসহায়ভাৱে দুয়োপক্ষক অনুৰোধ জনাবলগীয়া হয় যে যদি ভিতৰত যুদ্ধ কৰা শেষ হৈছে তেনেহ'লে বাকী ৰোৱাখিনিৰ বাবে তেওঁলোক বাহিৰলৈ যাওক। আজি প্ৰশ্নোত্তৰ কাৰ্যসূচীৰ প্ৰথম প্ৰশ্নটোতে এআইইউডিএফৰ বিধায়ক আশ্ৰাফুল হুছেইনে চৰকাৰে এক লাখ নিবনুৱাক চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি সঁচা নে বুলি প্ৰশ্ন কৰে। এই প্ৰশ্নৰ উত্তৰত বিত্তমন্ত্ৰী অজন্তা নেওগে কয় যে নিৰ্বাচনী ঘোষণা অনুসৰি চৰকাৰ এই প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ বদ্ধপৰিকৰ। তাৰ বাবে ৰাজ্যিক বাজেটত ৫০,৯৩০টা খালী পদৰ তথ্য সন্নিবিষ্ট কৰা হৈছে। নেওগে কয়, 'এই পদবোৰৰ ১৩,৫৭২টা তৃতীয় বৰ্গৰ আৰু ১৩,৭৮৭ টা চতুৰ্থবৰ্গৰ পদ। তদুপৰি অসম লোকসেৱা আয়োগে প্ৰথম *১০ পৃষ্ঠাত চাওক*

পুনৰ সাধাৰণ ৰাইজৰ মূৰত মাধমাৰ

## বৃদ্ধি পালে পেট্ৰ'ল-ডিজেলৰ মূল্য, ৰন্ধন গেছৰ মূল্য হ'ল প্ৰায় এহেজাৰ টকা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ মাৰ্চ ঃ** সাধাৰণ ৰাইজৰ মূৰত মাধমাৰ শোধাই পুনৰ বৃদ্ধি পালে ইন্ধনৰ মূল্য। যোৱা নিশাৰ পৰাই কাৰ্যকৰী হোৱা এই নতুন মূল্য অনুসৰি পেট্ৰ'লৰ দাম ৰাজ্যত প্ৰতিলিটাৰত ৮৮ পইচা আৰু ডিজেলৰ ৬৯ পইচাকৈ বৃদ্ধি পাইছে। এই মৰ্মে আজি গুৱাহাটীত *১০ পৃষ্ঠাত চাওক*

আৰক্ষীৰ গাড়ীৰ পৰা পলাবলৈ গৈ গুলিবিদ্ধ

## আৰক্ষীৰ গুলিত আহত দুই শিশু কন্যাৰ ধৰ্ষণত অভিযুক্ত




**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**খেৰণি/ডংকামোকাম, ২২ মাৰ্চ ঃ** আৰক্ষীৰ গুলিত পুনৰ আহত হ'ল এজন ধৰ্ষণত অভিযুক্ত। যোৱা নিশা এই ঘটনা সংঘটিত হয় পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিত। আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ চেষ্টা চলোৱাৰ *১০ পৃষ্ঠাত চাওক*

■ হত্যাৰ বলি ৰিণিমা নিজেও হত্যাত অভিযুক্ত হৈ গ্ৰেপ্তাৰ হৈছিল

■ ভূমি ক্ৰয়-বিক্ৰয়ক লৈ বিবাদ চলি থকাৰ তথ্য লাভ আৰক্ষীৰ

## বৰপেটাত অধিবক্তাক হত্যাৰ সন্দেহত চিকিৎসকসহ দুজন আটক



**বিশেষ সংবাদদাতা**
**বৰপেটা, ২২ মাৰ্চ ঃ** বৰপেটা চহৰত কালি সন্ধিয়া অধিবক্তা ৰিণিমা বেগমক হত্যাত জড়িত থকাৰ সন্দেহত আৰক্ষীয়ে চিকিৎসকসহ দুজন লোকক আটক কৰিছে। যোৱা নিশা বৰপেটা সদৰ থানাৰ আৰক্ষীয়ে আটক কৰা লোক দুজন হৈছে ডাঃ মকদম আলী আৰু আব্দুৰ ৰহমান ওৰফে জুম্মা। আৰক্ষী সূত্ৰই জনোৱা মতে, বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত কৰ্মৰত ডাঃ আলীয়ে পূৰ্বে অধিবক্তা বেগমৰ পৰা এটুকুৰা ভূমি ক্ৰয় কৰিছিল। এই ভূমি ক্ৰয়-বিক্ৰয়ক কেন্দ্ৰ কৰি দুয়োৰে মাজত চলা এক বিবাদ আদালতত বিচাৰাধীন হৈ আছে। অধিবক্তগৰাকীৰ *১০ পৃষ্ঠাত চাওক*

অখিল ভাৰতীয় মুক্তি যুজাৰু সমিতিৰ সভাপতি পদত কৃষ্ণকান্ত লহকৰ

৯৭ বছৰতো সক্ৰিয়তাৰে সামাজিক জীৱন লহকৰৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ মাৰ্চ ঃ** অখিল ভাৰতীয় মুক্তি যুঁজাৰু সমিতিৰ সভাপতিৰূপে আজি মনোনীত হয় সদৌ অসম মুক্তি যুঁজাৰু সন্মিলনৰ সভাপতি কৃষ্ণকান্ত লহকৰ। *১০ পৃষ্ঠাত চাওক*



*জনজাতিকৰণৰ দাবীত মৰাণ সংগঠনৰ বিক্ষোভ কাৰ্যসূচী, মহানগৰীত মঙলবাৰে*

■ কৃষি বিষয়াৰ ৰহস্যজনক ভূমিকাৰ বাবেই সংঘটিত বৃহৎ সাৰ কেলেংকাৰি ■ ৰাজ্যত কে'বাটাও চক্ৰ সক্ৰিয় ■ অসমৰ পৰাই অন্যান্য ৰাজ্য-দেশলৈও সৰবৰাহ হৈছে ইউৰিয়া

## সাৰ কেলেংকাৰিৰ তদন্তৰ দায়িত্ব চিআইডিলৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ মাৰ্চ ঃ** ইউৰিয়া সাৰৰ কেলেংকাৰিৰ তদন্ত কৰিব অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগ (চিআইডি)-এ। এক বিবৃতিত আজি চিআইডিৰ আৰক্ষী অধীক্ষকে জনোৱা মতে, চিআইডিয়ে এই সম্পৰ্কীয় এটা ফৌজদাৰী গোচৰ ৰুজু কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত ইউৰিয়া সাৰ ক্ৰয় আৰু বিতৰণ সম্পৰ্কত সন্তৰ্পণে তদন্ত কৰি অনিয়ম উদ্‌ঘাটন কৰিবলৈ নিৰ্দেশ দিছিল। এই প্ৰসংগতে চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত চিআইডিয়ে তদন্ত কৰি চৰকাৰক প্ৰতিবেদন দাখিল কৰে। ৰাজ্যত ইউৰিয়াৰ বিতৰণ তথা বিক্ৰীক লৈ সংঘটিত বৃহৎ কেলেংকাৰিৰ প্ৰসংগতে চৰকাৰক প্ৰতিবেদন দাখিল কৰে চিআইডিয়ে। এই প্ৰতিবেদন পাঠৰ অন্তত পুংখানুপুংখভাৱে পাঠ কৰাৰ অন্তত মুখ্যমন্ত্ৰীয়ে চিআইডিক গোচৰ ৰুজু কৰি বিতং অনুসন্ধানৰ নিৰ্দেশ দিয়ে। এই মৰ্মে গোচৰ ৰুজু কৰি মৰিগাঁও, কামৰূপ, দৰং, কাছাৰ, গোৱালপাৰা জিলাৰ বিভিন্ন স্থানত শেহতীয়াকৈ তালাচী অভিযান চলোৱা হয়। এই অভিযানত নজন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হয়। ইয়াৰ আঠজন হৈছে বিভিন্ন খুচুৰা-পাইকাৰী বিক্ৰী কেন্দ্ৰৰ গৰাকী যিসকলে *১০ পৃষ্ঠাত চাওক*

প্ৰশ্ন সোধাত বাধা দিয়াৰ অভিযোগত কংগ্ৰেছ-ৰাইজৰ দলৰ প্ৰতীকী সদন ত্যাগ ■ নিৰ্ধাৰিত সময়ৰ পূৰ্বে প্ৰশ্নোত্তৰ কাৰ্যসূচী শেষ কৰিলে

## চৰকাৰৰ বিৰুদ্ধে প্ৰশ্ন উত্থাপন কৰিলে অৱদমনৰ অপচেষ্টা ঃ সৰৱ বিৰোধী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ মাৰ্চ ঃ** চৰকাৰৰ কাম-কাজক লৈ বিৰোধীয়ে প্ৰশ্ন উত্থাপন কৰিলে অধ্যক্ষৰ উপৰি শাসক পক্ষই যিকোনো উপায়েৰে অৱদমিত কৰাৰ চেষ্টা চলোৱাৰ অভিযোগ সঘনে উত্থাপিত হৈ আহিছে। আজি এনে অভিযোগক লৈয়ে বিধানসভা উত্তাল হৈ পৰাই নহয় ৰাইজৰ দলৰ একমাত্ৰ বিধায়কজনকে ধৰি কংগ্ৰেছ বিধায়িনী দলে প্ৰতীকীভাৱে সদন ত্যাগ কৰে। বিধানসভাৰ প্ৰশ্নোত্তৰ কাৰ্যসূচীত অসম চৰকাৰে অযথা ধন ব্যয়ৰে ৰাজহুৱা পুঁজি অপচয়ৰ এক প্ৰশ্নৰ প্ৰসংগত কংগ্ৰেছৰ কমলাক্ষ্য দে পুৰকায়স্থই গুৱাহাটীৰ বাহিৰত কেবিনেট বৈঠক অনুষ্ঠিত কৰাৰ বিৰোধিতা কৰে। বেলেগ বেলেগ জিলাত প্ৰতিমাহে কেবিনেট বৈঠক অনুষ্ঠিত কৰি ৰাজহুৱা ধনৰ অপচয় কৰাতকৈ চৰকাৰে ৰাইজক দুশ ইউনিটকৈ বিদ্যুৎ বিনামূলীয়াকৈ যোগান ধৰিব লাগে বুলি দাবী জনায়। *১০ পৃষ্ঠাত চাওক*

## মীৰা বৰঠাকুৰ প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী নিযুক্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ মাৰ্চ ঃ** অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰীৰূপে আজি নিযুক্তি দিয়া হয় মীৰা বৰঠাকুৰক। *ছয় পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪° | ২২° |
| ডিব্ৰুগড় | ৩১° | ১৯° |
| দিল্লী | ৩৫° | ১৯° |
| কলকাতা | ৩৫° | ২৫° |
| মুম্বাই | ৩৩° | ২৭° |
| চেন্নাই | ৩৫° | ২৮° |
| বাংগালুৰু | ৩২° | ২১° |
| শ্বিলং | ২৪° | ১৪° |

*২২ মাৰ্চ, ২০২২*


পুনৰ উত্তপ্ত মৰিয়নিৰ নগালেণ্ড সীমান্ত অঞ্চল

## অসমৰ বনাঞ্চলত অগ্নি সংযোগ কৰিলে সশস্ত্ৰ নগা দুৰ্বৃত্তই

**চেলেংহাট, ২২ মাৰ্চ ঃ** মৰিয়নিৰ চেলেংহাট আৰক্ষী চকীৰ অন্তৰ্গত তিৰুহিল্‌ছ বনাঞ্চলত আজি নগা দুৰ্বৃত্তই অগ্নি সংযোগ কৰাত বিস্তৰ ক্ষতিসাধন হয় বনাঞ্চলখনৰ। এই ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত চেপা উত্তেজনাই বিৰাজ কৰিছে। আৰক্ষী-প্ৰশাসনৰ লোকে পলমকৈ ঘটনাস্থলীত উপস্থিত হয় যদিও বনাঞ্চলৰ বহু *১০ পৃষ্ঠাত চাওক*

■ সুযোগ লৈছে যুদ্ধবিৰতি ঘোষণাৰ

## ৰাজ্যজুৰি তৎপৰতা বৃদ্ধি আলফা (স্বাধীন)ৰ, আৰু পাঁচজন যুৱকৰ যোগদান



**অগ্ৰদূত বাৰ্তা**
**নামৰূপ, ২২ মাৰ্চ ঃ** ক্ৰমাৎ বৃদ্ধি পাইছে আলফা (স্বাধীন)ৰ সদস্যভৰ্তি প্ৰক্ৰিয়া। শেহতীয়াকৈ আলফা (স্বাঃ)ৰ তৰফৰ পৰা সদস্যভৰ্তি প্ৰক্ৰিয়াত প্ৰদৰ্শন কৰা তৎপৰতাই উদ্বেগ বৃদ্ধি কৰিছে। বিগত কিছুদিনত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ যুৱক-যুৱতীয়ে নিষিদ্ধ সশস্ত্ৰ সংগঠনটোলৈ ঢাপলি মেলিছে। আজিও পাঁচজনকৈ যুৱকে আলফা (স্বাঃ)ত যোগদান কৰাৰ নিশ্চিত তথ্য পোৱা গৈছে। এই তথ্য সদৰী হোৱাৰ লগে লগে যুৱককেইজনৰ পৰিয়ালত হাহাকাৰ লাগিছে। *১০ পৃষ্ঠাত চাওক*

## লাহৰীঘাটত আৰক্ষীৰ কাৰ্যৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ স্থানীয় ৰাইজৰ

কিশোৰক থানাতে আবদ্ধ কৰি প্ৰহাৰৰ ঘটনা

**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও/লাহৰীঘাট/ভূৰাগাঁও, ২২ মাৰ্চ ঃ** লাহৰীঘাট আৰক্ষী থানাত এজন ১৩ বছৰীয়া কিশোৰক সহকাৰী উপ-পৰিদৰ্শক উপেন চন্দ্ৰ বৰদলৈয়ে নৃশংসভাৱে প্ৰহাৰ কৰা ঘটনাৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিলে মৰিগাঁৱৰ আৰক্ষী অধীক্ষক অপৰ্ণা নটৰাজনে। আজি এক সংবাদমেলত লাহৰীঘাট আৰক্ষী থানাত সংঘটিত হোৱা ঘটনাটো অতিকৈ *১০ পৃষ্ঠাত চাওক*

■ চৰাঞ্চলত গণবিস্ফোৰণ হোৱা বুলি বিধানসভাত স্বীকাৰ ইউডিএফৰ বিধায়কৰ

## চৰাঞ্চলৰ বাবে পৃথক বিভাগ-বাজেট আবণ্টন, জৰীপ-ভূমিপট্টাৰ দাবী


**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ মাৰ্চ ঃ** ৰাজ্যৰ চৰাঞ্চলৰ মানুহৰ দুৰ্দশা অনুধাৱন কৰি বাস্তৱিক পদক্ষেপ গ্ৰহণেৰে উন্নয়নৰ পদক্ষেপ ল'বলৈ আজি বিধানসভাত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে কে'বাজনো বিৰোধী বিধায়কে। বিধানসভাৰ চলিত বাজেট অধিবেশনত বিধি-১১৫ৰ অধীনত ব্যক্তিগত সদস্যৰ প্ৰস্তাৱ উত্থাপন কৰে এআইইউডিএফৰ বিধায়কদ্বয় আশ্ৰাফুল হুছেইন আৰু ৰফিকুল ইছলামে। এই দুই বিধায়কে উত্থাপন কৰা 'অসমৰ চৰাঞ্চলসমূহত আৰ্থ-সামাজিক জৰীপ কৰি জনগণৰ শৈক্ষিক-সামাজিক *১০ পৃষ্ঠাত চাওক*

ৰাজ্যসভাক লৈ সচেষ্ট শাসকপক্ষ

## কিদৰে ভোট দিব লাগিব বিধায়কক শিকালে মুখ্যমন্ত্ৰীয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ মাৰ্চ ঃ** ৰাজ্যসভাত খালী হ'বলগীয়া অসমৰ দুয়োখন আসনৰ বাবে বিজেপি মিত্ৰজোঁটে পবিত্ৰ মাৰ্ঘেৰিটা আৰু ৰণগৌৰা নাৰ্জাৰীক প্ৰাৰ্থিত্ব *১০ পৃষ্ঠাত চাওক*

চেঙা তেল



*সিদ্ধান্ত সলনি কৰিলো, ইহঁতক ডাক্তৰ-ইঞ্জিনিয়াৰ কৰাতকৈ খেলুৱৈৰূপে গঢ়ি তুলিম!*

গুৱাহাটীৰ ইছতিয়াক খানে আগবঢ়ালে বিহাৰত থকা পৈত্ৰিক ভূমি

## বৃহত্তম মন্দিৰ নিৰ্মাণৰ বাবে আঢ়ৈ কোটিৰ ভূমি দান মুছলিম ব্যৱসায়ীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ/নিউজ ব্যুৰ'**
**গুৱাহাটী/পাটনা, ২২ মাৰ্চ ঃ** বিভিন্ন ধৰণে দেশত ধৰ্মীয় বিভাজন অব্যাহত থকাৰ সময়তে সম্প্ৰীতিৰ বিৰল দৃষ্টান্ত দেখুৱালে গুৱাহাটী মহানগৰীৰ এজন মুছলমান ব্যৱসায়ীয়ে। এই ব্যৱসায়ীজনৰ বিহাৰত থকা সম্পত্তিৰ পৰা আঢ়ৈ কোটি মূল্যৰ ভূমি মন্দিৰ নিৰ্মাণৰ বাবে দান কৰি এই সাম্প্ৰদায়িক সম্প্ৰীতিৰ নজিৰ দাঙি ধৰিলে। গুৱাহাটীত থাকি *১০ পৃষ্ঠাত চাওক*



■ সদনত ঘোষণা শিক্ষামন্ত্ৰীৰ ■ প্ৰতি সমষ্টিতে এখনকৈ বিধায়কৰ আদৰ্শ বিদ্যালয় স্থাপন হ'ব ■ ১০খন নিৰ্মীয়মাণ বিএড কলেজক বহুমুখী সাধাৰণ কলেজলৈ পৰিৱৰ্তিত কৰা হ'ব

## নতুনকৈ বিদ্যালয়-মহাবিদ্যালয় স্থাপন নহয়

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২২ মাৰ্চ ঃ** ৰাজ্যত নতুনকৈ বিদ্যালয়-মহাবিদ্যালয় স্থাপন বা প্ৰাদেশিকীকৰণৰ কোনো প্ৰস্তাৱ নাই। অৱশ্যে বিটিআৰ অঞ্চলৰ কথা সুকীয়া বুলি আজি বিধানসভাত কয় শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে। আনহাতে, নতুনকৈ ৰাজ্যত বিএড কলেজ স্থাপন কৰা নহয় আৰু ১০খন নিৰ্মীয়মাণ বিএড কলেজক বহুমুখী মহাবিদ্যালয়লৈ পৰিৱৰ্তিত কৰা হ'ব বুলিও তেওঁ কয়। তদুপৰি হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত দক্ষতা উন্নয়ন বিষয়টোক ঐচ্ছিক বিষয় হিচাপে সংযোজনৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিব বুলি মন্ত্ৰীজনে কয়। তেওঁ সদৰী কৰা মতে, ৰাজ্যৰ সম্প্ৰতি থকা বিধায়কৰ আদৰ্শ বিদ্যালয়সমূহৰ ফলাফল অতি উন্নত। প্ৰতি সমষ্টিতে এনে বিদ্যালয় এখনকৈ নিৰ্মাণ কৰা হ'ব। মন্ত্ৰী পেগুৱে সদৰী কৰে যে এনে বিদ্যালয়ৰ দায়িত্ব থাকিব বিধায়কসকলৰ ওপৰতে। বিদ্যালয় পৰিচালনা উন্নয়ন কমিটী *ছয় পৃষ্ঠাত চাওক*

# মাছ চুৰিৰ অপৰাধত গণ প্ৰহাৰত নিহতৰ ঘটনাত জড়িত তিনিজনক আটক

## এজনৰ ম'বাইল পৰি গৈছিল মালাকীৰ ঘৰত

**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ২২ মাৰ্চ :** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অধীনস্থ বৰদলত গণ প্ৰহাৰত নিহত হোৱা মালাকী খালখ'ৰ হত্যাকাণ্ডক কেন্দ্ৰ কৰি আজিও চেপা উত্তেজনা বিৰাজ কৰি আছে। উল্লেখ্য যে মাছ চুৰি কৰাৰ অভিযোগ উত্থাপন কৰি চামগুৰিৰ বৰদলৰ মালাকী খালখ'ক ১০-১২ জনীয়া এটা উদণ্ড যুৱকৰ দলে তেওঁক ঘৰৰ পৰা মাৰপিট কৰি ওচৰৰ তিনিআলি এটালৈ লৈ যোৱাত গুৰুলা গুৰুলকৈ গণ প্ৰহাৰ কৰে। সেই গণ প্ৰহাৰতে লেবেজান হৈ নিশা ১০ মান বজাত মালাকীৰ নিজা বাসভৱনত মৃত্যু ঘটে। ইতিমধ্যে ঘটনা সংক্ৰান্তত চামগুৰি থানাৰ আৰক্ষীয়ে তিনিজন যুৱকক আটক কৰিছে। আৰক্ষীয়ে জনোৱা মতে, আটক কৰা যুৱক তিনিজন হ'ল পবিত্ৰ খাখলাৰী (৩২), ঘন খাখলাৰী (৩০) আৰু পদুম বসুমতাৰী (২২)। মালাকী খালখ'ৰ পত্নী সবিতা খালখ'ই এজাহাৰ দিয়াৰ পাছতহে আৰক্ষীয়ে যুৱক কেইজনক আটক কৰে। সবিতাই তেওঁৰ স্বামীৰ হত্যাকাণ্ডৰ লগত জড়িত থকাৰ অভিযোগ ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৩ মাৰ্চ, ২০২২ বুধবাৰ পৃষ্ঠা তিনি

# আক্ৰাছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক প্ৰমেশ ৰায়ৰ মৃত্যু

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২২ মাৰ্চ ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ নিবাসী একালৰ সংগ্ৰামী সতীৰ্থ তথা সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক প্ৰমেশ ৰায়ৰ অকাল মৃত্যুত কোচ ৰাজবংশী জাতীয় পৰিষদৰ সভাপতি বিমল কুমাৰ বৰ্মন আৰু সাধাৰণ সম্পাদক বিশ্বজিৎ ৰায়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াল আৰু শুভাকাংক্ষীসকললৈ প্ৰেছ বিবৃতিযোগে সমবেদনা জনায়। প্ৰমেশ ৰায়ৰ মৃত্যুত ছয় পৃষ্ঠাত চাওক

## দুমহীয়া আন্দোলনৰ কাৰ্যসূচী ঘোষণা তিনি ৰাভা জাতীয় সংগঠনৰ

# পুনৰ উত্তপ্ত হোৱাৰ দিশে ৰাভা হাছং

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ২২ মাৰ্চ ঃ** বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰত মেলিছে নেকি ফাট? চৰকাৰৰ স'তে মিত্ৰতাত থকা ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ তিনি ৰাভা জাতীয় সংগঠনৰ হুংকাৰ চৰকাৰৰ বিৰুদ্ধে। দীৰ্ঘদিন ধৰি প্ৰতিশ্ৰুতি পালন নকৰা তথা ৰাভা হাছং অঞ্চলত বসবাস কৰা বিভিন্ন জাতি জনগোষ্ঠীৰ অমীমাংসিত সমস্যাসমূহ সমাধানৰ প্ৰতিশ্ৰুতি দি যৌথ সংগ্ৰামৰ স'তে মিত্ৰতাৰে চৰকাৰ গঠন কৰা বিজেপি নেতৃত্বাধীন চৰকাৰখনে বিগত পাঁচটা বছৰ আৰু চলিত চৰকাৰৰ প্ৰায় এটা বছৰত ৰাভা হাছং অঞ্চলৰ বিভিন্ন সমস্যাৰ লগতে মূলতঃ ৰাভা হাছং পৰিষদ খনক ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰাত ব্যৰ্থ হোৱা বুলি চৰকাৰৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি আজি নিখিল ৰাভা ছাত্ৰ সন্থাৰ গোৱালপাৰা জিলা সমিতি, নিখিল ৰাভা মহিলা পৰিষদৰ গোৱালপাৰা জিলা সমিতি আৰু ষষ্ঠ অনুসূচী দাবী সমিতিয়ে এখন সংবাদমেল সম্বোধন কৰি কয়, 'বিগত প্ৰায় ছয়টা ছয় পৃষ্ঠাত চাওক



# ধিং পৌৰসভাত সংঘটিত দুৰ্নীতিৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী তদাৰকী কোষৰ তদন্ত

## উচ্চবৰ্গৰ সহায়ক নিলম্বিত

**অগ্ৰদূত বাৰ্তা**

**ধিং, ২২ মাৰ্চ ঃ** নগাঁও জিলাৰ ধিং পৌৰসভাত বিগত সময়ছোৱাত সংঘটিত হোৱা দুৰ্নীতি তথা ৰাজহ সংগ্ৰহৰ বৃহৎ বিত্তীয় কেলেংকাৰিত জড়িত পৌৰসভাৰ উচ্চবৰ্গ সহায়কজনক নগাঁও জিলা উপায়ুক্তই কালি নিলম্বিত কৰে। যাক লৈ বৃহত্তৰ ধিঙৰ সচেতন ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে। নগাঁও জিলাৰ পৌৰ প্ৰশাসনৰ দায়িত্বৰত অতিৰিক্ত উপায়ুক্তই কালি নিলম্বিত কৰা উচ্চবৰ্গৰ সহায়কজনৰ নাম হৈছে গণেশ দত্ত। উল্লেখ্য যে ধিং পৌৰসভাত বিগত এটা দশকতকৈ অধিক কাল ধিং বজাৰৰ ভেটি, পাৰ্কিং আবন্টনৰ নামত ব্যাপক দুৰ্নীতি সংঘটিত কৰি ছয় পৃষ্ঠাত চাওক

# গাঞ্জাসহ এজনক আটক

**অগ্ৰদূত বাৰ্তা**

**কামপুৰ, ২২ মাৰ্চ ঃ** কামপুৰ আৰক্ষী থানাৰ অন্তৰ্গত নেলী পাৰত যোৱা নিশা বিশেষ সূত্ৰৰ পম খেদি আৰক্ষীয়ে প্ৰায় ডেৰ কিলোগ্ৰাম গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে মহৰ আলী নামৰ এজন যুৱকৰ পৰা গাঞ্জাখিনি জব্দ কৰে। ধৃত লোকজনে বিক্ৰীৰ বাবে ডিমাপুৰৰ পৰা গাঞ্জা ক্ৰয় কৰিছিল বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ। আৰক্ষীয়ে আটকাধীন লোকজনক এক গোচৰৰ ৰুজু কৰি জেললৈ প্ৰেৰণ কৰে।

# নগাঁৱৰ জিএছটি ফাকি দিয়া ব্যৱসায়িক প্ৰতিষ্ঠানত অভিযান



**বিশেষ সংবাদদাতা**

**নগাঁও, ২২ মাৰ্চ ঃ** নগাঁও চহৰত গুৱাহাটীৰ পৰা অহা বিক্ৰী কৰ বিভাগৰ এটা দলে বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানত অভিযান অব্যাহত ৰাখিছে। বিক্ৰী কৰ বিভাগে হয়বৰগাঁও,বৰবজাৰ আদিকে ধৰি নগাঁৱৰ ব্যৱসায়িক প্ৰতিষ্ঠানত বিগত তিনিদিন ধৰি বাহৰ পাতি এই অভিযান অব্যাহত ৰাখিছে যদিও এই অভিযানৰ কেন্দ্ৰ বিন্দু হয়বৰগাঁৱৰ এখন হোটেল ছয় পৃষ্ঠাত চাওক

# অসম আন্দোলনৰ অগ্ৰণী নেতা গণেশ শইকীয়াৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২২ মাৰ্চ ঃ** অসম আন্দোলনৰ অগ্ৰণী নেতা, অসম গণ পৰিষদৰ মৰিগাঁও জিলা সমিতিক দীৰ্ঘদিন ধৰি নেতৃত্ব প্ৰদান কৰি অহা বিশিষ্ট সমাজকৰ্মী গণেশ শইকীয়াৰ আজি পুৱতি নিশা মৰিগাঁও অসামৰিক চিকিৎসালয়ত পৰলোক প্ৰাপ্তি হয়। মৰিগাঁও সামাজিক ক্ষেত্ৰৰ অন্যতম ব্যক্তি গণেশ শইকীয়া কিছুদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি থকাৰ পৰিপ্ৰেক্ষিতত পৰিয়ালৰ লোকে কিছুদিন পূৰ্বে মৰিগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰিছিল যদিও আজি পুৱতি নিশা চিকিৎসাধীন অৱস্থাতে মৃত্যুক সাবটি লয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স ছয় পৃষ্ঠাত চাওক

# আঙুৰলতাৰ অথন্তৰ ঃ ওলোটাকৈ উত্তোলন কৰিলে বিজেপিৰ পতাকা

## কোকৰাঝাৰত মুখ্যমন্ত্ৰীয়ে অংক কৰি কথা কয়ঃ আঙুৰলতা

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ২২ মাৰ্চ ঃ** মহিলাসকলে এতিয়া চৰকাৰ গঠনত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে, কি চৰকাৰ আহিলে মহিলাসকলৰ সুবিধা হ'ব সেয়া মহিলাসকলেই সিদ্ধান্ত গ্ৰহণ কৰি আহিছে। বিজেপি চৰকাৰৰ দিনত মহিলাসকল আটাইতকৈ বেছি উপকৃত হৈছে। এই মন্তব্য কৰিছে প্ৰাক্তন বিধায়িকা, অভিনেত্ৰী তথা বৰ্তমানৰ বিজেপিৰ ৰাজ্যিক মহিলা মৰ্চাৰ সভানেত্ৰী আঙুৰলতা ডেকাই। আজি সদৰ চহৰৰ তেৰাপন্থ ভৱনত অনুষ্ঠিত হোৱা কোকৰাঝাৰ জিলা ৰাজ্যিক মহিলা ছয় পৃষ্ঠাত চাওক



## প্ৰতিকৃতি দাহ ঃ আদালতৰ পৰা গোচৰ উঠাই লোৱাৰ দাবী

# এবছুৰ প্ৰতিবাদত উত্তাল ওদালগুৰি



**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ২২ মাৰ্চ ঃ** ওদালগুৰিত নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুৰ জিলা সমিতি আৰু ২২খনকৈ আঞ্চলিক সমিতিয়ে আজি দিনৰ ১১ বজাত পৃথকে পৃথকে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। তৃতীয় বড়ো শান্তি চুক্তি অৰ্থাৎ বিটিআৰ চুক্তিৰ বিৰোধিতা কৰা একাংশ বড়ো নেতৃবৃন্দৰ বিৰুদ্ধে জাঙুৰ খাই উঠে নিখিল বড়ো ছাত্ৰ সন্থা। উল্লেখ্য যে বিটিআৰ চুক্তিৰ ছয় পৃষ্ঠাত চাওক

## নগাঁও জিলা সাহিত্য সভা-নগাঁও ছোৱালী মহাবিদ্যালয়ৰ উদ্যোগত মাতৃভাষা বিষয়ক আলোচনাচক্ৰ

# শিশুৱে শিকা ভাষাটোৱেই মাতৃভাষা



**বিশেষ সংবাদদাতা**

**নগাঁও, ২২ মাৰ্চ ,** '১৯৬৯ৰ পৰা যুঁজ দি থকাৰ পাছতো অসমীয়া ভাষা ৰাজ্য ভাষা হৈ নুঠিল। অসমীয়া ভাষা ৰাজ্যভাষা হয় নে নহয় সেয়াও মানুহে নাজানে। অসমত অসমীয়া ভাষাক ৰাজ্যভাষাৰূপে স্বীকৃতি দিয়াৰ ক্ষেত্ৰত চৰকাৰে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাই। চৰকাৰী কাৰ্যালয়, বিদ্যালয়, মহাবিদ্যালয়ত অসমীয়া ভাষাটো প্ৰতিষ্ঠা হ'লেহে অসমীয়া ভাষা আহি থকা দিনত জীয়াই থাকিব বুলি ধাৰণা কৰিব পাৰি।' এই মন্তব্য ভাষাতত্ত্ববিদ তথা গুৱাহাটী ছয় পৃষ্ঠাত চাওক

# মৰিগাঁৱত ৭৪.৩১ গ্ৰাম ড্ৰাগছসহ দুজন লোকক আটক আৰক্ষীৰ

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২২ মাৰ্চ ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰী মৰিগাঁও সংযোগী পথত ৭৪.৩১ গ্ৰাম ড্ৰাগছসহ দুজন লোকক আজি মৰিগাঁও আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য মতে, মৰিগাঁও জিলাৰ সীমামূৰীয়া অঞ্চল মৈৰাবাৰীৰ পৰা মৰিগাঁও অভিমুখে আজি এখন মটৰ চাইকেল দুই ড্ৰাগছ সৰবৰাহকাৰী ক্ৰমে হোজাই জিলাৰ ইছলাম উদ্দিন আৰু দৰং জিলাৰ চোৰফ আলীয়ে ছটাকৈ চাবোনৰ বাকচত ড্ৰাগছ ভৰাই লৈ আহি আছিল। দুই ড্ৰাগছ সৰবৰাহকাৰী আহি থকা অৱস্থাত মৰিগাঁও আৰক্ষীয়ে বিশেষ সূত্ৰৰ পম খেদি চলোৱা এক অভিযানত ৭৪.৩১ গ্ৰাম ড্ৰাগছসহ নগদ এহেজাৰ টকা উদ্ধাৰ কৰাৰ লগতে আৰক্ষীয়ে দুজনকৈ লোকক আটক কৰিবলৈ সক্ষম হয়।

মৰিগাঁও আৰক্ষীয়ে আটক কৰা ড্ৰাগছ সৰবৰাহৰ লগত জড়িত থকা ধৃত দুজন লোকক অধিক তথ্যৰ বাবে বৰ্তমান জেৰা ছয় পৃষ্ঠাত চাওক

# হত্যাৰ গোচৰত অভিযুক্তক আটক

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ২২ মাৰ্চ ঃ** নগাঁও জিলাৰ জুৰীয়া আৰক্ষীয়ে অভিযান চলাই আজি পাঁচ বছৰ পূৰ্বে সংঘটিত কৰা এক হত্যাকাণ্ডৰ অভিযুক্তক আটক কৰিবলৈ সক্ষম হয়। ২০১৭ত জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত ফুৰহানিআটি গাঁৱত সংঘটিত মোজাম্মেল হকৰ হত্যাকাণ্ডৰ মুল অভিযুক্ত আছিল আব্দুল আজিজ। আজি জুৰীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অদিথ বড়োৰ নেতৃত্বত আৰক্ষীৰ এটা দলে অভিযান চলাই ফুৰহানিআটিৰ পৰাই অপৰাধীজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে মোজাম্মেল হকৰ হত্যাকাণ্ডৰ ঘটনা সন্দৰ্ভত জুৰীয়া আৰক্ষী থানাত ৰুজু হোৱা ৭১/২০১৭ নম্বৰ গোচৰৰ ভিত্তিত গ্ৰেপ্তাৰ কৰা হয় আব্দুল আজিজক।

Government of Assam


List of Media Persons selected by Directorate of Information and Public Relations, Assam, under

**ONE TIME GRANT FOR MEDIA PERSONALITY**

for the year 2021-22

**Purpose of the scheme**

The assistance of Rs. 50,000/- to each person is intended to support the journalists in their pursuit of outstanding achievements and also to support them in the time of need.



**Dr. Himanta Biswa Sarma**
Chief Minister, Assam

| Sl No | Names of Media Persons | Media House | District |
|---|---|---|---|
| 1. | Jitu Talukdar | DY-365 | Kamrup Metropolitan |
| 2. | Dilip Kumar Hazarika | Dainik Asam | Dhemaji |
| 3 | Pradip Kumar Kalita | News Live | Nalbari |
| 4 | Tapan Saikia | Pratidin Time | Nagaon |
| 5 | Mrinal Kumar Borah | Pratidin Time | Kamrup Metropolitan |
| 6 | Premananda Talukdar | Asomiya Pratidin | Dhemaji |
| 7 | Sanjay Borah | DY-365 | Kamrup Metropolitan |
| 8 | Bhupen Goswami | Rashtriya Khabar | Kamrup Metropolitan |
| 9 | Debasish Bharadwaj | DY-365 | Kamrup Metropolitan |
| 10 | Jiban Goswami | Niyamiya Barta | Lakhimpur |
| 11 | Jonjyoti Dutta Bora | Prag News | Kamrup Metropolitan |
| 12 | Utpal Bordoloi | Freelancer | Kamrup Metropolitan |
| 13 | Bahar Uddin Choudhury | Prantajyoti Dainik | Cachar |
| 14 | Azad Hussain Mandal | Sahara Samay News Network | Kamrup Metropolitan |
| 15 | Diganta Kumar Nath | Asomiya Khabar | Kamrup Metropolitan |
| 16 | Mousamjyoti Baishya | The Sentinel | Kamrup Metropolitan |
| 17 | Mazibur Rahman | DY -365 | Nalbari |
| 18 | Ajit Sarmah | Asomiya Khabar | Morigaon |
| 19 | Pranjal Bordoloi | Niyamiya Barta | Nagaon |
| 20 | Ajit Kumar Basumatary | The Sentinel | Kokrajhar |

জনসংযোগ/চি/১৭৯৭৫/২২

Published by Directorate of Information & Public Relations, Assam

Follow us @diprassam dipr.assam.gov.in

দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ৮ চ'ত ১৪২৮ভাস্কৰাব্দ ২৩ মাৰ্চ ২০২২




# আদৰ্শৰ পৰিপন্থী

অহা ৩১ মাৰ্চত অসমত দুখন ৰাজ্যসভাৰ আসনৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনক লৈ বিধানসভাৰ ভিতৰে-বাহিৰে আলোচনা-সমালোচনা চলিবলৈ ধৰিছে। বিজেপিয়ে তেওঁলোকৰ বিধানসভাত থকা শক্তিৰ হিচাপত দুয়োখন ৰাজ্যসভাৰ আসনত জয়ী হ'ব নোৱাৰে যদিহে কংগ্ৰেছকে ধৰি আন দলৰ বিধায়কে বিজেপি মিত্ৰজোঁটৰ দ্বিতীয় পছন্দৰ প্ৰাৰ্থীজনক ভোট নিদিয়ে।

ইতিমধ্যে সদায়েই কংগ্ৰেছ আৰু দলৰ বিধায়কসকলক সমালোচনাৰে থকা-সৰকা কৰি অহা মুখ্যমন্ত্ৰীয়ে ৰাজ্যসভাৰ নিৰ্বাচনৰ আগে আগে ৰহাৰ কংগ্ৰেছ বিধায়ক শশীকান্ত দাসৰ ঘৰলৈ সদলবলে গৈ তেওঁক সাক্ষাৎ কৰা ঘটনাই ৰাজনৈতিক মহলত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অকল সেয়ে নহয়, মুখমন্ত্ৰীয়ে বিধায়ক দাসক সাক্ষাতৰ পাছত বিজেপি দুয়োখন আসনতেই জয়ী হ'ব আৰু কংগ্ৰেছৰ ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসেও বিজেপিৰ প্ৰাৰ্থীকেই ভোট দিব বুলি কোৱাৰ পাছত বিৰোধীসকলে বিজেপিৰ বিৰুদ্ধে হৰ্ছ ট্ৰেডিঙৰ অভিযোগ উত্থাপন কৰি বিধানসভাৰ মজিয়াত হুলস্থূলৰ সৃষ্টি কৰিছে। বিধায়কসকলে সাধাৰণতে দলৰ সিদ্ধান্তৰ ভিত্তিত ৰাজ্যসভাৰ নিৰ্বাচনত ভোট প্ৰদান কৰে; কিন্তু বিধায়কসকলে নিজৰ ইচ্ছামতে দলৰ সিদ্ধান্তৰ বিৰুদ্ধেও ভোট দিব পাৰে। এনে কৰিলে ৰাজ্যসভাৰ ক্ষেত্ৰত দল বিৰোধী আইনত তেনে বিধায়কৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱাৰ বিধি নাই। অৱশ্যে ৰাজনৈতিক দলে দলৰ হুইপ নমনা বিধায়কৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। দেশৰ ৰাজনীতিত বিধায়ক ক্ৰয়-বিক্ৰয়ৰ ঘটনা এসময়ত ইমানেই অধিক হৈছিল যে একো একোগৰাকী বিধায়ক অথবা সাংসদে নিশাটোৰ ভিতৰতেই তিনিটাকৈ দল সলনি কৰিছিল। এনে ধৰণৰ অনৈতিক ৰাজনৈতিক আদৰ্শক বাধা দিয়াৰ লক্ষ্যৰে দল ত্যাগ বিৰোধী তথা বিসম্বাদ বিৰোধী আইন প্ৰণয়ন কৰা হৈছিল। এই আইনৰ উদ্দেশ্য এইটোৱেই আছিল যে কোনো নিৰ্বাচনী প্ৰাৰ্থীয়ে কোনো দলৰ সদস্য হৈ সেই দলৰ আদৰ্শ শিৰোগত কৰি নিৰ্বাচনত জয়ী হোৱাৰ পাছত যাতে ভোটদাতাসকলে যি আদৰ্শৰ ভিত্তিত প্ৰাৰ্থীগৰাকীক ভোট দি জয়যুক্ত কৰিছিল সেই আদৰ্শ পৰিত্যাগ কৰি আন আদৰ্শ তথা দৰ্শন থকা ৰাজনৈতিক দললৈ গৈ জনসাধাৰণৰ ইচ্ছাক বিশ্বাসঘাতকতা নকৰে। পিছে দলত্যাগ তথা বিসম্বাদ বিৰোধী আইনৰ ইমানেই সুৰুঙা আছে যে এই আইন প্ৰণয়ন কৰাৰ উদ্দেশ্য সফল হোৱা নাই।

তদুপৰি জনসাধাৰণে সদায়েই দলীয় গণতন্ত্ৰত দলৰ আদৰ্শৰ ভিত্তিত দলক সমৰ্থন কৰে আৰু ভোট দিয়ে। এটা দলৰ প্ৰাৰ্থী হৈ নিৰ্বাচনত জয়ী হোৱাৰ পাছত আন বিৰোধী আদৰ্শৰ দলত যোগদান কৰাটো দলীয় গণতন্ত্ৰৰ আদৰ্শৰ পৰিপন্থী। বৰ্তমান শাসক দল বিজেপিত প্ৰথমৰে পৰাই বিজেপিত থকা লোকসকলতকৈ কংগ্ৰেছৰ পৰা অহা ৰাজনীতিকৰহে পয়োভৰ বাঢ়ি যোৱা পৰিলক্ষিত হৈছে। আনহাতে, ৰাজনৈতিক দলসমূহেও গণতান্ত্ৰিক মূল্যবোধৰ পৰম্পৰা বজাই ৰাখি আন দলৰ বিধায়ক তথা সাংসদক লোভ দেখুৱাই পদ তথা ধনৰ বিনিময়ত নিজৰ দলক ভোট দিবলৈ টোপ দিয়াটো উচিত নহয়। যদিহে বিজেপিয়ে নিজৰ শক্তিৰে অসমৰ বৰ্তমান নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসভাৰ দুয়োখন আসনত জয়ী হ'ব নোৱাৰে তেনেহ'লে তেওঁলোকক এখনতেই সন্তুষ্ট থাকি নৈতিকতা প্ৰদৰ্শন কৰিলে দেশত এক সবল আদৰ্শৱান আৰু নৈতিকভাৱে শক্তিশালী ৰাজনীতিৰ সৃষ্টি হ'লহেঁতেন। অৱশ্যে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালত তেতিয়াৰ বিজেপি আৰু এ আই ইউ ডি এফৰ বিধায়কক মুকলিকৈ ক্ৰয় কৰি ভোট আদায় কৰাৰ কথা অসমবাসীয়ে পাহৰি যোৱা নাই।

পিছে শাসক দলসমূহক লাগে সংসদত তথা বিধানসভা, বিধান পৰিষদ আদিত অধিক আসন। ক্ষমতাত বৰ্তি থকাৰ প্ৰতিযোগিতাই আমাৰ দেশৰ ৰাজনৈতিক মঞ্চৰ পৰা নীতি-আদৰ্শক আঁতৰাই নিছে। সেয়েহে যদিহে শাসক দলে ৰাজ্যখনত এক শুভ আৰু নৈতিক ৰাজনৈতিক পৰিৱেশৰ সৃষ্টি কৰিব বিচাৰে, তেনেহ'লে এনে ধৰণৰ ক্ৰয়-বিক্ৰয়ৰ ৰাজনীতিৰ পৰা আঁতৰি থকাটো বাঞ্ছনীয়।

## খোলা মঞ্চ

# ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?



**আমাৰ** সংসদীয় গণতন্ত্ৰৰ শাসন ব্যৱস্থাত থকা নীতিগত আদৰ্শ আৰু গণতন্ত্ৰৰ মূল ভেটিস্বৰূপ সৰ্বসাধাৰণ ৰাইজৰ মাজত থকা মধুৰ সম্পৰ্কত ক্ৰমাৎ ফাট মেলা দেখা গৈছে। ৰাজনীতিৰ বৰপথাৰখনত অপৰাধী ৰাজনীতিকৰ দৌৰাত্ম্যই জনসাধাৰণৰ অধিকাৰক বাৰুকৈয়ে খৰ্ব কৰিছে। যাৰ বাবে জনসাধাৰণে প্ৰকৃত ন্যায্যতা পোৱাৰ ক্ষেত্ৰত এক দীঘলীয়া অপদ্ধতিগত প্ৰক্ৰিয়াৰ মাজত সোমাই থাকিবলগীয়া হৈছে। ৰাজনৈতিক নেতা-পালিনেতাৰ নৈতিক স্বচ্ছতাৰ যি অভাৱ তাক বাৰুকৈয়ে জনসাধাৰণে আজি প্ৰত্যক্ষ কৰিছে।

স্বাধীনতাৰ পাছৰ কালত প্ৰায় দুশ বছৰীয়া ইংৰাজসকলৰ ঔপনিৱেশিক শাসনৰ ব্যাপক সলনি ঘটাই শাসনৰ বাঘজৰী নতুনকৈ ৰচনা কৰা হৈছিল। স্বৰাজোত্তৰ কালৰ এই এচেৰেঙা ৰ'দৰ পোহৰত ৰাজনীতিৰ বৰপথাৰখনত ভ্ৰষ্টাচাৰৰ চমকনি জনসাধাৰণে দেখা পোৱা নাছিল। উদাৰতা, সহনশীলতা, নিকা ভাবমূৰ্তিক আৰু ৰাইজৰ সুখ-দুখক সদায়ে গুৰুত্ব দিয়া সেইসকল ৰাজনীতিকৰ উদাৰ আদৰ্শই মোহিত কৰি ৰাখিছিল জনসাধাৰণক।

**গিৰীন্দ্ৰ মেধি,** *লেখক*

অৰ্থ সৰ্বস্বতাক গুৰুত্ব নিদি সদায় ৰাইজৰ মাজতে সেৱা কৰাৰ মানসিকতা গঢ়ি তুলিছিল। এইসকল নেতা-কৰ্মীক ৰাইজে সদায় শ্ৰদ্ধা আৰু ভক্তি কৰি চলিছিল। নিজৰ পাৰ্থিৱ সুখ-দুখক আওকাণ কৰি এইসকল নেতা-কৰ্মীৰ মূল লক্ষ্য আছিল প্ৰগতিৰ বাটেৰে ৰাইজক আগুৱাই দিয়া।


সম্প্ৰতি আজিৰ ৰাজনীতিকৰ অধিকাংশ নেতা-কৰ্মীৰ গাত এই নীতি আৰু আদৰ্শৰ অভাৱ ঘটা দেখা যায়। ক্ষমতা আৰু অৰ্থৰ লালসাৰ পাছত দৌৰি আজিৰ অধিকাংশ নেতা-কৰ্মীয়ে অনবৰতে ৰাইজৰ সুখ-দুখ,

**কৃতকৰ্মৰ শাস্তি দিবলৈ হ'লে কুৰুক্ষেত্ৰ মহাসমৰ সদৃশ নিৰ্বাচনী যুদ্ধত পৰাস্ত কৰা দৃঢ় সংকল্প ল'ব লাগিব। তেতিয়াহে ভ্ৰষ্টাচাৰীৰ সলনি আমি পূৰ্বৰ ৰাজনৈতিক নেতা-কৰ্মীক সহজে ঘূৰাই পোৱাৰ সম্ভাৱনা আছে**

সমস্যাক আওকাণ কৰি নিজৰ সাংবিধানিক ক্ষমতাক অপপ্ৰয়োগ কৰিছে। সু-শাসনৰ নামত ৰাইজক বিপথে পৰিচালিত কৰি আমাৰ মাজত বিভেদৰ বীজ ৰোপণ কৰি আছে। ভ্ৰষ্টাচাৰী এইসকল নেতা-কৰ্মীক ৰাইজে সময়ত চিনি ল'ব নোৱাৰিলে জনগণৰ বাবে এক অশুভ সংকেতৰ কাৰণ হৈ পৰিব, সেই কথা সত্য। ৰাইজে এইসকলক চিনি লোৱাৰ সময় হৈছে। এইসকল নেতা-কৰ্মীক ৰাজনৈতিকভাৱে এশিকনি দিয়াৰ লগতে নিজৰ কৃতকৰ্মৰ শাস্তি দিবলৈ হ'লে কুৰুক্ষেত্ৰ মহাসমৰ সদৃশ নিৰ্বাচনী যুদ্ধত পৰাস্ত কৰা দৃঢ় সংকল্প ল'ব লাগিব। তেতিয়াহে ভ্ৰষ্টাচাৰীৰ সলনি আমি পূৰ্বৰ ৰাজনৈতিক নেতা-কৰ্মীক সহজে ঘূৰাই পোৱাৰ সম্ভাৱনা আছে। এই ক্ষেত্ৰত জনসাধাৰণে অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ এফাকি কবিতাৰ স্তৱকক সদায় মনত ৰাখিব লাগিব—

'যি জীৱনত দেশ সেৱাত
আত্মাহুতিৰ অনল শিখা নাই;
সেই জীৱনত নাই অবাবত
প্ৰয়োজনৰ উচ্চ দাবী ভাই।'


*ফোন ঃ ৭৫৭৭৮৭২১৮৭*



## বালিলৈ যিপাট সুগ্ৰীৱলৈকো সিপাট

# বিধি বহিৰ্ভূত মুক্তহত্যা আৰু পুলিচীৰাজ

**নিউজ স্কেন**



**গীতাৰ্থ পাঠক**

আজিকালি ৰাজনৈতিক নেতা, বিচাৰপতিৰ পৰা আৰম্ভ কৰি পুলিচ বিষয়াসকলে সততে নিজৰ কাম-কাজৰ ন্যায্যতা প্ৰমাণ কৰাৰ বাবে বিভিন্ন ধৰ্মশাস্ত্ৰৰ উক্তি, বিশিষ্ট লেখক-সাহিত্যিকৰ উক্তি অথবা ৰচনা ব্যৱহাৰ কৰে। কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশে হিজাব পৰিধানৰ বিৰুদ্ধে ৰায়ৰ সমৰ্থনত কোৰান উল্লেখ কৰি ক'ব বিচাৰিছে যে হিজাব ইছলাম ধৰ্মৰ অপৰিহাৰ্য পৰম্পৰা নহয়। আমাৰ ৰাজ্যখনৰ বিত্তমন্ত্ৰীগৰাকীয়ে বিধানসভাৰ মজিয়াত বাজেট উত্থাপন কৰি পোনতেই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'তোৰে মোৰে আলোকৰে যাত্ৰা' গীতটোৰ চাৰিটা শাৰী উল্লেখ কৰি এই বাজেটখনে যে অসমত এক আলোকৰ যাত্ৰা আৰম্ভ কৰিব, তাকেই সাব্যস্ত কৰিব বিচাৰিছে। অৱশ্যে জ্যোতিপ্ৰসাদ আগৰৱালাৰ অসমীয়া ডেকাৰ উক্তিত থকা ন-অসমীয়া, মৈমনছিঙীয়াসকলক এওঁলোকৰ বহুতেই আজি কালি অসমীয়া বুলি স্বীকৃতি নিদিয়ে।

গণতন্ত্ৰত ন্যায় ব্যৱস্থা শক্তিশালী হোৱা উচিত। বিনা বিচাৰে কাকো গণতন্ত্ৰত শাস্তি দিব নোৱাৰে। সম্প্ৰতি আমাৰ দেশত পুলিচ আৰু সামৰিক বাহিনীক ইমানেই ক্ষমতা দিয়া হৈছে যে দোষীক ন্যায়িক ব্যৱস্থাৰে বিচাৰ নকৰি পুলিচ কিম্বা সামৰিক, অৰ্ধ-সামৰিক বাহিনীয়ে শাস্তি বিহি আহিছে। আমাৰ দেশত ভুৱা এনকাউন্টাৰ এসময়ত চলিছিল নক্সালবাদী যুৱকসকলক হত্যা কৰিবলৈ। সেয়া আছিল কংগ্ৰেছৰ শাসনৰ দিন। ভুৱা এনকাউন্টাৰত কিমান যুৱকক হত্যা কৰা হৈছিল পশ্চিমবংগত তাৰ হিচাপ নাই। পশ্চিমবংগৰ তদানীন্তন মুখ্যমন্ত্ৰী সিদ্ধাৰ্থ শংকৰ ৰায়ৰ নামটো সদায়েই এইবাবেই বিখ্যাত হৈ ৰ'ব। পিছে বৰ্তমান আকৌ উভতি আহিছে এনকাউন্টাৰৰ নামত বিনা বিচাৰে অভিযুক্তক হত্যা কৰাৰ দিন। উত্তৰ প্ৰদেশৰ আঠগৰাকী পুলিচক হত্যা কৰা, বিকাশ ডুবেক পুলিচে এনকাউন্টাৰ কৰি কৰা হত্যাই দেশখনতেই বিতৰ্কৰ সৃষ্টি কৰিছিল। ২০১৯ত তেলাংগানা পুলিচে চাৰিজন ধৰ্ষণৰ অভিযোগত অভিযুক্ত লোকক এনকাউন্টাৰৰ জৰিয়তে হত্যা কৰা হৈছিল। ২০১৬ত ষ্টুডেন্ট ইছলামিক মুভমেন্ট অৱ ইণ্ডিয়া বা সংক্ষেপে চিমি নামৰ সংগঠনটোৰ আঠগৰাকী আচামীয়ে ভূপাল কেন্দ্ৰীয় কাৰাগাৰৰ পৰা পলাব ধৰোতে আটাইকেইজনকেই গুলীয়াই হত্যা কৰা হয়। বাটলা হাউছ, ইছৰৎ জাহান, চোহৰাবুদ্ধিন শ্বেখ আদি এনকাউন্টাৰ আদিকে ধৰি আমাৰ দেশত কে'বাটাও বিতৰ্কিত এনকাউন্টাৰৰ ঘটনা ঘটিছে। পিছে অসমত এনে ধৰণৰ এনকাউন্টাৰ নতুনকৈ আৰম্ভ হৈছে। বিশেষকৈ অসমত দ্বিতীয়বাৰৰ বাবে বিজেপি ক্ষমতালৈ অহাৰ পাছত ৩৫ জন লোক পুলিচী এনকাউন্টাৰত নিহত হৈছে। পিছে চৰকাৰে বিধানসভাৰ মজিয়াত মাত্ৰ ১২ অভিযুক্তৰ এনকাউন্টাৰত মৃত্যু হোৱা বুলি কৈছে। একেদৰেই মুঠতে ৬১টা এনকাউন্টাৰ হোৱা বুলি সদনত তথ্য দিছে। পিছে বিৰোধীসকলৰ মতে মুঠতে এই কালছোৱাত ১১০টা এনকাউন্টাৰৰ ঘটনা ঘটিছে, য'ত ৩৫ জন লোক নিহত হৈছে। ইয়াৰ ভিতৰৰ সৰহভাগেই খিলঞ্জীয়া আৰু ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ বুলি কোৱা হৈছে। শেহতীয়াকৈ ২১ বছৰীয়া বিকি আলী আৰু আদিবাসী ৰাজেশ মুণ্ডা (ধৰ্ষণৰ অভিযোগত অভিযুক্ত) কে'বাজন যুৱক এনকাউন্টাৰত নিহত হৈছে। পুলিচৰ এই এনকাউন্টাৰসমূহক মুখ্যমন্ত্ৰীয়ে প্ৰশংসা কৰিছে। অসমৰ এজন আইন-শৃংখলা পৰিস্থিতিৰ দায়িত্বত থকা সতীৰ্থ পুলিচ বিষয়াই তেওঁলোকৰ এই এনকাউন্টাৰৰ সমৰ্থনত ভাগৱত গীতাৰ শ্লোকৰ উদ্ধৃতি দিছে। ভগৱান শ্ৰীকৃষ্ণই মহাভাৰতৰ যুদ্ধত অৰ্জুনক দিয়া উপদেশবাণী শুনাই পুলিচ শীৰ্ষ বিষয়াজনে পুলিচৰ দ্বাৰা পৰিচালিত এনকাউন্টাৰৰ ন্যায্যতা প্ৰমাণ কৰিব বিচাৰিছে। পিছে গণতান্ত্ৰিক দেশ একোখনত কোনো কৃষ্ণৰ নিৰ্দেশত কোনো অৰ্জুনে কাকো হত্যা কৰিব নোৱাৰে। আদালত বা বিচাৰ ব্যৱস্থাটোক আওকাণ কৰি আইন হাতত তুলি লোৱা ব্যৱস্থা গণতন্ত্ৰত অচল।

সকলো দোষীয়ে শাস্তি পাব লাগে ন্যায়িক ব্যৱস্থাৰ মাজেৰে। চামাৰি জাষ্টিছ বা থিতাতেই ন্যায় দিয়াৰ ব্যৱস্থা আমাৰ দেশৰ ন্যায় ব্যৱস্থাত নাই। দ্বিতীয়তে আজি কালি আদালতে অতি জঘন্যতমৰো জঘন্যতম অপৰাধ নহ'লে মৃত্যুদণ্ড নিদিয়ে। সমগ্ৰ বিশ্বতেই মৃত্যুদণ্ডৰ বিৰুদ্ধে মত বৃদ্ধি পাব ধৰিছে। অপৰাধীক শুধৰাব পৰাটোৱেই ন্যায়িক শাস্তিৰ সফলতা। তেনে অৱস্থাত ধৰ্ষণৰ যিকোনো গোচৰতেই অভিযুক্তক বিচাৰ নকৰি এনকাউন্টাৰৰ নামত গুলীয়াই হত্যা কৰাটো সমৰ্থনযোগ্য হ'ব নোৱাৰে। ড্ৰাগছ সৰবৰাহ জঘন্য অপৰাধ; কিন্তু ড্ৰাগছ সৰবৰাহৰ বাবে আদালতে মৃত্যুদণ্ড কাকো দিয়া আমি দেখা নাই। আমাৰ ৰাজ্যত পুলিচক এনেদৰে জধে-মধে অভিযুক্তৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ চৰকাৰী উদগনি দিয়াৰ ফলতেই নগাঁৱৰ ছাত্ৰনেতা এজনক ড্ৰাগছ সৰবৰাহকাৰী সজাই গুলীওৱা হৈছিল। এনে ধৰণৰ দায়বদ্ধতা নথকা ক্ষমতা বা উদ্‌গনি প্ৰদান কৰাৰ বাবেই গুৱাহাটীৰ পল্টন বজাৰত বাইক আৰোহী এজনক আৰু তেওঁৰ শিশু পুত্ৰ তথা স্ত্ৰীৰ ওপৰত পুলিচে বৰ্বৰতা দেখুৱাই ওলোটাই বাইক আৰোহীজনকেই গ্ৰেপ্তাৰ কৰি বাহাদুৰি দেখুওৱা ঘটনা ঘটিছে।

পিছে এনে ধৰণৰ অপৰাধ দমনৰ নামত চলা পুলিচী এনকাউন্টাৰৰ ক্ষেত্ৰত আন্তৰ্জাতিক বিধি আছে। ২০১৭ত ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ আয়ুক্ত জেইড ৰাড অল হুছেইনে তেওঁৰ পাতনিসহ বিধি বহিৰ্ভূত, উদ্দেশ্য প্ৰণোদিত আৰু তাৎক্ষণিক মৃত্যুদণ্ড বা হত্যা বন্ধ কৰাৰ কাৰ্যকৰী ব্যৱস্থাৰ হাতপুথি প্ৰকাশ কৰিছিল যাক আন্তৰ্জাতিকভাৱে মিনেচোটা প্ৰট'কল হিচাপে জনা যায়। মিনেচোটা লয়াৰ্ছ ইন্টাৰনেছনেল হিউমেন ৰাইটছ কমিটীয়ে এই প্ৰট'কলৰ খচৰা প্ৰস্তুত কৰাৰ বাবেই মিনেচোটা প্ৰট'কল বুলি ই জনাজাত। এই প্ৰট'কলক এনে ধৰণৰ বিধি বহিৰ্ভূত হত্যাকাণ্ড ৰোধ কৰাৰ ব্যৱহাৰিক নিৰ্দেশাৱলী হিচাপে আন্তৰ্জাতিক আদালত আৰু অন্যান্য আদালত, আয়োগ আদিয়ে মানি লৈছে। ইন্টাৰনেছনেল কমিছন অৱ জুৰিছে এইবুলি কৈছে যে পুলিচ আৰু সেনাৰ জিম্মাত মানুহক পৰিকল্পিতভাৱে নিহত কৰাটো এক হত্যাকাণ্ড। মণিপুৰৰ কেতবোৰ সামাজিক সংগঠনে মণিপুৰত পুলিচ তথা সামৰিক জিম্মাত বিধি বহিৰ্ভূতভাৱে ১৫শ লোকক হত্যা কৰাৰ সুবিচাৰ বিচাৰি ২০১২ত উচ্চতম ন্যায়ালয়ৰ কাষ চাপিছিল। এনেবোৰ ঘটনাৰ তদন্তৰ বাবে উচ্চতম ন্যায়ালয়ে সময় সীমা বান্ধি দিয়াৰ পাছতো তদন্ত নকৰাত ২০১৮ত ৰাষ্ট্ৰসংঘৰ বিধি বহিৰ্ভূত হত্যা আৰু সামৰিক তথা পুলিচ বাহিনীৰ পৰিকল্পিত হত্যাৰ বিশেষ দূত এংনেছ কালাৰাৰ্ড আৰু মানৱাধিকাৰ প্ৰতিৰক্ষক দূত মিচেল ফ্ৰষ্টে ভাৰত চৰকাৰক তীব্ৰ সমালোচনা কৰি তদন্ত সম্পূৰ্ণ কৰিবলৈ কৈছিল। অসমৰ এই বিধি-বহিৰ্ভূত এনকাউন্টাৰবোৰৰ আন্তৰ্জাতিক প্ৰতিক্ৰিয়া আৰম্ভ হৈছে।

সি যি কি নহওক, আমি জানো যে আমাৰ দেশৰ ৰাইজৰ প্ৰতিনিধি-বিধায়ক সাংসদসকলৰ ৮০ শতাংশৰ বিৰুদ্ধেই গুৰুতৰ অপৰাধৰ গোচৰ আদালতত পৰি আছে। এতিয়া যিসকল নিজেই অপৰাধত অভিযুক্ত সেইসকলেই দেশখনক অপৰাধমুক্ত কৰাৰ বাবে হুংকাৰ দিছে। দেশখনক অপৰাধমুক্ত কৰাৰ বাবে বৰ্তমানৰ ৰাজনৈতিক আৰু তেওঁলোকৰ নিৰ্দেশত চলা পুলিচ তথা সামৰিক বাহিনীয়ে বিধি বহিৰ্ভূতভাৱে হত্যাকাণ্ড সংঘটিত কৰিবলৈ লৈছে— যিটো নিজেই এক গুৰুতৰ অপৰাধ। প্ৰতিবাদী কৃষকৰ গাৰ ওপৰেৰে গাড়ী চলাই কৃষক হত্যা কৰাসকলক আমাৰ পুলিচে নধৰে কিয়? উত্তৰ প্ৰদেশৰ উন্নাও ধৰ্ষণ, জম্মু আৰু কাশ্মীৰৰ কাঠুৱা ধৰ্ষণৰ ঘটনাত জড়িতসকলে কেনেদৰে ধৰ্ষণৰ বলি কিশোৰী আৰু তেওঁলোকৰ পৰিয়ালৰ ওপৰত ওলোটাকৈ অত্যাচাৰ চলাই আহিছিল, আমি তাক জানো। এওঁলোকৰ ক্ষেত্ৰত পুলিচ বাহিনীৰ চামাৰি জাষ্টিছ বা তাৎক্ষণিক ন্যায় প্ৰযোজ্য নহয় কিয়?

বালিলৈ যিপাট, সুগ্ৰীৱলৈকো সিপাট। গতিকে পুলিচ বাহিনীৰ বিধি বহিৰ্ভূত এই গণহত্যাক ধিক্কাৰ নিদিলে কাইলৈ ৰাজ্যখনৰ যিকোনো নাগৰিকক পুলিচে অপৰাধী সজাই ধৰি নি হত্যা কৰিব পাৰে। চৰকাৰক সমালোচনা কৰাসকলক তথা বিৰোধী দলৰ নেতাসকলকো এনেদৰে শেষ কৰিব পাৰে। সেয়ে আমি এনে কাৰ্যৰ বিৰোধিতা কৰিবই লাগিব।

অপৰাধ বিশেষজ্ঞসকলে ক'ব খোজে যে এনে ধৰণৰ বিধি বহিৰ্ভূত তাৎক্ষণিক ন্যায় প্ৰদান ব্যৱস্থাই সমাজত অপৰাধ হ্ৰাস নকৰে। আমাৰ ৰাজ্যখনত অপৰাধসমূহৰ তদন্ত আৰু বিচাৰ আটাইতকৈ কমকৈ হয়। নেছনেল ক্ৰাইম ৰেকৰ্ড ব্যুৰ'ৰ তথ্য অনুসৰি অসমত মুঠ চাৰ্জশ্বীট দাখিল কৰা গোচৰৰ মাত্ৰ ১.৫৩ শতাংশইহে দোষী সাব্যস্ত হয়। এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় গড় হ'ল ১৪.৩৫ শতাংশ। অৰ্থাৎ গুৰুতৰ অপৰাধৰ বিধিসন্মত তদন্তই আমাৰ ৰাজ্যত নহয়। অপৰাধৰ ক্ষিপ্ৰ বিচাৰ, তদন্ত আৰু শাস্তিদানেহে অপৰাধ নিয়ন্ত্ৰণ কৰিব পাৰে। অপৰাধৰ তদন্তৰ ক্ষেত্ৰত এই পৰিসংখ্যাই পুলিচৰ ব্যৰ্থতাকহে প্ৰকট কৰি তুলিছে।

এই বিধি বহিৰ্ভূত পুলিচ এনকাউন্টাৰসমূহৰ বিৰুদ্ধে অসম আৰু ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগতো গোচৰ তৰা হৈছে। উচ্চ ন্যায়ালয়তো ৰাজহুৱা স্বাৰ্থজড়িত আবেদন কৰা হৈছে। আশা কৰো এনে ধৰণৰ বিধি বহিৰ্ভূত পুলিচী জিম্মাৰ হত্যাকাণ্ডবোৰ বন্ধ কৰাৰ বাবে মহামান্য আদালত তৎপৰ হ'ব আৰু ৰাজ্য চৰকাৰেও আন্তৰ্জাতিক বিধি মানি মানৱাধিকাৰ বিধিসমূহ মানি চলা উচিত।

*ফোন ঃ ৯৪৩৫০৪৮৪৮৪*

**সকলো দোষীয়ে শাস্তি পাব লাগে ন্যায়িক ব্যৱস্থাৰ মাজেৰে। চামাৰি জাষ্টিছ বা থিতাতেই ন্যায় দিয়াৰ ব্যৱস্থা আমাৰ দেশৰ ন্যায় ব্যৱস্থাত নাই। দ্বিতীয়তে আজি কালি আদালতে অতি জঘন্যতমৰো জঘন্যতম অপৰাধ নহ'লে মৃত্যুদণ্ড নিদিয়ে। সমগ্ৰ বিশ্বতেই মৃত্যুদণ্ডৰ বিৰুদ্ধে মত বৃদ্ধি পাব ধৰিছে। অপৰাধীক শুধৰাব পৰাটোৱেই ন্যায়িক শাস্তিৰ সফলতা**

# অসমৰ কৃষি বিপ্লৱৰ বাস্তৱ ভিত্তি কি?

**খাদ্য,** শস্য উৎপাদনত ভাৰতৰ প্ৰায়ভাগ ৰাজ্যই কম-বেছি পৰিমাণে স্বাৱলম্বী হৈছে। ষাঠিৰ দশকলৈকে খাদ্য শস্যৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল বুলি কোৱা ৰাজ্য এখনে বৰ্তমান বাহিৰৰ পৰা খাদ্য-শস্য নাহিলে এক পুতৌ লগা অৱস্থাৰ সন্মুখীন হয়। এই অৱস্থাত অসমৰ কৃষি বিপ্লৱৰ জাগৰণ সঠিকভাৱে হৈছেনে? এনেকুৱা অৱস্থাত কেতিয়াবা পৰিৱৰ্তন হ'বনে বা হোৱাৰ সম্ভাৱনা আছেনে?

অসমৰ কৃষি বিপ্লৱৰ সূচনা কৰিবলৈ চৰকাৰে প্ৰতিটো পৰিকল্পনাতে কোটি কোটি টকা ধাৰ্য কৰি আহিছে; কিন্তু সেইবোৰ কিমান ফলপ্ৰসূ হৈছে? অসমৰ মুঠ জনসংখ্যাৰ প্ৰায় ৮০ শতাংশই কৃষি কাৰ্যৰ লগত জড়িত বুলি কোৱা ৰাজ্যখনে কেতিয়াকৈ পৰনিৰ্ভৰশীল নোহোৱাকৈ চিনাকি দিব তাত সন্দেহৰ অৱকাশ আছে।

অসমৰ মুঠ চাৰি লাখ হেক্টৰ মাটিত খেতি কৰা হয়। এইখিনি মাটিৰে যদি কৃষি কাৰ্যৰ আঁচনিবোৰ সঠিকভাৱে প্ৰয়োগ কৰিলেহেঁতেন, তেনেহ'লে অসম খাদ্য শস্যত পৰনিৰ্ভৰশীল ৰাজ্য এখন হ'ব নালাগিলহেঁতেন; কিন্তু আমি কিছুমান সমস্যাৰ দোহাই দি সঠিক বিশ্লেষণ নকৰি, সমস্যাবোৰ গাপ দিবলৈ চেষ্টা কৰিছো। যেনে, 'বানপানী' আৰু 'গৰা খহনীয়া' সমস্যা। গতিকে অসমৰ খেতিপথাৰত বিশেষকৈ বানপানী হোৱা অঞ্চলসমূহত কি পৰিকল্পনাৰ দ্বাৰা এই সমস্যাসমূহ সমাধান কৰিব পাৰি? অসমত বাৰিষা জলসিঞ্চনৰ প্ৰয়োজন নিচেই কম। গতিকে বাৰিষাৰ আগত আৰু পাছত অসমৰ খেতিপথাৰত সঠিক জলসিঞ্চনৰ ব্যৱস্থা কৰি কৃষি কাৰ্য সম্পাদন কৰিব পৰাৰ যথেষ্ট সুবিধা আছে।



দ্বিতীয়তে অসমৰ কৃষি পথাৰসমূহ বিভিন্ন বেচৰকাৰী সংস্থা আৰু উদ্যোগ খণ্ডৰ বাবে এৰি দিয়া। বেচৰকাৰী উদ্যোগ খণ্ডৰ বাবে অসমৰ কৃষি পথাৰৰ মাটি কালি বছৰি হ্ৰাস হ'বলৈ আৰম্ভ হৈছে। যিটো অসমৰ কৃষিখণ্ডৰ বাবে অশনি সংকেত। অসমৰ দৰে এখন ৰাজ্যৰ কৃষিখণ্ডৰ বিপ্লৱৰ সূচনা কৰিবলৈ কাৰিকৰী কৌশল আৰু বৈজ্ঞানিক বিষয়বস্তুবোৰ প্ৰয়োগ কৰা যথেষ্ট প্ৰয়োজন আছে। অসমৰ মাটিৰ উৰ্বৰতা যথেষ্ট ভাল। ৰাসায়নিক কৃষি পদ্ধতিৰ ব্যৱহাৰ যথেষ্ট মাত্ৰাত নকৰি কেনেকৈ জৈৱিক কৃষি পদ্ধতিৰ দ্বাৰা কৃষিখণ্ডৰ উৎপাদন বৃদ্ধি কৰিব পাৰি, এইবোৰ আলোচনাৰ মাধ্যম হিচাপে ল'ব লাগে। তদুপৰি খেতিপথাৰৰ মাটি অ-খেতিয়কৰ হাতলৈ যোৱাটো কৃষিৰ উন্নতিত এটা অন্তৰায় বুলি ক'ব পাৰো। বৰ্তমান শিক্ষা ব্যৱস্থাই আমাৰ কৃষিৰ বাবে কিবা অৰিহণা যোগাইছে বুলি আমি ক'ব নোৱাৰো। কিয়নো বৰ্তমান আমাৰ যুৱকসকল সাধাৰণ শিক্ষাৰে শিক্ষিত হোৱাৰ পাছত চাকৰিৰ প্ৰতিহে অধিক মনোনিৱেশ কৰা দেখা যায়। যাৰ ফলত যুৱকসকল শ্ৰমবিমুখতা হয়। যিটো কৃষিখণ্ডৰ উন্নতিৰ পথত অন্তৰায় হ'ব পাৰে। গতিকে অসমত কৃষি উৎপাদন বৃদ্ধি কৰিবলৈ কৃষকসকল তথা থলুৱা যুৱকসকল কঠোৰ শ্ৰমত নিয়োজিত হোৱা প্ৰয়োজন।

**নয়নজ্যোতি বৈশ্য**
ফোন ঃ ৯১০১২৪৩১৮৪

# সহজলভ্য ধনৰ প্ৰতি লোভ বাঢ়িছে কিয়?

**আজি**-কালি প্ৰায় সকলো মানুহৰে জীৱনৰ অভিলাষ হ'ল ডাক্তৰ, ইঞ্জিনীয়াৰ আৰু প্ৰশাসনিক বিষয়া হোৱাৰ। ইয়াৰ একমাত্ৰ কাৰণটোৱেই হ'ল এইবোৰ পথেৰে ধন উপাৰ্জন অধিক হয় বুলি সকলোৰে বিশ্বাস। যি পথেৰে ধন উপাৰ্জন অধিক হোৱাৰ সম্ভাৱনা, সেই পথকেই গ্ৰহণ কৰা হ'ল। যেনে-ড্ৰাগ্‌ছৰ ব্যৱসায়ৰ যোগেদি ধন লুটাৰ সুবিধা থকা বাবে আজি সেই পথকেই জীৱন আৰু জীৱিকাৰ লক্ষ্য কৰি লোৱা মানুহৰ অসংখ্য বৃদ্ধি পালে। আমাৰ পিতৃ-মাতৃসকলৰো বহুতেই তেওঁলোকৰ সন্তানক অধিক ধন উপাৰ্জন হোৱা পথৰ সন্ধান দি উৎসাহিত কৰে। সন্তানৰ কাৰোবাৰ অভিলাষ নাথাকিলেও, আজিৰ পিতৃ-মাতৃ তথা শুভাকাংক্ষীসকলৰ বহুতে বাধ্য কৰায়। স্বাধীনতাৰ পাছৰ পৰা আমাৰ এই চিন্তাৰ উৎপত্তি হ'ল বুলি ক'ব পাৰি। আজিৰ মানুহৰ বহুতকে কেৱল ধনৰ পাছত দৌৰিব লোৱাহে দেখা গ'ল। বহুতে ধনৰ লোভত পৰি ন্যায়-নীতিকো বিসৰ্জন দিবলৈ কুণ্ঠাবোধ নকৰা হ'ল। কলংকিত হৈয়ো নিৰ্লজ্জ-জীৱন যাপন কৰিব লোৱাই কি বুজায়? দৰাচলতে আমাৰ অগ্ৰজসকলৰ বহুতে তেওঁলোকৰ লক্ষ্যকে সন্তানৰ যোগেদি প্ৰতিফলিত কৰাৰ দুৰ্বল মানসিকতাৰ কুফল বুলি নিশ্চয় বিশ্বাসত ল'ব পাৰি! একালৰ সাধু ছাত্ৰ-ছাত্ৰী পৰৱৰ্তী কৰ্ম-জীৱনত অসাধু হোৱাত অগ্ৰজৰ ভিতৰৰ বহুতৰে অৰিহণা থকা সত্য নহ'ব কিয়? অতি শিক্ষিত পিতৃ-মাতৃৰ মুখত শুনা নাযায় নে যে তেওঁলোকৰ সন্তানৰ উপাৰ্জন অধিক হোৱাৰ কাৰণ বাহিৰা পথেৰে ধন বাৰিষাৰ বানপানীৰ দৰে আহি থাকে বুলি আলচকৰণত। ক'বলৈ গ'লে অগ্ৰজৰ বহুতেই আমাৰ অনুজক বিপথে পৰিচালিত কৰাত সহায় কৰি আহিছে। আমাৰ মাজত এষাৰ বচন প্ৰচলিত যে 'আগৰ হাল যিপিনে যায়, পিছৰ হালো সেইপিনে যায়।'

**কেশৱ শৰ্মা,** কৈৰাৰা, নলবাৰী, ফোন ঃ ৯৪০১৮-৭৯৪০৮

# চিকিৎসা শাস্ত্ৰ গ্ৰহণ কৰিবলৈ বিদেশলৈ যোৱাৰ কাৰণ কি?

**সাম্প্ৰতিক** সময়ত বিশ্বৰ ৰাজনীতিত আটাইতকৈ হৃদয়বিদাৰক বিষয়টোৱেই হৈছে ৰাছিয়াই ইউক্ৰেইন দখলৰ বাবে চলোৱা যুদ্ধত দগ্ধ হোৱা নাগৰিকৰ দুৰৱস্থা। ইপিনে চাৰি কোটি ইউক্ৰেইনবাসীৰ জীৱনৰ অনিশ্চয়তা আৰু আনপিনে আমাৰ ভাৰতীয় মেডিকেল শিক্ষাৰ্থীসকলৰ জীৱনৰ নিৰাপত্তাহীনতা। ইউক্ৰেইন আৰু ৰাছিয়াৰ মাজত সংঘটিত হোৱা যুদ্ধত সৈনিক আৰু সাধাৰণ নাগৰিকৰ প্ৰভূত ক্ষতি হৈ আছে। ইউক্ৰেইনৰ আজি যি ধ্বংসলীলা আমি টিভিৰ পৰ্দাত দেখিবলৈ পাইছো, সেয়া হৃদয়বিদাৰক। কিহৰ স্বাৰ্থত ইউক্ৰেইনক আত্মসমৰ্পণ কৰিবলৈ কোৱা নাই সেই কথা বুজাই বুজিছে।

ভাৰতৰ পৰা বহু ছাত্ৰ-ছাত্ৰীয়ে চিকিৎসক হ'বলৈ, জীৱন গঢ়িবলৈ ইউক্ৰেইনলৈ গৈছে। সংবাদ মাধ্যমৰ পৰা জানিব পাৰিছো চৰকাৰী তথ্য অনুসৰি প্ৰায় ১৮ হাজাৰ ভাৰতীয় শিক্ষাৰ্থীয়ে বৰ্তমান ইউক্ৰেইনত শিক্ষা গ্ৰহণ কৰি আছিল। যুদ্ধবিধ্বস্ত ইউক্ৰেইনত আমাৰ মেডিকেলৰ শিক্ষাৰ্থীৰ সংকট দৰাচলতে ভাৰতৰ শিক্ষাব্যৱস্থাৰ পৰিকাঠামো নথকাই কাৰণ। ভাৰতৰ সৰহ সংখ্যক শিক্ষাৰ্থীয়ে চিকিৎসা পাঠ্যক্ৰম গ্ৰহণ কৰিব বিচাৰে। চিকিৎসা বিদ্যালয়ত নামভৰ্তি কৰিবলৈ তেওঁলোকক লাগিব অত্যাধিক নম্বৰ। যিটো সকলোৰে বাবে সম্ভৱ নহয়। নিজৰ সপোনটোক মোহাৰি দিবলৈ কোনেনো বিচাৰে?

ইউক্ৰেইনৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনৰ আন্তঃগাঁথনি যথেষ্ট সৰল। ইউক্ৰেইনৰ মেডিকেল ডিগ্ৰীক সমগ্ৰ বিশ্বই মান্যতা দিছে। বিশ্ব স্বাস্থ্য সংস্থা আৰু ভাৰতীয় মেডিকেল কাউঞ্চিলেও ইয়াক স্বীকৃতি দিছে। মেডিকেল ডিগ্ৰীৰ বাবে আগ্ৰহী ভাৰতীয়ৰ বাবে অন্যতম আকৰ্ষণ ইউক্ৰেইন। আমাৰ দেশত আজিও প্ৰয়োজনতকৈ চিকিৎসক কম। চিকিৎসকৰ অভাৱত আজিও দেশৰ বহু গ্ৰামাঞ্চলৰ চৰকাৰী স্বাস্থ্য কেন্দ্ৰৰ বেছিভাগ বন্ধ থাকে। কিছুমান স্বাস্থ্য কেন্দ্ৰত ফাৰ্মাচিষ্ট নতুবা নাৰ্ছেই চিকিৎসা সেৱা চলাই থকা পৰিলক্ষিত হয়। ভাৰতত ব্যক্তিগত মেডিকেল কলেজত শিক্ষাগ্ৰহণ কৰিবলৈ হ'লে মোটা ধনৰ প্ৰয়োজন হয়। শিক্ষাৰ্থীসকলে চিকিৎসা পাঠ্যক্ৰম বেচৰকাৰীভৱে গ্ৰহণ কৰিবলৈ ভাৰতত যিমান খৰচ হয় তাৰ তুলনাত বাংলাদেশ, চীন, ৰাছিয়াকে ধৰি ইউক্ৰেইনতো খৰচ বহু কম। সেয়েহে ভাৰতীয় বহু শিক্ষাৰ্থীয়ে বাংলাদেশ, চীন, ৰাছিয়াকে ধৰি ইউক্ৰেইনলৈ যাবলগীয়া হৈছে।

এইক্ষেত্ৰতো মুকলিকৈ প্ৰশ্ন উঠিছে -- বিদেশত যি খৰচত ভাৰতীয় শিক্ষাৰ্থীসকলে শিক্ষা গ্ৰহণৰ সুযোগ পায় সেই খৰচতে ভাৰতে ভাৰতীয়সকলক কিয় চিকিৎসা পাঠ্যক্ৰমৰ শিক্ষা দিব নোৱাৰে? ভাৰতীয় ছাত্ৰ-ছাত্ৰীয়ে চিকিৎসা পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণ কৰিবলৈ বিদেশলৈ যোৱাৰ অন্যতম কাৰণ হ'ল--ভাৰতত উচ্চ শিক্ষাৰ পুতৌ লগা অৱস্থা, সীমিত আসন, ব্যয়বহুল ব্যৱস্থা। তাৰোপৰি চৰকাৰৰ সদিচ্ছাৰ অভাৱ। এতিয়া সকলো জানি বুজি চৰকাৰে শিক্ষা বিভাগত অধিক গুৰুত্ব দিয়ক। তেতিয়াহে মানুহবোৰ মানৱ সম্পদলৈ ৰূপান্তৰ হ'ব।

**ৰমিছা বেগম**
ফোন ঃ ৮৬৩৮১৪৬৫৪৬

# গৰ্ভ নিনাদ

**আমি** সকলোৰে সকলো প্ৰকাৰ অন্যায়-অনীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰো। আমাৰ প্ৰতিবাদৰ কাৰণে কেতিয়াবা কামৰ স্থবিৰতাই দেখা দিয়ে। সেই স্থবিৰতাৰ সুযোগতে বস্তুৰ মূল্যবৃদ্ধি হয়। প্ৰত্যেক উৎপাদন কেন্দ্ৰত সংশ্লিষ্ট কৰ্মচাৰীৰ দীৰ্ঘদিনীয়া প্ৰতিবাদী কাৰ্যসূচীৰ কাৰণে উৎপাদন বন্ধ হৈ পৰে। তেতিয়াই বস্তুৰ নাটনি হয় আৰু সেই নাটনিত ৰাইজে দুৰ্ভোগ ভুগিব লগা হয়। মানুহে তেতিয়া নিজৰ নিজৰ প্ৰয়োজনত য'ত যেনেকৈ পায়, তাতেই অধিক দামত বস্তু ক্ৰয় কৰিবলৈ বাধ্য হয়। গণতান্ত্ৰিক দেশ কাৰণে ই এটা প্ৰথা যেন নহৈছেনে? আমি আন্দোলনকাৰীসকলেও নিজৰ নিজৰ ঘৰত উদ্ভৱ হোৱা প্ৰয়োজনীয় বস্তুৰ নাটনি হোৱা পৰিস্থিতিৰ মুখামুখি হৈ অতিষ্ঠ হৈ পৰো। আকৌ আন্দোলনৰ দোহাই দি যাতে কোনো ব্যৱসায়ীয়ে বস্তুৰ মূল্য বৃদ্ধি কৰাৰ সুযোগ গ্ৰহণ কৰি মুনাফা লুটাৰ কামত প্ৰবৃত্ত নহয়, সিয়ো আমাৰ আন্দোলনৰ বিষয়বস্তু হৈ পৰে। গণতান্ত্ৰিক দেশত আন্দোলনৰ বৰ্তমান গতিধাৰাই বিশালতা লাভ কৰাৰ ফলত উন্নয়ন প্ৰক্ৰিয়াত প্ৰতিবন্ধকতা, সময়ৰ অপচয়, ধনৰ ব্যয়ৰ পৰিমাণ বৃদ্ধি পোৱাত ইন্ধন যোগাইছে বুলি সকলোৰে সমৰ্থিত। অসম চুক্তি ৰূপায়ণত দীৰ্ঘদিনীয়া সময় অতিবাহিত হোৱাই প্ৰমাণ নহয় জানো?

**মদন দাস,** ছিপাঝাৰ

# টিহু-ডুমনী ৰাস্তা আৰু জনপ্ৰতিনিধি

**অভিমত**

**ভাৰত** স্বাধীন হোৱা ৭৫ বছৰ হ'ল। পাঁচ বছৰৰ মূৰে মূৰে বিধানসভাৰ নিৰ্বাচন আহে। বিধায়ক হৈ বিধানসভালৈ যায়। আহে আৰু যায়— এনেকৈয়ে পাঁচ বছৰ কাৰ্যকাল শেষ কৰে। নিৰ্বাচনৰ সময়ত কৰিব নোৱৰা কামৰ প্ৰতিশ্ৰুতি দিয়ে। বিশ্বাসত জনসাধাৰণে ভোট দিয়ে। বিধানসভালৈ যোৱাৰ পাছত জনসাধাৰলৈ পিঠি দিয়ে। প্ৰতিশ্ৰুতিৰ কথা পাহৰে। পৰিৱৰ্তনৰ কথা পাহৰি যায়। মাথোঁ পোছাক যোৰ পৰিৱৰ্তন হয়। এনেকৈয়ে পাৰ হ'ল ৭৫ বছৰ।

৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা যোৱা এটি ৰাস্তা। নাম টিহু-ডুমনী ৰাস্তা। গাঁৱৰ ভিতৰুৱা ৰাস্তাবোৰ পকীকৰণ আৰু বহলকৰণ হ'ল; কিন্তু এই দুৰ্ভগীয়া টিহু-ডুমনী ৰাস্তাটোৰহে কোনো পৰিৱৰ্তন নহ'ল। এই ৰাস্তাটো তিনিটা সমষ্টিত পৰে— বৰমা, পাটাছাৰকুছি, চাপাগুৰি। তিনিটা সমষ্টিত তিনিজন বিধায়ক বা মন্ত্ৰী থকা সত্বেও এই ৰাস্তাৰ অৱস্থা পুতৌ লগা। টিহু-ডুমনী ৰাস্তাটো জনপ্ৰতিনিধিয়ে নেদেখে নেকি? টিহু চ'কৰ পৰা বামুণপাৰা চ'কলৈ আনুমানিক আঠ-১০ কিঃ মিঃ পকীকৰণ কৰিলে যদিও ৰাস্তাটো ইমানেই ঠেক যে দুখন গাড়ী অহা-যোৱা কৰাটো সম্ভৱ নহয়।

আনপিনে, বামুণপাৰা চ'কৰ পৰা থমনালৈ প্ৰায় ১৫ কিঃ মিঃ ৰাস্তা দুখ লগা অৱস্থা। কেইমাহ মানৰ আগতে ৰাস্তাৰ দুয়োপাৰে কোনো ঠাইত তিনি ফুট আৰু কোনো ঠাইত দুফুট বহল গাঁত খান্দি শিল-বালি পেলাই ৰাস্তাটো কিছু বহল কৰিছিল যদিও ঠাই বিশেষে দুয়োপাৰে দ' গাঁত হৈ থাকিল। কাম বন্ধ হ'ল। জনসাধাৰণে ভাবিছিল এইবাৰ ৰাস্তাৰ কাম হ'ব; কিন্তু তেনেকৈয়ে পৰি থাকিল। পৰিৱৰ্তন নহ'ল। জনসাধাৰণৰ কুলাই-পাচিয়ে নধৰা দুখ হ'ল। যদি এনেকৈয়ে ৰাস্তাৰ কাষৰ দ' গাঁতবোৰ থাকে কেতিয়াবা দুৰ্ঘটনা যে নহ'ব ক'ব নোৱাৰি। বামুণপাৰা চ'কৰ পৰা থমনালৈ ১৫ কিঃ মিঃ ৰাস্তাৰে গাড়ী অহা-যোৱা কৰাত অসুবিধাৰ সৃষ্টি হৈছে। আকৌ থমনাৰ পৰা ডুমনীলৈ আনুমানিক আঠ-১০ কিঃ মিঃ ৰাস্তাৰ পকীকৰণ আৰু বহলকৰণৰ কাম চলি আছে যদিও লেহেম গতিত কাম কৰি থকাটো পৰিলক্ষিত হৈছে। যেনে ধৰণে কাম কৰিব লাগিছিল, তেনে ধৰণে কাম কৰা নাই।

**গৌতম ৰাভা**
ৰামপুৰ, বাগ্‌সা, ফোন ঃ ৬০০০২৭৫৬৬৮৯

## ৰাজধানী দিল্লীত তিনি নগৰ নিগমৰ একত্ৰিকৰণ ঃ কেন্দ্ৰৰ সিদ্ধান্ত



**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ মাৰ্চ ঃ** কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰৰ ৰাজধানী দিল্লীত থকা তিনিখন নগৰ নিগমক এখন কৰাৰ সিদ্ধান্ত ল'লে। আজি নৰেন্দ্ৰ মোদীৰ চৰকাৰে দিল্লীৰ তিনি নগৰ নিগমৰ একত্ৰিকৰণৰ প্ৰস্তাৱত অনুমোদন জনালে। এতিয়াৰে পৰা দিল্লীত তিনিজনৰ পৰিৱৰ্তে কেৱল এজন মেয়ৰ থাকিব। উত্তৰ, দক্ষিণ আৰু পূব নগৰ নিগমৰ স্থানত এতিয়াৰে পৰা দিল্লীত এখন নগৰ নিগম থাকিব। কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তই দিল্লীৰ অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আপৰ চৰকাৰক এক আঘাত হানিলে।

## চলিত শিক্ষাবৰ্ষতে দেশৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত একক নামভৰ্তিৰ পৰীক্ষা



**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ মাৰ্চ ঃ** বিশ্ববিদ্যালয় অনুদান আয়োগ (ইউ জি চি)-এ যোৱা ডিচেম্বৰতে ঘোষণা কৰিছিল যে দেশৰ সকলো কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত নামভৰ্তিৰ বাবে এক অভিন্ন প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ত দেশৰ সকলো বিশ্ববিদ্যালয় স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অভিন্ন প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰাৰ কথা উল্লেখ কৰা হৈছিল। এই সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰিলে ইউ জি চিৰ মুৰব্বী এম জগদীশ কুমাৰে। ইউ জি চিয়ে লগতে ঘোষণা কৰা অনুসৰি কেন্দ্ৰীয় বিশ্ববিদ্যালয়সমূহত নামভৰ্তিৰ ক্ষেত্ৰত দ্বাদশ শ্ৰেণীৰ প্ৰাপ্ত নম্বৰ বিবেচনা কৰা নহ'ব। অহা জুলাইৰ প্ৰথম সপ্তাহত কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত নামভৰ্তিৰ বাবে প্ৰৱেশ পৰীক্ষা দেশজুৰি অনুষ্ঠিত হ'ব। এপ্ৰিলৰ প্ৰথম সপ্তাহৰ পৰা এই পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে আবেদন প্ৰক্ৰিয়া আৰম্ভ হ'ব। নেচনেল টেষ্টিং এজেন্সী (এন টি এ)-য়ে ২০২২-২৩ শিক্ষাবৰ্ষৰ বাবে স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰিব। উল্লেখ্য যে সম্প্ৰতি দেশত ইউ জি চিৰ নিয়ন্ত্ৰণাধীন কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ সংখ্যা হৈছে ৪৫ খন। ইউ জি চিৰ সূত্ৰই লগতে জনোৱা অনুসৰি প্ৰৱেশ পৰীক্ষাৰ প্ৰশ্নকাকত দ্বাদশ শ্ৰেণীৰ পাঠ্যক্ৰমৰ আধাৰত প্ৰস্তুত কৰা হ'ব। মুঠ ১৩ টা ভাষাত এই পৰীক্ষা অনুষ্ঠিত হ'ব।

## ৰাষ্ট্ৰীয় পৰ্যায়ত পৰিৱৰ্তন আনিবলৈ এইবাৰ তেলেংগানাৰ মুখ্যমন্ত্ৰীক সংগ কিশোৰৰ

**নিউজ ব্যুৰ', হায়দৰাবাদ, ২২ মাৰ্চ ঃ** দুসপ্তাহ পূৰ্বে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ স'তে নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰক একে মঞ্চত প্ৰত্যক্ষ হৈছিল। আজি তেলেংগানাৰ মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাৱে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি তেওঁ কিশোৰৰ স'তে সঘনে যোগাযোগ অব্যাহত ৰাখিছে। ৰাওৰ দাবী অনুসৰি 'ৰাষ্ট্ৰীয় পৰ্যায়ত পৰিৱৰ্তন আনিবলৈ' কিশোৰে তেওঁৰ স'তে কাম-কাজ আৰম্ভ কৰিছে। উল্লেখ্য যে তেলেংগানাত ২০২৩ বৰ্ষত বিধানসভাৰ নিৰ্বাচনত অনুষ্ঠিত হ'ব। ৰাজনৈতিক শিবিৰৰ খবৰ অনুসৰি বিজেপি তেলেংগানাত যথেষ্ট শক্তিশালী হৈ উঠিছে আৰু এই ঘটনাত স্বাভাৱিকতে আতংকিত হোৱা ৰাৱে নিৰ্বাচন ৰণনীতিজ্ঞ কিশোৰৰ সহায় বিচাৰিছে। দুমাহ পূৰ্বে কিশোৰে হায়দৰাবাদত মুখ্যমন্ত্ৰী ৰাওক সাক্ষাৎ কৰিছিল। ৰাওৰ স'তে কিশোৰৰ ৩০০ কোটি টকাৰ চুক্তি হোৱা বুলিও এক বাতৰি চৰ্চিত হৈছে। অৱশ্যে ৰাৱে দাবী কৰা অনুসৰি কিশোৰে ধনৰ বাবে তেওঁৰ স'তে কাম কৰা নাই, বৰঞ্চ ৰাষ্ট্ৰীয় ৰাজনীতিত এক পৰিৱৰ্তন সাধনৰ লক্ষ্যৰেহে তেলেংগানা ৰাষ্ট্ৰ সমিতিৰ প্ৰতি সমৰ্থন ব্যক্ত কৰিছে।



## যুদ্ধৰ মাজতে ইউক্ৰেইনলৈ যাব ব্ৰিটিছ প্ৰধানমন্ত্ৰী জনছন



**নিউজ ব্যুৰ' লণ্ডন, ২২ মাৰ্চ ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত তুমুল যুঁজ অব্যাহত থকাৰ সময়তে ইউক্ৰেইন ভ্ৰমণৰ কাৰ্যসূচী গ্ৰহণ কৰিলে ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনে। সূত্ৰৰ খবৰ অনুসৰি অহা সপ্তাহত ৰাছিয়াক কঠোৰ বাৰ্তা দিয়াৰ উদ্দেশ্যৰে যুদ্ধবিধ্বস্ত ইউক্ৰেইনত উপস্থিত হ'ব পাৰে ব্ৰিটিছ প্ৰধানমন্ত্ৰীয়ে। ৰুছ আগ্ৰাসনক গৰিহণা দিবলৈ নিৰাপত্তাৰ শংকাক নেওচি জনছনে ইউক্ৰেইন ভ্ৰমণৰ পৰিকল্পনা প্ৰস্তুত কৰিছে। বি বি চিৰ বাতৰি অনুসৰি ইউক্ৰেইন ভ্ৰমণৰ পাছত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনৰ স'তে জনছনে ফোনযোগে বাৰ্তালাপ কৰিব। উল্লেখ্য যে ৰুছ সেনাৰ স'তে যুদ্ধ কৰাৰ বাবে ইউক্ৰেইনৰ সেনা বাহিনীক যথেষ্ট অস্ত্ৰ-শস্ত্ৰৰ যোগান ধৰিছে ব্ৰিটেইনে।

### দেশত বেংকিং খণ্ডত বিনিয়োগমোচন প্ৰক্ৰিয়া আৰম্ভ কৰিব বিচাৰিছে কেন্দ্ৰীয় চৰকাৰে

# এয়াৰ ইণ্ডিয়াৰ পাছত এইবাৰ দেশত বিক্ৰী হ'ব বেংক

**নিউজ ব্যুৰ' নতুন দিল্লী, ২২ মাৰ্চ ঃ** কিছুদিন পূৰ্বে এয়াৰ ইণ্ডিয়াৰ বিনিয়োগমোচন প্ৰক্ৰিয়া সম্পন্ন হৈছিল। ইয়াৰ জৰিয়তে বৃহৎ চৰকাৰী প্ৰতিষ্ঠান এটাক কেন্দ্ৰীয় চৰকাৰে বেচৰকাৰী খণ্ডক অৰ্পণ কৰিলে। এইবাৰ কেন্দ্ৰীয় চৰকাৰে দেশত বেংকিং খণ্ডত বিনিয়োগমোচন প্ৰক্ৰিয়া আৰম্ভ কৰিব বিচাৰিছে। প্ৰকাশিত বাতৰি অনুসৰি বিমান সংস্থা এয়াৰ ইণ্ডিয়াৰ পাছত এইবাৰ কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰে আই ডি বি আই বেংক বিক্ৰী কৰাৰ সিদ্ধান্ত লৈছে। দৰাচলতে কেন্দ্ৰীয় চৰকাৰে আই ডি বি আই বেংকৰ অংশীদাৰিত্ব বিক্ৰীৰ মুক্ত প্ৰস্তাৱৰ যোজা চলাইছে। লোকসভাত এক লিখিত প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় বিত্ত ৰাজ্যমন্ত্ৰী ভাগৱত কাৰাদে কয় যে আগ্ৰহ প্ৰকাশ কৰাৰ পূৰ্বে বিনিয়োগকাৰীৰ আগ্ৰহৰ মূল্যায়নৰ বাবে আই ডি বি আই বেংকৰ এক 'ৰোড শ্ব'ৰ আয়োজন কৰা হৈছে।

ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাতৰিত উল্লেখ কৰা অনুসৰি কেন্দ্ৰীয় চৰকাৰে অহা মাহৰ শেষৰফালে আই ডি বি আই বেংকত থকা চৰকাৰৰ অংশীদাৰিত্ব বিক্ৰীৰ বাবে মুক্ত প্ৰস্তাৱ আগবঢ়াব। উল্লেখ্য যে এই বাতৰি প্ৰকাশৰ পাছতে কালি আই ডি বি আই বেংকৰ শ্বেয়াৰ মূল্য নেচনেল ষ্টক এক্সচেঞ্জত ৪.৪৩ শতাংশ বৃদ্ধিৰে ৪৪.৭৫ টকা হৈছিল।



প্ৰতিবেদনৰ বাতৰিত উল্লেখ কৰা মতে, বিনিয়োগকাৰীক আকৃষ্ট কৰিবলৈ চৰকাৰী ব্যৱস্থাপনা নিয়ন্ত্ৰণৰ লগতে বেংকৰ প্ৰায় ২৬ শতাংশ শ্বেয়াৰ বিক্ৰীৰ কথা কেন্দ্ৰীয় চৰকাৰে বিবেচনা কৰিব পাৰে। পৰৱৰ্তী পৰ্যায়ত চৰকাৰে আই ডি বি আই বেংকৰ সম্পূৰ্ণ চৰকাৰী অংশীদাৰিত্ব বিক্ৰী কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে বিত্ত বিষয়ক মন্ত্ৰীসভা সমিতিয়ে যোৱা বছৰৰ মে'ত আই ডি বি আই বেংকত কৌশলগত বিনিয়োগ আৰু ব্যৱস্থাপনা নিয়ন্ত্ৰণ হস্তান্তৰৰ বাবে নীতিগত অনুমোদন জনাইছিল। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰৰ লগতে এল আই চি হৈছে আই ডি বি আই বেংকৰ ৯৪ শতাংশ ইকুইটিৰ গৰাকী। এল আই চিয়ে এই বেংকৰ ৪৯.২৪ শতাংশ আৰু কেন্দ্ৰীয় চৰকাৰে ৪৫.৪৮ শতাংশ শ্বেয়াৰৰ গৰাকী।

## 'গাল্লি বয়' খ্যাত ৰেপ্ শিল্পীৰ ২৪ বছৰ বয়সত মৃত্যু



**নিউজ ব্যুৰ' মুম্বাই, ২২ মাৰ্চ ঃ** মাত্ৰ ২৪ বছৰ বয়সতে মৃত্যু হ'ল দেশৰ জনপ্ৰিয় ৰেপ্ শিল্পী এম চি টড ফডৰ। ৰণবীৰ সিঙৰ বিখ্যাত চলচ্চিত্ৰ 'গাল্লি বয়'ৰ জৰিয়তে এম চি ৰেপ্ শিল্পী হিচাপে জনপ্ৰিয় হৈছিল। এম চিৰ প্ৰকৃত নাম আছিল ধৰ্মেশ পাৰমাৰ। মৃত্যুৰ কাৰণ সুনিশ্চিত হোৱা নাই যদিও হৃদৰোগৰ পৰিণতিতে শিল্পীজনৰ মৃত্যু হোৱা বুলি প্ৰাথমিকভাৱে সন্দেহ কৰা হৈছে। এম চিয়ে 'স্বদেশী' নামৰ এটা ৰেপ্ সংগীতৰ বেণ্ড গঠন কৰি বিপুল জনপ্ৰিয়তা অৰ্জন কৰিছিল।

## পঞ্চায়তৰ উপপ্ৰধানৰ হত্যাত অগ্নিগৰ্ভ ৰামপুৰহাট, অগ্নিকাণ্ডত নিহত ১০ জন



**নিউজ ব্যুৰ', বীৰভূম, ২২ মাৰ্চ ঃ** ৰাজনৈতিক অশান্তিত পুনৰ অগ্নিগৰ্ভ হ'ল পশ্চিমবংগৰ বীৰভূমৰ ৰামপুৰহাট। নিশাৰ অন্ধকাৰত গাঁওখনৰ কে'বাটাও বাসগৃহত দুষ্কৃতিকাৰীয়ে অগ্নিসংযোগ কৰাৰ ফলত কমেও ১০ জন লোকৰ অগ্নিদগ্ধ হৈ মৃত্যু হয়। উল্লেখ্য যে সোমবাৰে নিশা বৰছাল পঞ্চায়তৰ উপপ্ৰধানক হত্যাৰ পাছৰে পৰা ৰামপুৰহাটত উত্তেজনা অব্যাহত আছে। যোৱা নিশা ১০ বজাত ৰামপুৰহাটৰ এক নম্বৰ ব্লকৰ বৰছাল গাঁৱৰ উপপ্ৰধান ভাদু শেখক বোমা বিস্ফোৰণৰে হত্যা কৰা হৈছিল। এই ঘটনাৰ স'তে বিজেপি জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। ইয়াৰ পাছৰে পৰা নিশাজুৰি গাঁওখনত উত্তেজনা অব্যাহত থাকে আৰু তৃণমূল কংগ্ৰেছৰ সমৰ্থকে গাঁওখনৰ তিনি-চাৰিটা বাসগৃহত অগ্নিসংযোগ কৰিছিল। ফলত অগ্নিদগ্ধ হৈ ১০ জন লোকৰ মৃত্যু হয়। মৃতকৰ সৰহ সংখ্যকেই হৈছে মহিলা আৰু দুটি শিশু।

## ইমৰানৰ বিদায় নিশ্চিত ঃ নৱাজৰ দলে কৰিলে পৰৱৰ্তী প্ৰধানমন্ত্ৰীৰ নাম ঘোষণা

**নিউজ ব্যুৰ' ইছলামাবাদ, ২২ মাৰ্চ ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানৰ বিৰুদ্ধে বিৰোধীয়ে অনাস্থা প্ৰস্তাৱ দাখিল কৰাৰ পাছৰে পৰা পাক প্ৰধানমন্ত্ৰীৰ ৰাজনৈতিক ভৱিষ্যৎ সংকটৰ সন্মুখীন হৈছে। যিকোনো মুহূৰ্তত ইমৰানে প্ৰধানমন্ত্ৰীৰ পদ ত্যাগ কৰিব বুলি পাকিস্তানত চৰ্চা অব্যাহত থকাৰ সময়তে আজি নৱাজ শ্বৰীফ নেতৃত্বাধীন পাকিস্তান মুছলিম লীগ (এন) দলে পৰৱৰ্তী প্ৰধানমন্ত্ৰীৰ পদৰ বাবে দলীয় প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে। পাকিস্তান মুছলিম লীগ (এন) দলে নৱাজৰ কণিষ্ঠ ভ্ৰাতৃ শ্বাহবাজ শ্বৰীফক দলৰ প্ৰধানমন্ত্ৰী প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিলে। আজি নৱাজৰ কন্যা তথা পাকিস্তান মুছলিম লীগ (এন)ৰ উপ-সভাপতি মৰিয়ম নৱাজে ঘোষণা কৰি কয় যে তেওঁৰ দলে শ্বাহবাজ শ্বৰীফক প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী নিৰ্বাচন কৰিছে। মৰিয়মে ইমৰানৰ বিৰুদ্ধে বিৰোধীয়ে উত্থাপন কৰা অনাস্থা প্ৰস্তাৱত সফলতা লাভ কৰিব বুলিও দাবী কৰে। আজি মৰিয়মে ইমৰানক হুংকাৰ দি কয়, 'ইমৰান খান, আপোনাৰ খেল খতম। শাসকীয় পাকিস্তান তেহৰিক-এ-ইনছাফ সম্পূৰ্ণৰূপে ভাগি পৰিল। ইমৰানে ভালদৰে জানে যে এতিয়া তেওঁক ৰক্ষা কৰিবলৈ কোনো আগবাঢ়ি নাহে।'



## শুকুৰবাৰৰ অনাস্থাৰ পূৰ্বে প্ৰধানমন্ত্ৰীৰ পদ ত্যাগ কৰিব পাৰে ইমৰানে

**নিউজ ব্যুৰ' ইছলামাবাদ, ২২ মাৰ্চ ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰীৰ পদ যিকোনো মুহূৰ্ততে ত্যাগ কৰিব পাৰে ইমৰান খানে। পাকিস্তানৰ ৰাজনৈতিক মহলৰ ধাৰণা অনুসৰি ইছলামাবাদত অনুষ্ঠিত অ' আই চিৰ বৈঠকৰ পাছতে ইমৰানৰ ৰাজনৈতিক ভৱিষ্যৎ নিৰ্ণয় হ'ব। অহা শুকুৰবাৰে পাকিস্তানৰ সংসদত ইমৰানৰ বিৰুদ্ধে অনাস্থা ভোট অনুষ্ঠিত হ'ব। বিৰোধীয়ে উত্থাপন কৰা এই অনাস্থাৰ পূৰ্বে পাক প্ৰধানমন্ত্ৰীৰ পদ ইমৰানে ত্যাগ কৰিব পাৰে। নিজৰ চকী বচাবলৈ কালি ইমৰানে কৈছিল যে দলৰ ২৪ জন বিক্ষুব্ধ সাংসদ যদি উভতি আহিব বিচাৰে তেন্তে তেওঁ কৰুণাময় ঈশ্বৰৰ দৰে তেওঁলোকক ক্ষমা কৰিব।



কিন্তু ইমৰানৰ এই ঘোষণাৰ পাছতো ক্ষুব্ধ সাংসদকেইজনৰ পৰা ইতিবাচক সঁহাৰি লাভ কৰা নাই। ফলত সংসদত অনাস্থা ভোটত ইমৰান পৰাজিত হোৱাৰ শংকা আছে। পাকিস্তানৰ ৰাজনৈতিক মহলৰ ধাৰণা অনুসৰি অনাস্থা ভোটৰ পূৰ্বে পাক প্ৰধানমন্ত্ৰী আসন ইমৰানে ত্যাগ কৰিব পাৰে। ইমৰানে তেওঁৰ স্থানত দলৰ আন কোনো নেতাক প্ৰধানমন্ত্ৰী নিযুক্ত কৰিব পাৰে বুলিও চৰ্চা চলিছে।

## কংগ্ৰেছ নেতাই সভানেত্ৰী ছোনিয়ালৈ পত্ৰ লিখি দাবী কৰিলে প্ৰিয়ংকাৰ ইস্তফা

**নিউজ ব্যুৰ', লক্ষ্নৌ, ২২ মাৰ্চ ঃ** কংগ্ৰেছ নেতা জিছান হাইদৰে দলৰ ৰাষ্ট্ৰীয় সভানেত্ৰী ছোনিয়া গান্ধীলৈ পত্ৰ লিখি উত্তৰ প্ৰদেশ কংগ্ৰেছৰ প্ৰভাৰী প্ৰিয়ংকা গান্ধী ভদ্ৰাৰ পদত্যাগ দাবী কৰিলে। পত্ৰত হাইদৰে কয় যে উত্তৰ প্ৰদেশত কংগ্ৰেছৰ পৰাজয়ৰ বাবে কেৱল ৰাজ্যিক সভাপতিক দোষাৰোপ কৰিলে নহ'ব। কিয়নো, উত্তৰ প্ৰদেশৰ প্ৰভাৰী প্ৰিয়ংকা গান্ধী ভদ্ৰাৰ অনুমতি অবিহনে প্ৰদেশ কংগ্ৰেছৰ সভাপতিয়ে এজন পিয়নকো নিযুক্তি দিব নোৱাৰে। হাইদৰে প্ৰিয়ংকাৰ পদত্যাগ দাবী কৰি পত্ৰত উল্লেখ কৰা অনুসৰি প্ৰিয়ংকা ৰাজ্যখনৰ প্ৰভাৰী হোৱাৰ পাছতো সদ্যসমাপ্ত নিৰ্বাচনত কংগ্ৰেছৰ ৩৮৭ জন প্ৰাৰ্থীৰ আমানত ধন জব্দ হ'ল আৰু সেয়েহে প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ দৰে প্ৰভাৰীৰ পদ প্ৰিয়ংকাই ত্যাগ কৰা উচিত।




## দিল্লী সাম্প্ৰদায়িক হিংসা ঃ ছোনিয়া, ৰাহুল, অনুৰাগ, কপিললৈ উচ্চ ন্যায়ালয়ৰ জাননী

**নিউজ ব্যুৰ' নতুন দিল্লী, ২২ মাৰ্চ ঃ** দিল্লী উচ্চ ন্যায়ালয়ে আজি উত্তৰ-পূব দিল্লীৰ হিংসা কাণ্ড আৰু ৰাজনৈতিক নেতাৰ তথাকথিত উচটনিমূলক ভাষণৰ সন্দৰ্ভত উত্থাপিত এক গোচৰৰ শুনানিত কংগ্ৰেছৰ সভানেত্ৰী ছোনিয়া গান্ধী, সাংসদ ৰাহুল গান্ধী, কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰ, কপিল মিশ্ৰাসহ কে'বাজনো গুৰুত্বপূৰ্ণ পদবীধাৰী ব্যক্তিলৈ জাননী জাৰি কৰিলে। ন্যায়াধীশ সিদ্ধাৰ্থ মৃদুল আৰু ৰজনীশ ভাটনাগৰৰ বিচাৰপীঠে আজি এই গোচৰত প্ৰিয়ংকা গান্ধী আৰু প্ৰবেশ বৰ্মালৈকো জাননী জাৰি কৰে। অৱশ্যে আদালতে জাননী জাৰি কৰা ব্যক্তিকেইজনক এই গোচৰত অভিযুক্ত হিচাপে গণ্য কৰা নাই। স্মৰ্তব্য যে সংশোধিত নাগৰিকত্ব আইন আৰু ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ বিৰুদ্ধে আন্দোলনৰ সময়ত ২০২০ৰ ২৪ ফেব্ৰুৱাৰীত উত্তৰ-পূব দিল্লীত সাম্প্ৰদায়িক সংঘৰ্ষৰ ঘটনা সংঘটিত হৈছিল আৰু এই সংঘৰ্ষত ৫৩ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৭০০ৰো অধিক লোক আহত হৈছিল। দিল্লী আৰক্ষীয়ে এই হত্যাকাণ্ডৰ গোচৰত ইতিমধ্যে ৭৫৮ জন লোকৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছে।



## পুনৰ লালুৰ স্বাস্থ্যৰ অৱনতি, দিল্লীৰ এইমছলৈ প্ৰেৰণ




**নিউজ ব্যুৰ' ৰাঁচী, ২২ মাৰ্চ ঃ** পশুখাদ্য কেলেংকাৰিৰ গোচৰত কাৰাবন্দী হৈ থকা আৰ জে ডিৰ মুৰব্বী লালু প্ৰসাদ যাদৱৰ পুনৰ স্বাস্থ্যৰ অৱনতি হ'ল। উল্লেখ্য যে মধুমেহসহ একাধিক স্বাস্থ্যজনিত সমস্যাত আক্ৰান্ত হোৱা বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰীজন বৃক্কৰ ৰোগতো আক্ৰান্ত হৈছে। আজি মেডিকেল ব'ৰ্ডৰ এখন বৈঠকত লালুৰ স্বাস্থ্যৰ প্ৰসংগত আলোচনা কৰা হৈছিল আৰু এই বৈঠকতে চিকিৎসক বিশেষজ্ঞই লালুৰ স্বাস্থ্যৰ অৱনতিৰ প্ৰতি লক্ষ্য ৰাখি তেওঁক ৰাঁচীৰ ৰিমছৰ পৰা দিল্লীৰ এইমছলৈ প্ৰেৰণৰ সিদ্ধান্ত লয়।

## অ' আই চিত ১.৫ বিলিয়ন মুছলমানক ভাৰতৰ বিৰুদ্ধে একত্ৰিত হ'বলৈ আহ্বান ইমৰানৰ


**নিউজ ব্যুৰ', ইছলামাবাদ, ২২ মাৰ্চ ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানে ইছলামিক দেশৰ সংগঠন অ' আই চিৰ মঞ্চত আকৌ এবাৰ কাশ্মীৰ প্ৰসংগত উত্থাপনৰে বিশ্বৰ সকলো মুছলমানক ভাৰতৰ বিৰুদ্ধে একত্ৰিত হ'বলৈ আহ্বান জনালে। এইবাৰৰ অ' আই চি বৈঠকত চীনৰ বৈদেশিক মন্ত্ৰী ৱাংগ য়ীও উপস্থিত আছিল। ইমৰানে ভাষণ প্ৰসংগত কয় যে বিশ্বৰ ডেৰ বিলিয়ন মুছলমানে আজিও কাশ্মীৰ আৰু পেলেষ্টাইন সমস্যাৰ সমাধান সূত্ৰ উলিয়াব নোৱাৰে। 'কাশ্মীৰত আমাৰ কোনো প্ৰভাৱ নাই। তেওঁলোকে আমাক গভীৰতাৰে নলয়। কাশ্মীৰৰ বাসিন্দাসকলক আত্মনিয়ন্ত্ৰণৰ অধিকাৰ দিয়া হোৱা নাই। ভাৰতে অবৈধভাৱে কাশ্মীৰক প্ৰদান কৰা বিশেষ মৰ্যাদা প্ৰত্যাহাৰ কৰিলে।' ভাষণ প্ৰসংগত পাকিস্তানৰ প্ৰধানমন্ত্ৰীয়ে অ' আই চি বৈঠকত এইদৰে কয়। ইমৰানে লগতে কয় যে বিশ্বৰ ১.৫ বিলিয়ন মুছলমানে একত্ৰিত হৈ ভাৰতৰ ইছলাম বিৰোধী নীতিৰ বিৰোধিতা কৰা উচিত। 'কাশ্মীৰক লৈ ভাৰতে কোনো হেঁচাৰ সন্মুখীন হোৱা নাই। মই বৈদেশিক নীতিৰ প্ৰসংগত ক'ব নোখোজো কিয়নো সকলো দেশৰে বৈদেশিক নীতি পৃথক হয়। কিন্তু আমি এক সংযুক্ত মৰ্চা গঠন কৰা প্ৰয়োজন, অন্যথা কাশ্মীৰ আৰু পেলেষ্টাইনত নিৰ্যাতন চলি থাকিব। কাশ্মীৰ আৰু পেলেষ্টাইনৰ নাগৰিকৰ অধিকাৰ ৰক্ষা কৰিবলৈ হ'লে বিশ্বৰ ১.৫ বিলিয়ন ইছলামধৰ্মী একগোট হ'ব লাগিব। বিদেশী হস্তক্ষেপৰ পাছতে মুছলমান দেশসমূহত সন্ত্ৰাসবাদৰ ঘটনা বৃদ্ধি পাইছে।' পাক প্ৰধানমন্ত্ৰীয়ে এইদৰে মন্তব্য কৰে।

## অপহৰণত বাধা দিয়া হিন্দু যুৱতীক হত্যা পাকিস্তানত



**নিউজ ব্যুৰ', লাহোৰ, ২২ মাৰ্চ ঃ** পাকিস্তানত এগৰাকী হিন্দু যুৱতীক গুলীয়াই হত্যা কৰা হ'ল। পূজা ওড় নামৰ ১৮ বছৰীয়া যুৱতীগৰাকীক দুষ্কৃতিকাৰীয়ে পথৰ পৰা অপহৰণ কৰাৰ অপচেষ্টা চলাইছিল। সেই সময়ত অপহৰণত বাধা দি পূজাই দুষ্কৃতিকাৰীৰ স'তে হতাহতিত লিপ্ত হোৱাত অপহৰণকাৰীয়ে তেওঁক গুলীয়াই হত্যা কৰে। এই ঘটনাত পাকিস্তানৰ সিন্ধ প্ৰদেশত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। সিন্ধৰ চুকুৰৰ ৰুহি অঞ্চলত ঘটনাটো সংঘটিত হৈছিল। উল্লেখ্য যে পাকিস্তানত প্ৰায়ে সংখ্যালঘু সম্প্ৰদায়ৰ যুৱতীক অপহৰণ কৰি ধৰ্মান্তকৰণৰ ঘটনা সংঘটিত হৈ আহিছে।

## চৰকাৰে 'দ্য কাশ্মীৰ ফাইলছ' কৰমুক্ত কৰাৰ কাৰণ হৈছে মানুহে যাতে আমাক ঘিণ কৰে ঃ আব্দুল্লাৰ মন্তব্য



**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ মাৰ্চ ঃ** জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ফাৰুক আব্দুল্লাই আজি অভিযোগ কৰি কয় যে চৰকাৰে 'দ্য কাশ্মীৰ ফাইলছ' নামৰ ছবিখনৰ জৰিয়তে মুছলমানসকলৰ বিৰুদ্ধে ঘৃণাভাৱ বৃদ্ধি কৰিব বিচাৰিছে। আব্দুল্লাই কয় যে এইখন ছবিক বিভিন্ন ৰাজ্যই কৰ ৰেহাই দিছে যাতে অধিক সংখ্যক দৰ্শকে ছবিখন উপভোগ কৰে আৰু মুছলমানক ঘৃণা কৰে। জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰীজনৰ মতে 'দ্য কাশ্মীৰ ফাইলছ' হৈছে এক পৰিকল্পিত ষড়যন্ত্ৰ, যাৰ জৰিয়তে মানুহৰ মনত ঘৃণা ভাৱ সৃষ্টি কৰিব বিচৰা হৈছে। আব্দুল্লাই আজি কয়, 'চৰকাৰে বিচাৰিছে যাতে প্ৰতিজন আৰক্ষী আৰু সৈনিকে এইখন ছবি উপভোগ কৰে আৰু আমাক ঘৃণা কৰে। যিদৰে জাৰ্মানীত হিটলাৰে কৰিছিল। ৬০ লাখ ইহুদীয়ে ইয়াৰ পৰিণতি ভুগিবলগীয়া হৈছিল। আমাৰ দৰে কিমানজনে ভাৰতত থাকি ইয়াৰ মূল্য আদায় দিব লাগিব সেয়া নাজানো।' 'দ্য কাশ্মীৰ ফাইলছ' ছবিখনত আব্দুল্লাই এখন 'প্ৰপাগণ্ডা' ছবি বুলিও অভিহিত কৰে। হিন্দু আৰু মুছলমানৰ মাজত ঘৃণাভাৱ বৃদ্ধি কৰিবলৈ পৰিকল্পিতভাৱে এইখন ছবি নিৰ্মাণ কৰা বুলি প্ৰাক্তন মুখ্যমন্ত্ৰীজনে অভিযোগ কৰে। উল্লেখ্য যে বিবেক অগ্নিহোত্ৰী পৰিচালিত 'দ্য কাশ্মীৰ ফাইলছ' ছবিখনত কাশ্মীৰ পণ্ডিতৰ ওপৰত তিনি দশক পূৰ্বে হোৱা নিৰ্যাতনৰ কাহিনী প্ৰদৰ্শন কৰা হৈছিল। বিজেপিশাসিত কে'বাখনো ৰাজ্যই ইতিমধ্যে এইখন ছবিক কৰ ৰেহাই দিছে।

## সাংসদ পদ ত্যাগ অখিলেশৰ, ৰাজ্যৰ ৰাজনীতিত কৰিব মনোনিৱেশ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ মাৰ্চ ঃ** সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে আজি লোকসভাৰ সদস্যপদ ত্যাগ কৰিলে। উল্লেখ্য যে উত্তৰ প্ৰদেশৰ আজমগড় সমষ্টিৰ পৰা অখিলেশ লোকসভাৰ বিগত নিৰ্বাচনত সাংসদ নিৰ্বাচিত হৈছিল। উত্তৰ প্ৰদেশ বিধানসভাৰ সদ্যসমাপ্ত নিৰ্বাচনত অখিলেশে মেইনপুৰীৰ কৰহলৰ পৰা বিধায়ক নিৰ্বাচিত হৈছিল। আজি সাংসদ পদ ত্যাগ কৰাৰ পাছত অখিলেশে কয় যে এতিয়া তেওঁ বিধানসভাৰ সদস্য হিচাপে বিৰোধীৰ ভূমিকা অধিক শক্তিশালী কৰাত মনোনিৱেশ কৰিব। অখিলেশৰ লগতে আজি ৰামপুৰৰ সাংসদ আজম খানেও লোকসভাৰ সদস্যপদ ত্যাগ কৰে। উল্লেখ্য যে খানো বিধানসভাৰ নিৰ্বাচনত বিধায়ক নিৰ্বাচিত হৈছিল।

## ওদালগুৰিত এছএছবিয়ে জব্দ কৰিলে কাঠভৰ্তি বাহন

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ২২ মাৰ্চ ঃ** যোৱা নিশা মাজবাটৰ পাঠকপুৰৰ পৰা এছএছবিয়ে জব্দ কৰে অবৈধভাৱে কঢ়িয়াই নিয়া কাঠভৰ্তি বাহন। এক বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত এছএছবিৰ ২৩ নম্বৰ লালপুল শিবিৰৰ অন্তৰ্গত কছুবিল শাখাৰ জোৱান আৰু বন বিভাগৰ দলে মাজবাটৰ সমীপৱৰ্তী পাঠকপুৰত নিশা এক অস্থায়ী তালাচী চকী স্থাপন কৰে। তেনে অৱস্থাতে এখন কাঠভৰ্তি বলেৰ' পিক-আপ বাহন আহি পোৱাত এছএছবিয়ে ৰখাৰ নিৰ্দেশ দিয়ে। কিন্তু বাহনৰ চালকে বাহনখন ৰখাই আন্ধাৰৰ সুযোগ লৈ পলায়ন কৰে। পাছত এছএছবিৰ তালাচীত বাহনখনৰ ভিতৰত কঢ়িয়াই অনা অবৈধ কাঠ উদ্ধাৰ হয়। উদ্ধাৰকৃত কাঠসহ এ এছ-১২ বি চি-২৫৩১ নম্বৰৰ বাহনখন এছ এছ বিয়ে বন বিভাগৰ হাতত গতাই দিয়ে।

**'দৈনিক অগ্ৰদূত'ৰ বাতৰি প্ৰভাৱ ঃ তদন্ত ঘোষণা নলবাৰী উপায়ুক্তৰ**

# ঘগ্ৰাপাৰত তিনি বছৰে সম্পূৰ্ণ নহ'ল উপ-স্বাস্থ্য কেন্দ্ৰ

**অগ্ৰদুত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২২ মাৰ্চ ঃ** নলবাৰী জিলাৰ 'ঘগ্ৰাপাৰত তিনি বছৰে অসম্পূৰ্ণ উপ-স্বাস্থ্য কেন্দ্ৰ, শীঘ্ৰে ৰাইজৰ সেৱাত মুকলিৰ দাবী যুৱ-ছাত্ৰ পৰিষদৰ' শীৰ্ষক বাতৰিটো সাত মাৰ্চত 'দৈনিক অগ্ৰদুত'ত প্ৰকাশ হোৱাৰ পাছত নলবাৰী জিলা উপায়ুক্তৰ দৃষ্টিগোচৰ হয় আৰু জানিব পৰা মতে জিলা উপায়ুক্তই উক্ত স্বাস্থ্য কেন্দ্ৰটোৰ অভ্যন্ত ক'ত কি ঘটি আছে সেয়া শীঘ্ৰে প্ৰতিবেদন দাখিল কৰাৰ বাবে নলবাৰী জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালকলৈ চিঠি নম্বৰ এনচিএন ১৪৫/২০১৫/১৩২ যোগে ১১ মাৰ্চত প্ৰেৰণ কৰে। লগতে নলবাৰী জিলা যুটীয়া স্বাস্থ্য সঞ্চালকৰ পৰা ঘগ্ৰাপাৰ মহকুমা স্বাস্থ্য বিষয়ালৈও একেটা নিৰ্দেশ প্ৰেৰণ কৰে। উল্লেখ্য যে নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৩ নম্বৰ ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত বৰজাৰৰিহাটী গাঁৱত ২০১৯তে আৰম্ভণি কৰা এটা উপ-স্বাস্থ্য কেন্দ্ৰৰ গৃহৰ নিৰ্মাণ কাৰ্য আজি পৰ্যন্ত আধাৰুৱা হৈ থকাত চৰকাৰী ধন অপচয় হোৱা বুলি দল-সংগঠন আৰু স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পিতৃভূমি লাটিমাৰ পৰা মাত্ৰ কেইমিটাৰমান আঁতৰত অৱস্থিত বৰজাৰৰিহাটী গাঁৱৰ দক্ষিণ দিশত অৰ্থাৎ বৰজাৰৰিহাটী প্ৰাথমিক বিদ্যালয়ৰ চৌহদত ২০১৯তে স্বাস্থ্য বিভাগে জনৈক চৌধুৰী উপাধিৰ এজন ঠিকাদাৰ জৰিয়তে কে'বা লাখ টকাৰে বৃহত্তৰ অঞ্চলৰ বানপীড়িত ৰাইজৰ চিকিৎসাৰ সুবিধাৰ অৰ্থে ব্যৱস্থা কৰিছিল যদিও অতি ৰহস্যজনক কাৰণত আজি প্ৰায় তিনি বছৰে এই স্বাস্থ্য কেন্দ্ৰটোৰ নিৰ্মাণ কাৰ্য আধৰুৱা হৈ থাকিল। গৃহটোৰ ওপৰত টিনপাত নিদিয়াৰ ফলত তাত ব্যৱহায্য সামগ্ৰীসমূহ নষ্ট হোৱাৰ উপৰি হাবি-জংঘলে আৱৰি ধৰিছে বুলি ৰাজহুৱা অভিয়োগ উঠিছে। ইফালে, বৃহত্তৰ অঞ্চলৰ দল-সংগঠনকে ধৰি ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থা, যুৱ-ছাত্ৰ পৰিষদ ঘগ্ৰাপাৰ আঞ্চলিক সমিতিয়ে উক্ত স্বাস্থ্য কেন্দ্ৰখনৰ আধৰুৱা কাম সম্পূৰ্ণ কৰি অঞ্চলটোৰ দুখীয়া ৰাইজক চিকিৎসা সেৱা প্ৰদান কৰিবলৈ চৰকাৰ তথা নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাক দাবী জনাইছে। ইফালে, ঘগ্ৰাপাৰ মহকুমা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ কেন্দ্ৰৰ অন্তৰ্গত প্ৰায় ২০ টা উপ-স্বাস্থ্যৰ ভালেসংখ্যকৰে আন্তঃগাঁথনি পুতৌজনক বুলি চৰ্চিত হৈছে। উক্ত বাতৰিটো সাত মাৰ্চত 'দৈনিক অগ্ৰদুত'ত প্ৰকাশ হোৱাৰ পাছতে নলবাৰী জিলা উপায়ুক্তই সংশ্লিষ্ট অসম্পূৰ্ণ উপ-স্বাস্থ্য কেন্দ্ৰটোৰ তদন্ত ঘোষণা কৰে।

# টুপামাৰীত অগ্নিকাণ্ডত বাসগৃহ ভস্মীভূত, তিনিজনৰ প্ৰাণৰক্ষা



**অগ্ৰদূত বাৰ্তা**

**আলোপতি, ২২ মাৰ্চ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰাৰ টুপামাৰীত সংঘটিত হয় ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা। অগ্নিকাণ্ডত কথমপি প্ৰাণৰক্ষা পৰে তিনিজনকৈ লোকৰ। গাঁওখনৰ তাহাজুদ্দিনৰ ঘৰত সোমবাৰে দুপৰ নিশা সংঘটিত হয় এই অগ্নিকাণ্ড। নিশা প্ৰায় এক বজাত হঠাৎ দাও দাওকৈ জ্বলি উঠে তাহাজুদ্দিনৰ বাসগৃহ। সেই সময়ত ঘৰৰ ভিতৰত শুই আছিল তাহাজুদ্দিন আৰু তেওঁৰ পৰিয়ালৰ লোক। চুবুৰীয়াই জ্বলি উঠা জুই প্ৰত্যক্ষ কৰি চিঞৰ-বাখৰ কৰাত টোপনিৰ পৰা সাৰ পায় আৰু ঘৰৰ পৰা কোনোমতে বাহিৰত ওলাই কথমপি ৰক্ষা পৰে পৰিয়ালটোৰ শিশুসহ তিনিজনকৈ লোক। নিশা সংঘটিত হোৱা অগ্নিকাণ্ডত এটা বাসগৃহ সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাৰ লগতে জ্বলি ছাই হয় বহু গুৰুত্বপূৰ্ণ নথি-পত্ৰ, নগদ ধনসহ আ-অলংকাৰ। অৱশেষত স্থানীয় ৰাইজৰ তৎপৰতাত জুই নিৰ্বাপণ কৰা হয় যদিও এই অগ্নিকাণ্ডটোৰ চাৰি লক্ষাধিক টকাৰ সম্পত্তি ভস্মীভূত হোৱা বুলি অনুমান কৰা হৈছে। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই। উল্লেখ্য যে অঞ্চলটোৰ প্ৰায়ে অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয় যদিও বৃহত্তৰ টুপামাৰী সোণতলী অঞ্চলত নাই অগ্নিনিৰ্বাপক বাহিনী। অচিৰেই অঞ্চলটোত অগ্নিনিৰ্বাপণৰ বাহন ৰখাৰ ব্যৱস্থা কৰাৰ দাবী জনাইছে স্থানীয় ৰাইজে।

# চুতীয়া জনগোষ্ঠী স্বায়ত্তশাসিত পৰিষদৰ দাবীত মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ



**বিশেষ সংবাদদাতা**

**নগাঁও, ২২ মাৰ্চ ঃ** চুতীয়া জনগোষ্ঠীক স্বায়ত্তশাসিত পৰিষদ প্ৰদানৰ ব্যৱস্থা কৰাৰ লগতে চুতীয়াসকলৰ বিভিন্ন দাবী পূৰণৰ বাবে আজি চুতীয়া যুৱ সন্মিলন, অসমৰ নগাঁও জিলা সমিতি আৰু চুতীয়া স্বায়ত্তশাসিত পৰিষদ দাবী সমিতিয়ে পৃথকে পৃথকে নগাঁও জিলা উপায়ুক্তৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। তেওঁলোকে স্মাৰকপত্ৰত চুতীয়া জনগোষ্ঠীৰ বিভিন্ন ইতিবৃত্ত উল্লেখ কৰি দাবীসমূহ পূৰণ কৰাৰ লগতে অসমৰ আদিম ভূমিপুত্ৰ চুতীয়া জনগোষ্ঠীক অতি সোনকালে স্বায়ত্তশাসিত পৰিষদ প্ৰদান কৰি জাতিটোৰ উন্নয়নত আগবঢ়াই নিয়াৰ সুবিধা কৰিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনায়। তেওঁলোকে স্মাৰকপত্ৰত ইতিপূৰ্বে জনগোষ্ঠীটোৰ সমস্যাসমূহ আলোচনাৰ মাজেৰে সমাধানৰ ভূমিকা গ্ৰহণ কৰাত চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছে। আজি স্মাৰকপত্ৰ প্ৰদানত চুতীয়া যুৱ সন্মিলন নগাঁও জিলা সমিতিৰ সভাপতি পদুম বৰা, সম্পাদক মুন কাকতি, চুতীয়া স্বায়ত্তশাসিত পৰিষদ দাবী সমিতিৰ সভাপতি ধৰ্মপ্ৰাণ শইকীয়া, মুখ্য সচিব দিব্যজ্যোতি ৰাজখোৱা আদি উপস্থিত থাকে।

# এনআৰচি পুনৰীক্ষণৰ বাবে চৰকাৰে লোৱা সিদ্ধান্তৰ বিৰোধিতা আমছুৰ

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২২ মাৰ্চ ঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ সভাপতি ৰেজাউল কৰিম সৰকাৰে আজি চিৰাঙৰ বৰতালোৱাত এনআৰচি সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এক সংবাদমেলৰ সম্বোধন কৰে। সংবাদমেলত এন আৰ চি সন্দৰ্ভত চৰকাৰে লোৱা সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেওঁ কয় যে দেশৰ উচ্চতম ন্যায়ালয়ৰ তত্ত্বাৱধানত এনআৰচি হ'ল, তাৰ পাছতো পুনৰ কিছু দল-সংগঠনৰ অভিযোগৰ পাছত পুনৰ ২৭ শতাংশ লোকৰ পুনৰীক্ষণ হ'ল। তাৰ পাছতো চৰকাৰে উচ্চতম ন্যায়ালয়ৰ ওচৰ চাপিছিল, তাকো নাকচ কৰিলে ন্যায়ালয়ে। চৰকাৰে এন আৰ চিক লৈ ৰাজনীতি কৰা বুলি অভিযোগ উত্থাপন কৰে। চৰকাৰে পাকে প্ৰকাৰে নিৰ্দিষ্ট এটা ধৰ্ম, জাতি তথা জনগোষ্ঠীক টাৰ্গেট কৰি এন আৰ চিৰ নামত বাৰে বাৰে হাৰাশাস্তি কৰা পৰিলক্ষিত হৈছে বুলিও তেওঁ অভিযোগ কৰে। তেওঁ কয় যে এনআৰচিৰ পুনৰীক্ষণৰ নামত বহুলোকে প্ৰাণ হেৰুৱালে তাতো চৰকাৰে সন্তুষ্টি লাভ কৰা নাই পুনৰ এনআৰচিৰ পুনৰীক্ষণ কৰাটো পূৰ্বৰ সময়ত কোটি কোটি টকা ব্যয় কৰিলে সেয়া নিৰৰ্থক হ'ব। বিজেপি নেতৃত্বাধীন চৰকাৰৰ সময়তে চৰকাৰী বিষয়া-কৰ্মচাৰী নিয়োগ কৰি কৰা এন আৰ চিক বিজেপি নেতৃত্বাধীন চৰকাৰখনেই অগ্ৰাহ্য কৰাটো দুৰ্ভাগ্যজনক। শেহতীয়াকৈ চৰকাৰে পুনৰ পুনৰীক্ষণৰ দৰে সিদ্ধান্ত লোৱাৰ বিৰোধিতা কৰে আমছুয়ে। আমছুয়ে আদালতৰ ওপৰত বিশ্বাস ৰাখি আকৌ এই সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত যাব বুলি স্পষ্ট কৰে সভাপতিজনে।

## উত্তৰ শালমাৰাত বৃহৎ পৰিমাণৰ গাঞ্জা উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২২ মাৰ্চ ঃ** অসম আৰক্ষীয়ে ড্ৰাগছ, গাঞ্জা আদি নিচাজাতীয় সামগ্ৰীৰ চোৰাং সৰবৰাহৰ ক্ষেত্ৰত কঠোৰ স্থিতি গ্ৰহণ কৰাৰ সময়তে আজি উত্তৰ শালমাৰা আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ গাঞ্জা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা আৰক্ষীয়ে শালবাৰীৰ পূৰ্ণ দাস ওৰফে গুণৰ ঘৰত গাঞ্জা থকা বুলি এক নিৰ্ভৰযোগ্য সূত্ৰৰ পৰা জানিব পাৰি অভিযান চলায়। পাছত দাসৰ ঘৰৰ পৰা ২৬ কিলোগ্ৰাম ৫৮০ গ্ৰাম গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয়। ইতিমধ্যে চোৰাং ব্যৱসায়ী পূৰ্ণ দাস পলাতক হোৱাত আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম নহয়। উল্লেখ্য যে জিলাখনত বিভিন্ন স্থানত ইতিমধ্যে গাঞ্জাৰ বিৰুদ্ধে অভিযান চলাই কে'বাটাও গাঞ্জাৰ ঘাটি উৎখাত কৰিবলৈ সক্ষম হৈছে।

# কুলচীত চোৰাং কাঠৰ সাতখন চাইকেল জব্দ

**অগ্ৰদূত বাৰ্তা**

**বকো/ছয়গাঁও, ২২ মাৰ্চ ঃ** পশ্চিম কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত কুকুৰমাৰাৰ সমীপৰ ভাঠি জীয়াকুৰত আজি সন্ধিয়া বন বিভাগৰ লোকে অবৈধভাৱে মাটি কটা এখন এক্সকেভেটৰসহ দুখন ট্ৰেক্টৰ জব্দ কৰে। পশ্চিম কামৰূপৰ ডি এফ অ' ডিম্পী বৰাৰ নেতৃত্বত চলোৱা অভিযানত জব্দ কৰা তিনিওখন বাহন জব্দ কৰি কুকুৰমাৰা বন পৰীক্ষণ চকীলৈ লৈ আহে। আনহাতে, আজি পুৱা কুলচী বনাঞ্চলক কাৰ্যালয়ৰ অন্তৰ্গত হাতীগড় অঞ্চলত বনাঞ্চলিক বিষয়া দ্বিপন ডেকাই চোৰাং কাঠৰ বিৰুদ্ধে অভিযান চলাই সাতখন চাইকেলসহ প্ৰায় ৫০ হেজাৰ টকাৰ চোৰাং কাঠ জব্দ কৰিবলৈ সক্ষম হয়।

# জিলা স্বাস্থ্য সংস্থাৰ পৰ্যালোচনা সভা

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২২ মাৰ্চ ঃ** জিলা স্বাস্থ্য সংস্থাৰ জিলা পৰ্যায়ৰ পৰ্যালোচনা সভা আজি জিলা পুথিভঁৰাল কৰফাৰেন্স হলত অনুষ্ঠিত হয়। অনুষ্ঠানত ২০২০-২১ আৰু ২০২২ বিত্তীয় বৰ্ষৰ স্বাস্থ্য কাৰ্যকৰ্মৰ নিজ নিজ বিভাগৰ প্ৰদৰ্শনসমূহ পৰ্যালোচনা কৰা হয়। অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকি জিলা উপায়ুক্ত সুমিত ছাত্তাৱানে বছৰটোত কি চলিছে, কাৰ্যক্ষেত্ৰত কি হৈ উঠা নাই এই সন্দৰ্ভত জিলা ভিত্তিক স্বাস্থ্য বিভাগৰ প্ৰতিনিধিসকলৰ কাৰ্যক্ৰমৰ বুজ লয়। অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে সহকাৰী সঞ্চালক মনোজ কুমাৰ দাসে। সভাত বিশিষ্ট ব্যক্তিৰূপে উপস্থিত থাকে অতিৰিক্ত উপায়ুক্ত গীতলি দুৱৰা আৰু কাৰ্যক্ৰম সঞ্চালক দেবাংগ বিকাশ গগৈ প্ৰমুখ্যে কে'বাজনো বিশিষ্ট ব্যক্তি। সভাখনত স্বাস্থ্য বিভাগৰ বিষয়া, চিকিৎসক, মেডিকেল ৰিপ্ৰেজেনটেটিভ আদি অংশগ্ৰহণ কৰে।

# নৱোদয় বিদ্যালয়ত অসমীয়া ভাষা প্ৰৱৰ্তনৰ দাবী

## ওদালগুৰিত ১৪ টাকৈ সংগঠনৰ স্মাৰকপত্ৰ প্ৰদান

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ২২ মাৰ্চ ঃ** ওদালগুৰি জিলাৰ জৱাহৰ নৱোদয় বিদ্যালয়ত অসমীয়া বিষয়টি 'আধুনিক ভাৰতীয় ভাষা' হিচাপে প্ৰৱৰ্তন কৰাৰ বাবে আজি ওদালগুৰি জিলাৰ ১৪ টাকৈ ছাত্ৰ সংগঠন আৰু সাহিত্য সভাই ওদালগুৰি জিলা উপায়ুক্তৰ লগতে বিদ্যালয়খনৰ অধ্যক্ষলৈ স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰখনত উল্লেখ কৰে যে ওদালগুৰিৰ শিক্ষা ব্যৱস্থাত এক বিশেষ ভূমিকা পালন কৰি অহা ওদালগুৰিৰ সোণাইগাঁওস্থিত জৱাহৰ নৱোদয় বিদ্যালয়ত অসমীয়া বিষয়টি 'আধুনিক ভাৰতীয় ভাষা' চমুকৈ এম আই এল শিতানত সুকীয়াকৈ আজি পৰ্যন্ত নথকাৰ বাবে বহু শিক্ষাৰ্থীয়ে বিষয়টি অধ্যয়নৰ পৰা বঞ্চিত হৈ আহিছে। বিদ্যালয়খনত অধ্যয়নৰ বাবে অহা অধিকাংশ শিক্ষাৰ্থী অসমীয়া মাধ্যমৰ পৰা অহা বাবে পাঠ্যক্ৰমত অসমীয়া বিষয়টি অধ্যয়ন কৰিবলৈ আগ্ৰহী যদিও আজি পৰ্যন্ত এইসকলে বঞ্চিত হৈ আছে। শিক্ষাৰ অধিকাৰ আইন অনুসৰি যিহেতু প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে মাতৃভাষা মাধ্যমত অধ্যয়নৰ অধিকাৰ আছে, গতিকে আগন্তুক এপ্ৰিলৰ পৰা আৰম্ভ হ'বলগীয়া নতুন শিক্ষাবৰ্ষৰ পৰাই বিদ্যালয়খনত অসমীয়া বিষয়টি আধুনিক ভাৰতীয় ভাষা হিচাপে প্ৰৱৰ্তন কৰিবলৈ স্মাৰকপত্ৰযোগে আহ্বান জনায়। স্মাৰকপত্ৰখনত সমৰ্থন আগবঢ়ায় ক্ৰমে আছু, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, ৰাভা সাহিত্য সভা, ৰাভা ছাত্ৰ সন্থা, কৃষক মুক্তি সংগ্ৰাম সমিতি, আক্ৰাছু, শৰণীয়া কছাৰী সাহিত্য সভা, শৰণীয়া কছাৰী ছাত্ৰ সন্থা, নেপালী সাহিত্য সভা, গোৰ্খা ছাত্ৰ সন্থা, চানতালি সাহিত্য সভা, আদিবাসী ছাত্ৰ সন্থা, চাহ জনগোষ্ঠী আদিবাসী ছাত্ৰ সন্থা, সংখ্যালঘু ছাত্ৰ সন্থাৰ ওদালগুৰি জিলা সমিতিয়ে।

## বৰপেটাত শিশুৰ সলিল সমাধিত শোক

**অগ্ৰদূত বাৰ্তা**

**আলোপতি, ২২ মাৰ্চ ঃ** বৰপেটা জিলাৰ কাছুমাৰী আৰক্ষী থানাৰ অন্তৰ্গত খোলাবান্ধা গাঁৱত আজি আবেলি সংঘটিত হয় এক শোকাৱহ ঘটনা। গাঁওখনৰ ছাদ্দাম হুছেইনৰ চাৰি বছৰীয়া পুত্ৰ খেলি থকা অৱস্থাত হঠাৎ ওচৰৰে এটি পুখুৰীত পৰি নিৰুদ্দেশ হৈ থাকে। পৰিয়ালৰ লোকে বহু সময় বিচাৰ খোচাৰ কৰি শিশুটিৰ সম্ভেদ উলিয়াব নোৱাৰিলে। পাছত ওচৰৰ পুখুৰীটোত শিশুটি ভাহি থকা দেখি শিশুটিক পানীৰ পৰা তুলি আনি এখন মটৰ চাইকেলেৰে নগৰবেৰা ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ আনে যদিও চিকিৎসকে শিশুটিক মৃত বুলি ঘোষণা কৰে। শিশুটিৰ মৃত্যুত শোকৰ ছাঁ পৰিছে।

# কাজলগাঁৱত পুত্তলিকা দাহ এবছুৰ

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২২ মাৰ্চ ঃ** বিটিআৰ চুক্তিৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত কৰা আপীলৰ বিৰুদ্ধে আজি এবছুৱে প্ৰতিবাদ সাব্যস্ত কৰে। বড়ো জনগোষ্ঠীয় কে'বাটাও দল-সংগঠনৰ ৯৫ জন লোক তথা নেতৃত্বই দাখিল কৰিছিল আপীল। তাৰ পাছতে এইদৰে জাঙুৰ খাই উঠিছে এবছু। এবছুৰ দাবী অশান্তি জৰ্জৰ বিটিচিত এনডিএফবিৰ চাৰিওটা গোট আৰু এবছুৰে হোৱা আলোচনাৰ অন্তত এই বিটিআৰ চুক্তি হৈছিল শান্তি স্থাপনৰ বাবে। এই পি আই এলৰ দ্বাৰা পুনৰ বিটিচি অশান্তি কৰিব বিচাৰিছে বুলি দাবী কৰে এবছুৱে। বিটিচিক অশান্তি কৰিব বিচৰাসকলক সকীয়াই দিয়ে এবছুৱে এই প্ৰতিবাদৰ জৰিয়তে। প্ৰতিবাদত এবছুৱে পিআইএলৰ প্ৰতিলিপি আৰু পি আই এল কৰোতাসকলৰ প্ৰতিকৃতি দাহ কৰে। চিৰাঙৰ কাজলগাঁওৰ লগতে প্ৰতিটো আঞ্চলিক সমিতিত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে এবছুৱে।

# কেৰালাত কৰ্মসংস্থাপনৰ বাবে গৈ তিৰুপতিত চলন্ত ৰেলৰ দবাত মৃতদেহ উদ্ধাৰ নাজিৰাৰ জিতু চিত্ৰকৰৰ

**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ২২ মাৰ্চ ঃ** কৰ্মসংস্থাপন আৰু পৰিয়ালৰ ভৰণ-পোষণৰ তাড়নাত কেৰালালৈ গৈ থকা অৱস্থাত নাজিৰাৰ এজন ব্যক্তিৰ মৃতদেহ চলন্ত ৰেলৰ দবাত উদ্ধাৰ হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ লগতে গৃহ অঞ্চল নাজিৰা মহকুমাৰ শিলসাঁকো খনিকৰ গাঁৱত গভীৰ শোকৰ ছাঁ পৰিছে। নাজিৰা মহকুমাৰ টেঙাপুখুৰী আৰক্ষী চকীৰ অন্তৰ্গত শিলাসাঁকো খনিকৰ গাঁৱৰ নিবাসী তথা কেৰালা ষ্ট্ৰিকাৰ ফ্ৰ'ক প্ৰাইভেট লিমিটেড নামৰ প্ৰতিষ্ঠানটোত নিৰাপত্তাৰক্ষী হিচাপে কৰ্মৰত সৰবৰহী ব্যক্তি জিতু চিত্ৰকৰ (৪৮) কিছুদিনৰ আগতে ঘৰলৈ আহি যোৱা ১৯ মাৰ্চৰ নিশা শিমলুগুৰি জংছনৰ পৰা বিবেক এক্সপ্ৰেছত পুনৰ কৰ্মক্ষেত্ৰলৈ উভতি গৈছিল। আজি পুৱা প্ৰায় ১০ বজাত গন্তব্য স্থান পোৱাৰ কথা আছিল যদিও কৰ্মক্ষেত্ৰ পোৱাৰ পূৰ্বে অন্ধ্ৰপ্ৰদেশৰ তিৰুপতি মন্দিৰৰ পৰা প্ৰায় ১০ কিলোমিটাৰ দূৰত্বত ৰেলখনৰ দবাৰ ভিতৰতে জি আৰ পিৰ দলে ৰহস্যজনকভাৱে চিত্ৰকৰৰ মৃতদেহ উদ্ধাৰ কৰে।

## প্ৰমোদ ভূঞাৰ মৃত্যুত শোক

**বিশেষ সংবাদদাতা**

**নগাঁও, ২২ মাৰ্চ ঃ** ভাৰতীয় গণনাট্য সংঘৰ অসম ৰাজ্যিক সমিতিৰ প্ৰাক্তন সম্পাদক প্ৰমোদ ভূঞাৰ মৃত্যুত সংঘৰ নগাঁও জিলা সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। সংঘৰ নগাঁও জিলা সমিতিৰ সভাপতি দীপ্তি কুমাৰ বৰুৱা আৰু সম্পাদিকা নিজৰা শইকীয়াই ভূঞাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি কয় যে ভূঞাৰ মৃত্যু ভাৰতীয় গণনাট্য সংঘৰ বাবে অপূৰণীয় ক্ষতি। সংঘৰ নগাঁও জিলা সমিতিয়ে ভূঞাৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। ভূঞাৰ মৃত্যুত তেওঁৰ জন্মস্থান কলিয়াবৰৰ হাটবৰ অঞ্চলতো শোকৰৰ ছাঁ পৰে।

## শিক্ষক মুহিবুল হুছেইনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**নামতি, ২২ মাৰ্চ ঃ** নাজিৰা বৰতল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক তথা নামতি চাৰিআলিৰ বাসিন্দা মুহিবুল হুছেইনৰ দুৰাৰোগ্য ৰোগত আজি পৰলোক প্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেঁওৰ বয়স আছিল ৫৮ বছৰ। হুছেইনে মৃত্যুৰ সময়ত শিক্ষয়িত্ৰী পত্নীসহ দুজন পুত্ৰক ইহ সংসাৰত এৰি গৈছে।

# সাতবিলৰ গুৰু গোবিন্দ সেৱাশ্ৰমত শ্ৰীশ্ৰীতাৰক ব্ৰহ্ম মহানাম যজ্ঞ



**অগ্ৰদূত বাৰ্তা**

**দোতমা, ২২ মাৰ্চ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰীৰ সাতবিলস্থিত শ্ৰীশ্ৰীগুৰু-গোবিন্দ সেৱাশ্ৰম প্ৰাংগণত আজি শ্ৰীশ্ৰীতাৰক ব্ৰহ্ম মহানাম যজ্ঞ আৰু অষ্টকালীন লীলা কীৰ্তনৰ অনুষ্ঠানৰ আয়োজন কৰে। মহানামযজ্ঞ পৰিচালনা সমিতিৰ সৌজন্যত আয়োজিত অনুষ্ঠানৰ কাৰ্যসূচী মতে আজি অধিবাস কীৰ্তন আদিতে আবেলি সখীসকলে কীৰ্তন নৃত্য কৰি গুৰুফেলা নদীৰ ঘাটৰ পৰা গংগাৰ পানী আনে আৰু নিশা অধিবেশন কীৰ্তনৰ অন্তত কাইলৈ পুৱাৰ পৰা ২৪ মাৰ্চলৈকে নামকীৰ্তন আৰু ২৫ মাৰ্চত অষ্টকালীন লীলা কীৰ্তন অনুষ্ঠিত হয়। উক্ত কীৰ্তন অনুষ্ঠানত কোকৰাঝাৰ জিলাৰ লগতে ধুবুৰী জিলা আৰু চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ কীৰ্তনীয়া নাম কীৰ্তন আৰু লীলা কীৰ্তন পৰিৱেশন কৰিব। অনুষ্ঠানত সকলো বৈষ্ণৱ তথা সমূহ কীৰ্তন প্ৰেমী ৰাইজক উপস্থিত থাকি অনুষ্ঠান সাফল্যমণ্ডিত কৰিবলৈ আয়োজক সমিতিয়ে আহ্বান জনায়।

# মূল্যবৃদ্ধিয়ে দিলে কঁকালত টঙালি বন্ধাৰ প্ৰেৰণা

**মঙলদৈত সৰিয়হ খেতিৰ নতুন জোৱাৰ এবছৰলৈ বজাৰৰ মিঠাতেল নিকিনে বৰসত্ৰৰ গঞাই**

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২২ মাৰ্চ ঃ** ক'ভিড অতিমাৰীয়ে সকলোৰে কঁকাল ভাঙি পেলোৱাৰ সময়তে নিত্য ব্যৱহাৰ্য খাদ্য সামগ্ৰীৰ অত্যধিক মূল্যবৃদ্ধিয়ে বহুতৰ জীৱনযাত্ৰা থানবান কৰি পেলালে। তাৰে ভিতৰত মিঠাতেলৰ বৰ্ধিত মূল্যই বহুতকে 'সৰিয়হৰ ফুল' দেখুৱালে। একাংশই মিঠাতেল অবিহনেই ভাতসাজ খাবলগীয়া হ'ল বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাষাত 'দুৰ্যোগক সুযোগ' ৰূপে প্ৰত্যাহ্বান গ্ৰহণ কৰিলে বিভিন্ন মহলে। যাৰ বাবে এইবেলি অবিশ্বাস্যভাৱে পশ্চিম দৰঙৰ বিশেষকৈ পশ্চিম মঙলদৈত নীৰৱে গঢ়ি উঠিল সৰিয়হ খেতিৰ বিপ্লৱ।



উল্লেখ্য যে পশ্চিম মঙলদৈৰ কৃষকে সাধাৰণতে বছৰেকত এবাৰ ধান খেতি কৰি বাকী সময়ছোৱা পথাৰখন উদং কৰিয়েই পেলাই থয়। যি সময়ত পূৰ মঙলদৈ তথা চৰ-চাপৰিৰ কৃষিভূমি চিৰ সেউজীয়া হৈ থাকে সেই সময়তে পশ্চিম মঙলদৈৰ বিস্তীৰ্ণ কৃষিভূমি শুকান, লঠঙা হৈ থকা কথাটো সৰ্বজনবিদিত। কিন্তু এইবেলি তেনে দৃশ্যৰ আমূল পৰিৱৰ্তন ঘটিছে। মঙলদৈৰ ৰাজঘাট, হলৌ চৌকা, জলজলী, দিঘীৰপাৰ আদি বাম অঞ্চলৰ পথাৰ ধান খেতিৰ পাছত আকৌ সেউজীয়া হৈ উঠিল। কেৱল আঁৰত দুটা প্ৰধান কাৰকে ক্ৰিয়া কৰা বুলি অনুমান কৰা হৈছে। তাৰে এটা হৈছে হঠাতে মিঠাতেলৰ দাম দুগুণে বৃদ্ধি পোৱা আৰু আনটো গৰুখুঁটি কৃষি প্ৰকল্পৰ পৰা ভাহি অহা এক অদৃশ্য বাৰ্তা। তদুপৰি কৃষিৰ প্ৰতি জাগ্ৰত হোৱা জনসচেতনতাও আন এক কাৰক বুলি ঠাৱৰ কৰা হৈছে। মুঠতে এনে বলিষ্ঠ মানসিকতা গঢ় লোৱাৰ বাবে প্ৰথমবাৰৰ বাবে এইবেলি বজাৰৰ পৰা মিঠাতেল ক্ৰয় কৰিবলগীয়া নহয় বহু পৰিয়ালেই নহয় বহুকেইখন গাঁৱৰ ৰাইজে। ইয়াৰে ভিতৰত এখন গাঁও হৈছে দিঘীৰপাৰৰ দক্ষিণ বৰসত্ৰ। গাঁওখনৰ মেন্দিয়াপাৰা চুবুৰিৰ যুৱক বিপুল ডেকাই 'দৈনিক অগ্ৰদূত'ক কয়, 'মিঠাতেলৰ দামে কঁকাল ভাঙি দিছিল। নিকিনিলেও নহয়, কিনিলেও জেপ উদং হয়। সেয়ে আমি গাঁৱৰ প্ৰতি ঘৰে আলোচনা কৰিলো যে ধান খেতি সামৰাৰ পাছতে বেহাৰৰ খেতিত লাগোদে। সকলোৱে সন্মত হ'ল। লগতে গৰু-ছাগলী বান্ধি ৰখাটোও খাটাং কৰিলো। নহ'লে বেহাৰ তলিত হেঙাৰ দিব লাগিলে কেৰেলাতকৈ গুটি দীঘল হ'ব। অৱশেষত আমি ফলাফলেই পালো। কলাইগাঁৱৰ এঘৰ আলহীৰ পৰা বীজ আনি প্ৰথমবাৰ বেছি মাটিত খেতি কৰা বিপুলে এইবাৰ পৰীক্ষামূলকভাৱে চাৰি বিঘা মাটিত সৰিয়হৰ খেতি কৰি ১০ মোন সৰিয়হ পোৱা বুলি কয়। এইখিনিৰে তেওঁৰ বছৰটো খাঁটি সৰিয়হৰ তেল খাব বুলি হাস্যবদনে কয়। লগতে ধানতকৈ কম কষ্ট, কম খৰচ আৰু অধিক লাভ হয় বুলিও কয়। এইবাৰ উৎসাহিত হোৱা হেতুকে অহাবাৰ বিপুলে তেওঁৰ গোটেইখিনি মাটি অৰ্থাৎ ১৫ বিঘা মাটিত সৰিয়হৰ খেতি কৰিব বুলি নিজে নিজে লোৱা সংকল্পৰ কথা দোহাৰে। সেইদৰে গাঁওখনৰ আন সকলো পৰিয়ালেই হিলদল ভাঙি সৰিয়হৰ খেতি কৰিব বুলি প্ৰকাশ কৰিছে। এইবেলি মোনে মোনে সৰিয়হ বস্তাত ভৰাই তৃপ্তি লাভ কৰিছে এইখন দক্ষিণ বৰসত্ৰ গাঁৱৰ বিপুলৰ উপৰি অজয় ডেকা, দধি ডেকা, ৰাতুল ডেকা, ভাস্কৰ বৰা, নগেন ডেকা, টংকেশ্বৰ ডেকা, কুমুদ ডেকা, তিলক ডেকা, বসুন্ধৰ ডেকা, দুলু ডেকা, অনন্ত ডেকা, উপেন ডেকা, যোগেশ ডেকা আদিয়ে। এয়া সমগ্ৰ গাঁওখনৰে এক অভিলেখৰূপে গণ্য হৈছে। এইখন গাঁৱৰ এই নীৰৱ কৃষি বিপ্লৱৰ বিপৰীতে কিন্তু আজিও বৃহত্তৰ জনাৰামচৌকাৰ কেওটপাৰা, কবিকাৰা, ডাঁহী নগাঁও, তামুলীপাৰা, ধৌৱাপাৰা, হৰিণখোজা, আঠিয়াবাৰী আদি গাঁৱৰ শ শ বিঘা কৃষিপথাৰ হতাশাজনকভাৱে উদং -লঠঙা হৈয়ে আছে।

# বিটিআৰ চুক্তিৰ বিৰোধিতা তামুলপুৰত এবছুৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২২ মাৰ্চ ঃ** বিটিআৰ শান্তি চুক্তিৰ বিৰোধিতাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ত প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্ম, প্ৰাক্তন সাংসদ চানচুমা খুংগুৰ বিছমতিয়াৰীকে ধৰি একাংশ ব্যক্তিয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ত এক ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। উক্ত আবেদনক কেন্দ্ৰ কৰি প্ৰতিবাদমুখৰ হৈ উঠিছে নিখিল বড়ো ছাত্ৰ সন্থা। নিখিল বড়ো ছাত্ৰ সন্থাৰ নিৰ্দেশমৰ্মে আজি তামুলপুৰ আঞ্চলিক সমিতিয়ে তামুলপুৰ মহকুমা সদৰৰ মটঙা চ'কত বিটিআৰ চুক্তিৰ বিৰোধিতা কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰাজহুৱা আবেদন দাখিল কৰা প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্ম, চানচুমা খুংগুৰ বিছমুতিয়াৰী, জনক লাল বসুমতাৰী, খাম্ফা বৰগয়াৰী, হিতেশ বসুমতাৰীৰ, প্ৰতিমূৰ্তি দাহ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে।



প্ৰতিবাদকাৰীসকলে বিটিআৰ চুক্তিৰ শীঘ্ৰে ৰূপায়ণ কৰক, জাতিদ্ৰোহী চন্দন ব্ৰহ্ম, চানচুমা হুচিয়াৰ, বিটিআৰ চুক্তিৰ বিৰোধীসকল হুচিয়াৰ, এবছু জিন্দাবাদ আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে তামুলপুৰ এবছুৱে উক্ত ব্যক্তিসকলক জাতিদ্ৰোহী আখ্যা দিয়াৰ লগতে বড়ো জাতিৰ ক্ষতি কৰিব পৰা সকলো ধৰণৰ কাম-কাজৰ পৰা বিৰত থাকিবলৈ সকীয়াই দিয়াৰ লগতে কেন্দ্ৰ তথা ৰাজ্য চৰকাৰক বিটিআৰ চুক্তিৰ দফাসমূহ অতি শীঘ্ৰে কাৰ্যকৰী কৰাৰ বাবে দাবী জনায়। প্ৰতিবাদী কাৰ্যসূচীত বাগ্‌সা জিলা এবছুৰ অধ্যক্ষ বানেশ্বৰ নাৰ্জাৰী, তামুলপুৰ এবছুৰ সভাপতি অজিত বড়ো, সাধাৰণ সম্পাদক বিপুল বসুমতাৰী, সম্পাদক কমল বড়োৰ লগতে শতাধিক কৰ্মী উপস্থিত থাকে।

■ উচ্চ প্ৰাবল্যৰ বিস্ফোৰণ ঘটাই ব্যাপক ক্ষতিসাধনৰ অভিযোগ

# মেৰাপানীত জনবসতিপূৰ্ণ অঞ্চলত অ'এনজিচিৰ তৈল সন্ধান

**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ২২ মাৰ্চ ঃ** অসম-নগালেণ্ড সীমান্তৱৰ্তী বৃহত্তৰ মেৰাপানী অঞ্চলত ভূগৰ্ভৰ খাৰুৱা তেলৰ সন্ধানত নামিছে তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অধীনস্থ এটা বহিৰাগত কোম্পানীয়ে। বিগত দুমাহ ধৰি মেৰাপানী অঞ্চলৰ গাঁৱে-ভূঁঞে কলকতাৰ এটা ঠিকাদাৰী প্ৰতিষ্ঠান মেছাৰ্চ আগৰৱাল মাৰ্কেটিং ছাৰ্ভিচেজ এনাৰ্জী প্ৰাইভেট লিমিটেডে ৰাইজৰ ওজৰ-আপত্তিলৈ আওকাণ কৰি ধাৰাবাহিকভাৱে ভূগৰ্ভৰ তেলৰ সন্ধানত বিস্ফোৰণ ঘটাই আহিছে। ফলত অঞ্চলটোৰ বহু ঠাইত ব্যক্তিগত আৰু ৰাজহুৱা সা-সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন হোৱাৰ তথ্য পোহৰলৈ আহিছে। ভূগৰ্ভত উচ্চ প্ৰাবল্যৰ বিস্ফোৰণ ঘটোৱাৰ ফলত মেৰাপানী আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ বহু পকীঘৰত ফাট মেলাৰ উপৰি বিশুদ্ধ খোৱাপানীৰ সমস্যাত ভুগিছে অঞ্চলবাসী। তেলৰ সন্ধানত ভূগৰ্ভত বিস্ফোৰণ ঘটোৱাৰ লগে লগেই স্থানীয় অঞ্চলসমূহৰ দমকল আৰু পানী যোগান আঁচনিসমূহৰ পানী খোৱাৰ অনুপযোগী হৈ পৰিছে। উল্লেখ্য যে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহে ক্ষতিপূৰণ বিচাৰি কৰ্তৃপক্ষক আবেদন জনালেই ঠিকাদাৰ পক্ষৰ ভেৰেণীয়া গুণ্ডা প্ৰকৃতিৰ কিছু লোকে ক্ষতিগ্ৰস্তক ভয়-ভাবুকিৰে বিষয়টো নিষ্পত্তিৰ চেষ্টা চলোৱা কাৰ্য এতিয়া সুলভ হৈ পৰিছে। আজি মেৰাপানীৰ কাষৰীয়া নলনী পথাৰ গাঁৱত তৈল সন্ধানকাৰী কোম্পানীটোৰ এনে স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে সৰৱ হৈ পৰে গাঁওখনৰ পুৰুষ-মহিলাসকল। ৰাইজৰ আপত্তিলৈ কাণসাৰ নিদি কোম্পানীটোৰ কৰ্মচাৰীসকলে গাঁওখনৰ খোৱাপানীৰ একমাত্ৰ উৎস নলনী পথাৰ পানী যোগান প্ৰকল্পটোৰ কাষতে ভূগৰ্ভত বিস্ফোৰণ ঘটাবলৈ চেষ্টা কৰাত ক্ষুব্ধ হৈ পৰে গাঁওখনৰ ৰাইজ। গাঁওবাসীৰ প্ৰতিবাদৰ ফলত আজি বহু সময় ধৰি কাম বন্ধ হৈ পৰে তেল সন্ধানকাৰী কোম্পানীটোৰ। ইফালে, অঞ্চলটোৰ বহু স্থানত বিস্ফোৰণ ঘটোৱাৰ ফলত হোৱা প্ৰকাণ্ড গাঁতসমূহ উন্মুক্ত অৱস্থাত এৰি যোৱাৰ ফলত যিকোনো মুহূৰ্ততে ভয়ংকৰ দুৰ্ঘটনা হোৱাৰ আশংকা কৰিছে অঞ্চলবাসীয়ে। অঞ্চলটোৰ ৰাইজে কোম্পানীটোৰ এনে মইমতালি অতি শীঘ্ৰে বন্ধ কৰাৰ দাবী জনোৱাৰ লগতে গোলাঘাট জিলা প্ৰশাসনক গুৰুত্বপূৰ্ণ বিষয়টোত দৃষ্টি দিবলৈ আহ্বান জনাইছে।


*বড়ো চুক্তিৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত আপীল কৰাসকলৰ প্ৰতিমূৰ্তি দাহ এবছুৰ, গৰুভাষাত মংগলবাৰে।*

# বাগৰদিয়াত বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰঙালী বিহুৰ প্ৰস্তুতি

■ বিভিন্ন সম্প্ৰদায়ৰ লোকৰে উদ্‌যাপন সমিতি গঠন

**বিশেষ সংবাদদাতা**
**নগাবাট, ২২ মাৰ্চ ঃ** বিভিন্ন জাতি-জনগোষ্ঠীয় লোকৰ একক প্ৰচেষ্টাৰে এইবাৰ ৰঙালী বিহুক আদৰাৰ ব্যাপক প্ৰস্তুতি চলাইছে তিতাবৰ মহকুমাৰ বাগৰদিয়াত। সেয়ে বাগৰদিয়া চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ত অলপতে বহুসংখ্যক সচেতন ব্যক্তিৰ উপস্থিতিত বিহু সম্পৰ্কীয় এখন সভা অনুষ্ঠিত হয়। মইনুদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাত সৰ্বসন্মতি ক্ৰমে মইনুদ্দিন আহমেদক সভাপতি, ইন্দ্ৰেশ্বৰ কুৰ্মীক কাৰ্যকৰী সভাপতি, কৃষ্ণ কছাৰী, অনিতা কছাৰী, মুকিবুৰ ৰহমানক উপ-সভাপতি, ভাস্কৰজ্যোতি শইকীয়া ঠেংগাল আৰু দাদু কছাৰীক যুটীয়া সম্পাদক, সন্ধ্যা মাইঅ', ৰাহিদুৰ ৰহমান, তিলেশ্বৰ কুৰ্মী, দীপক কোঁৱৰক সহকাৰী সম্পাদক, মন্টু কছাৰীক সাংস্কৃতিক বিভাগৰ সভাপতি, প্ৰহ্লাদ শইকীয়া, শান্তনু শইকীয়াক সম্পাদকৰূপে লৈ 'টিপমীয়া বাগৰদিয়া সমন্বয় বিহু উদ্‌যাপন সমিতি' নামেৰে এখন সমিতি গঠন কৰে। সভাই ২৩ এপ্ৰিলত বাগৰদিয়া চাহ জনগোষ্ঠী সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ মঞ্চত ৰঙালী বিহুটো উদ্‌যাপনৰ সিদ্ধান্ত লয়। বিহুত সম্পূৰ্ণৰূপে সহযোগিতা আগবঢ়াব সামাজিক-সাংস্কৃতিক অনুষ্ঠান শিৰীষ আৰু মাধপুৰ এইটফৰ্ড জুনিয়ৰ কলেজে। বিহুনাচৰ বিভিন্ন প্ৰতিযোগিতাৰ লগতে দিনত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন, ৰচনা প্ৰতিযোগিতা, বিভিন্ন জনগোষ্ঠীয় নৃত্য, সম্বৰ্ধনা অনুষ্ঠান আদি আয়োজনৰ যো-জা চলাইছে। সন্ধিয়ালৈ থাকিব কে'বাগৰাকী জনপ্ৰিয় শিল্পীৰ গীতৰ অনুষ্ঠান। অনুষ্ঠান সাফল্যমণ্ডিত কৰি তুলিবলৈ সকলো ৰাইজৰ সহযোগিতা কামনা কৰিছে উদ্যোক্তাসকলে। প্ৰতিযোগিতাৰ বাবে ৯৭০৭৪২৯২৪৭,৮৮২২১৯৩১৪৩ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# নলবাৰীত বিশ্ব কাব্য দিৱস



**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২২ মাৰ্চ ঃ** 'ৰামায়ণ, মহাভাৰতৰ নিচিনা মহাকাব্যসমূহে মানুহক যুদ্ধ কৰিবলৈহে শিকাইছে। যি সভ্য সমাজৰ পৰিপন্থী। ভক্তিত গদগদ হৈ মন্দিৰ, নামঘৰ বা তুলসীৰ গুৰিত বহি আমি এই যুদ্ধৰ কথাবোৰ শুনো। যিয়ে আমাক কেৱল যুদ্ধৰ প্ৰতিহে আকৰ্ষিত কৰে।' এই মন্তব্য কবি অজিত মহন্তৰ। কালি নলবাৰী-কাজিপাৰাৰ বৰ্ণালী ডেন্স একাডেমীত পাগ্লাপেইৰা গুষ্ঠীৰ উদ্যোগত 'বিশ্ব কাব্য দিৱস'ৰ লগত সংগতি ৰাখি আয়োজিত কবি মিলন আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়াই কবি মহন্তই এনেদৰে কয়। পাগ্লাপেইৰা গুষ্ঠীৰ সম্পাদক ড° বিনয় কুমাৰ মজুমদাৰে আঁতধৰা অনুষ্ঠান সঞ্চালনা কৰে কবি নিতুল কুমাৰ দত্তই। অনুষ্ঠান উদ্বোধন কৰি কবি-ঔপন্যাসিক হীৰেন্দ্ৰ কুমাৰ শৰ্মাই কয় যে আমাৰ সকলোৰে অন্তৰত অহৰ্নিশে এখন যুদ্ধ চলি থাকে। আমাৰ ইচ্ছা শক্তিৰ বলত এই যুদ্ধত আমি জয়লাভ কৰে। অনুষ্ঠানত কবি-অনুবাদক মানসজ্যোতি শৰ্মাৰ অনুবাদ কবিতা পুথি 'যুদ্ধ কাব্য' উন্মোচন কৰে নালন্দা পাব্লিক স্কুলৰ অধ্যক্ষ, কবি জিতেন্দ্ৰ কুমাৰ জৈনে। অনুষ্ঠানত বিশিষ্ট কবি পংকজ গোবিন্দ মেধিয়ে যুদ্ধৰ সপক্ষে মত ব্যক্ত কৰি কয় যে আজিৰ আধুনিক বিজ্ঞান-প্ৰযুক্তিৰ প্ৰেক্ষাপটত যুদ্ধ এৰাই চলাটো সহজ নহয়। যুদ্ধ অতীততো আছিল। বৰ্তমানেও আছে আৰু ভৱিষ্যতেও থাকিব। অনুষ্ঠানত উপস্থিত থকা প্ৰায়সকলো কবিয়ে যুদ্ধৰ বিৰুদ্ধে গৰজি উঠে। অনুষ্ঠানত কবি শংকৰ শৰ্মা, ৰাজেশ কাকতি আদিয়ে বক্তব্য আগবঢ়ায়। কবি শান্তনু শৰ্মা, ড° বিনয় কুমাৰ মজুমদাৰ, আবেদুৰ ৰহমান, হীৰেন্দ্ৰ কুমাৰ শৰ্মা, বনশ্ৰী চৌধুৰী, বিপুল শৰ্মা, অজিত মহন্ত, ডাঃ প্ৰণৱ কুমাৰ চক্ৰৱৰ্তী, জয়চন্দ্ৰ শৰ্মা, মানসজ্যোতি শৰ্মা, কিশোৰ শৰ্মা আদিকে ধৰি ২০ গৰাকী কবিয়ে কবিতা পাঠ কৰে।

# পলাশবাৰী-শুৱালকুছি সংযোগী দলং নিৰ্মাণৰ সিদ্ধান্তক আদৰণি বিজেপিৰ

**অগ্ৰদূত বাৰ্তা**
**পলাশবাৰী, ২২ মাৰ্চ ঃ** পৰম্পৰাগত চিকিৎসাৰ বিকাশ সাধনৰ মহৎ উদ্দেশ্য আগত ৰাখি সদ্য বিধানসভাৰ বাজেট অধিবেশনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচেষ্টাত বিত্তমন্ত্ৰী অজন্তা নেওগে পলাশবাৰীত এখন আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয় স্থাপনৰ কথা ঘোষণা কৰাৰ পাছতে পলাশবাৰী সমষ্টিৰ লগতে দক্ষিণ কামৰূপৰ ৰাইজ উৎফুল্লিত হৈ পৰিছে। লগতে উত্তৰপাৰ-দক্ষিণপাৰ যোগাযোগত যুগান্তৰকাৰী পৰিৱৰ্তনৰ লক্ষ্যৰে পলাশবাৰী-শুৱালকুছি সংযোগী দলং নিৰ্মাণৰ সিদ্ধান্তক মুখ্যমন্ত্ৰী, বিত্তমন্ত্ৰীক আদৰণি তথা শুভেচ্ছা জ্ঞাপন কৰিছে দক্ষিণ কামৰূপ জিলা বিজেপিৰ নেতা-কৰ্মীৰ লগতে পলাশবাৰী ৰাইজে। এই উপলক্ষে আজি দক্ষিণ কামৰূপ জিলা বিজেপিৰ বাটৰহাটস্থিত কাৰ্যালয়ত বিজেপিৰ নেতা- কৰ্মীসকলে ফটকা ফুটাই আনন্দ উল্লাস কৰি বিজেপি জিন্দাবাদ, নৰেন্দ্ৰ মোদী জিন্দাবাদ, ড° হিমন্ত বিশ্ব শৰ্মা জিন্দাবাদ কালি ধ্বনি দি অঞ্চলটো মুখৰিত কৰি তোলে। উক্ত সন্দৰ্ভত দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি ধনেশ্বৰ তালুকদাৰে ৰাজ্যৰ বিধানসভা বাজেট অধিবেশন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ প্ৰচেষ্টাত বিত্তমন্ত্ৰী অজন্তা নেওগে পলাশবাৰীত এখন নতুনকৈ আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কথা ঘোষণা কৰাৰ বাবে ধন্যবাদ তথা শুভেচ্ছা জ্ঞাপন কৰে। লগতে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত শুৱালকুছি আৰু পলাশবাৰীৰ মাজত প্ৰায় তিনি হেজাৰ কোটি টকা ব্যয়ৰে এখন তিনিলেনযুক্ত দলং নিৰ্মাণ হ'ব বুলি ইতিমধ্যে ঘোষণা কৰিছে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° শৰ্মাই।

উক্ত দলংখন সম্পূৰ্ণ হৈ উঠিলে যাতায়াতৰ ক্ষেত্ৰত নতুন মাত্ৰা দিয়াৰ লক্ষ্যৰে সেই দলঙৰ স'তে সংযোগ কৰাৰ বাবে উত্তৰপাৰৰ শুৱালকুছি আৰু দক্ষিণপাৰৰ পলাশবাৰী অঞ্চলত কে'বাটাও নতুনকৈ পথ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। দলঙৰ লগতে পথছোৱা নিৰ্মাণ হ'লে যাতায়াতৰ ক্ষেত্ৰখনত যুগান্তকাৰী পৰিৱৰ্তন অহাৰ লগতে বিকল্প জীৱিকা নিৰ্বাহৰ পথ সৃষ্টি হোৱাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি বৃহত্তৰ অঞ্চলটোৰ উপকাৰ সাধন হ'ব। বিশেষকৈ পলাশবাৰী ব্ৰহ্মপুত্ৰৰ দাঁতিৰ মথাউৰিৰ পৰা পলাশবাৰী, মিৰ্জা, বৰিহাট, লোহাৰঘাট, বৰদুৱাৰ, বাগান হৈ মুদুকীলৈ প্ৰায় ২৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ দুলেনযুক্ত তীব্ৰ গতিত এটি পথ নিৰ্মাণৰ কাম চলি আছে। উক্ত পথছোৱাৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হ'লে দক্ষিণ কামৰূপৰ পথ যাতায়াতৰ ক্ষেত্ৰখনত এক নতুন যুগৰ সংযোজন হোৱাটো নিশ্চিত বুলি জিলা সভাপতি ধনেশ্বৰ তালুকদাৰে জানিবলৈ দিয়ে। উক্ত কাৰ্যসূচীত ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ নেতা- কৰ্মীসকল উপস্থিত থাকে। তাৎপৰ্যপূৰ্ণভাৱে ৰাইজে কোনো ধৰণৰ দাবী নকৰাকৈ দলং আৰু এটি চাৰিলেনযুক্ত পথ নিৰ্মাণৰ সিদ্ধান্তক ৰাইজে মুখ্যমন্ত্ৰীৰ নেতৃত্বত অসম চৰকাৰৰ এক মহান উপহাৰ বুলিয়ে গণ্য কৰা বুলি সচেতন লোকসকলে সদৰী কৰিছে।

# স্বাধীনতা দিৱসৰ ৭৫ বছৰ ঃ ডিগবৈত ৫০ ব্যক্তিক সম্বৰ্ধনা

**ডিগবৈ, ২২ মাৰ্চ ঃ** দেশৰ স্বাধীনতাৰ ৭৫বছৰৰ উপলক্ষে ডিগবৈ বিধানসভা সমষ্টিৰ মুঠ ৫০ গৰাকী বিশিষ্ট ব্যক্তিক কালি সম্বৰ্ধনা জনোৱা হয়। ডিগবৈ বিধায়ক সুৰেন ফুকনৰ বাসগৃহৰ চৌহদত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী মুখ্য অতিথিৰূপে উপস্থিত থাকে। অনুষ্ঠানত মন্ত্ৰীজনৰ লগতে বিধায়ক সুৰেন ফুকনে সম্বৰ্ধিত ব্যক্তি সকলক ফুলাম গামোচা, সম্বৰ্ধনাপত্ৰ আৰু ১০ হেজাৰ টকাকৈ চেক প্ৰদান কৰে।

# পদপথৰ জন্তুৰ বাবে আশ্ৰয় স্থাপন কল্পজ্যোতি ফাউণ্ডেছনৰ

**অগ্ৰদূত বাৰ্তা**
**দোতমা, ২২ মাৰ্চ ঃ** ধুবুৰীৰ কল্পজ্যোতি ফাউণ্ডেছনে পথৰ জন্তুবোৰৰ বাবে আশ্ৰয় গৃহ স্থাপন কৰিছে। যিসকলে গৰম, ঠাণ্ডা আৰু বৰষুণৰল পৰা নিজকে বচাবলৈ ঘৰ পোৱাৰ সৌভাগ্য নহয়। ধুবুৰীৰ বিভিন্ন স্থানত পদপথৰ কুকুৰবোৰৰ বাবে আশ্ৰয় গৃহ স্থাপন কৰি দিছে কল্পজ্যোতি ফাউণ্ডেছনে।

উক্ত আশ্ৰয় গৃহসমূহৰ আজি উদ্বোধন কৰে সাংবাদিক প্ৰণৱশীষ ৰয়ে। অনুষ্ঠানত কল্পজ্যোতি ফাউণ্ডেছনৰ প্ৰতিষ্ঠাপক সভাপতি সায়ন সাহা, কাৰ্যবাহী সদস্য তাপতি সাহা আৰু অইন অইন কৰ্মকৰ্তাসকল উপস্থিত থাকে। কল্পজ্যোতি ফাউণ্ডেছনৰ প্ৰতিষ্ঠাপক সভাপতি সায়ন সাহাই কয় যে এই আশ্ৰয় গৃহবোৰে দ্ৰুতগতিত গাড়ী চলোৱাৰ বলি হোৱা আঘাতপ্ৰাপ্ত জন্তুবোৰক ৰখা আৰু তেওঁলোকৰ চিকিৎসা অব্যাহত ৰখাৰ উদ্দেশ্য পূৰণ কৰিব। পশু চিকিৎসালয়ৰ পৰিস্থিতি একেবাৰে ভাল নহয় আৰু সঠিক চিকিৎসাৰ অনুপস্থিতিৰ বাবে বহুতো জন্তুৰ মৃত্যু হয় বুলিও সদৰী কৰে সাহাই। সাহাই আৰু কয় যে কল্পজ্যোতি ফাউণ্ডেছনৰ অধীনত কাম কৰি থকা পশু উদ্ধাৰ বিভাগে আশ্ৰয় গৃহসমূহৰ নিয়মীয়া তত্ত্বাৱধান আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ যত্ন ল'ব। কল্পজ্যোতি ফাউণ্ডেছনৰ এই পদক্ষেপক পশুপ্ৰেমী আৰু ধুবুৰীৰ নাগৰিকসকলে প্ৰশংসা কৰিছে।

# নলবাৰীৰ বড়িগাঁৱত দ্বীনি জলছাহৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২২ মাৰ্চ ঃ** বিশ্বশান্তিৰ বাবে প্ৰাৰ্থনা কৰাৰ উদ্দেশ্যে নলবাৰীৰ বড়িগাঁও বড় মছজিদৰ সৌজন্যত অহা ২৭ মাৰ্চত এদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় বাৰ্ষিক দ্বীনি জলছাহৰ আয়োজন কৰিছে। কাৰ্যসূচীৰ আৰম্ভণিতে পুৱা কোৰান পাঠ কৰি স্থায়ী ইমাম মৌলনা ইছলামুদ্দিনে। বৃক্ষৰোপণ কৰিব ক্ৰমে সমাজকৰ্মী হকনুৰ আলী, জালাল আলী, খলিল আলী, ৰস্তুম আলী, নিজাম আলী, আজগৰ আলী, ইছমাইল হুছেইন, ফৰমুদ আলী আৰু গইনুৰ আলীয়ে। পৰৱৰ্তী সময়ত সমূহীয়া চাফাই অভিযান চলোৱা হ'ব বুলি মছজিদ পৰিচালনা সমিতিৰ সভাপতি ৰহিম আলী আৰু সম্পাদক লুটফুৰ শ্বাহ আলমে জানিব দিছে। কোৰান খতম অনুষ্ঠানত অংশগ্ৰহণ কৰিব ইমাম ক্ৰমে মৌলনা আইনাল হক, শ্বেখ আব্দুল মতিন, হাফিজ তবিবৰ ৰহমান, হাফিজ চাইদুল হুছেইন, জেহেৰুল ইছলাম, হাফিজ চাব্বিৰ হুছেইন আৰু ৰমিজ আলী, জাহিদুল ইছলাম, আচিক ইকবাল, আব্দুল খালেক, ৰফিকুল ইছলামে। বিয়লি পবিত্ৰ দ্বীনি জলছাহত সভাপতিত্ব কৰিব শ্বেখ আশ্ৰাফুল হুছেইনে। এই জলছাহতে সন্মানীয় হাজী, ইমাম আৰু জ্যেষ্ঠ নাগৰিকসকলক সম্বৰ্ধনা জনোৱা হ'ব বুলি জলছাহ উদ্‌যাপন সমিতিৰ সভাপতি গইনুৰ আলী আৰু সম্পাদক হাফিজুৰ ৰহমান, আলিক হুছেইনে জনাইছে। মুখ্য অতিথিৰূপে উপস্থিত থাকিব বি আৰ মেধি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ হামিদ আলী, সমাজকৰ্মী ক্ৰমে মহিৰ উদ্দিন আহমেদ, লিয়াকৎ হুছেইন, জইনুৰ আহমেদ, বনভাগ কলেজৰ প্ৰবক্তা খাইৰুল হুছেইন আৰু পূব কালাকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বইতুল্ল আলী। নিমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকিব সাংবাদিক শ্বাহ আলম আহেমেদ আৰু তফিক উদ্দিন আহমেদ। নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকিব আলহাজ শ্বেখ মৌলনা জিয়াউৰ ৰহমান, হাফিজ মৌলনা নুৰ আলম শইকীয়া আৰু আলহাজ কাৰী শ্বেখ আব্দুল্লা। অনুষ্ঠানৰ সকলো কাৰ্যসূচীতে সমূহ ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি আৰু সহযোগিতা উদ্‌যাপন সমিতিয়ে শ্ৰদ্ধাৰ কামনা কৰিছে।

# বাঘমাৰাচৰত শিক্ষকৰ অকাল মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**
**আলোপতি, ২২ মাৰ্চ ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ বাঘমাৰাচৰত এজন যুৱ শিক্ষকৰ আকস্মিক মৃত্যুত শোকস্তব্ধ হৈ পৰিছে অঞ্চলবাসী। এক নম্বৰ বাঘমাৰাচৰ গাঁৱৰ আমিৰ উদ্দিনৰ পুত্ৰ ছফিৰ উদ্দিন আহমেদ (৩২) আজি পুৱা হঠাৎ অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে ততাতয়াকৈ তেওঁক গোৱালপাৰাৰ 'লাইফ কেয়াৰ' নামৰ নাৰ্ছিং হোম এখনত ভৰ্তি কৰায়। অতি সংকটজনক অৱস্থাত ভৰ্তি কৰোৱা আহমেদক চিকিৎসকে মৃত বুলি ঘোষণা কৰে। উচ্চ ৰক্তচাপজনিত কাৰণত মৃত্যু হোৱাৰ কথা ব্যক্ত কৰিছে স্থানীয় লোকে। আহমেদ প্ৰায় দুবছৰ ধৰি শিলচৰৰ চতলা জনিয়া এম ই মাদ্ৰাছা স্কুলৰ শিক্ষকৰূপে কৰ্মৰত আছিল। যুৱ শিক্ষকজনৰ আকস্মিক মৃত্যুৱে শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে অঞ্চলটোত। পিতৃ-মাতৃৰ লগতে পত্নীক এৰি থৈ অকাল মৃত্যুক আঁকোৱালি লোৱা আহমেদৰ মৃতদেহ ঘৰ আহি পোৱাৰ পাছত সহস্ৰাধিক লোকৰ উপস্থিতিত জানাজা সম্পন্ন কৰা হয়।

# মোৰাঝাৰ বৰবালিত বন বিভাগৰ অপাৰেছন অলক্লিয়াৰ



■ কাঠফলা মিল উৎখাত, লক্ষাধিক টকা মূল্যৰ গছৰ কুণ্ডা জব্দ

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ/হোজাই, ২২ মাৰ্চ ঃ** হোজাই আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ বন সুৰক্ষা বাহিনীৰ এটি দলে যোৱা ২০ মাৰ্চৰ নিশা মোৰাঝাৰৰ বৰবালিত আৰম্ভ কৰা অভিযান কালি সন্ধিয়া সামৰণি পৰে। শিৱপুৰৰ পৰা পৰহি চোৰাং গছৰ কুণ্ডাসহ অবৈধ কাঠৰ কল জব্দ কৰাৰ পাছতে পুনৰ কালি হোজাই জিলাৰ মোৰাঝাৰ থানাৰ অন্তৰ্গত অকচেক বৰবালি গাঁৱত বন সুৰক্ষা বাহিনীয়ে অভিযান চলায়। এই অভিযানত এটা অবৈধ কাঠফলা কল উৎখাত কৰাৰ লগতে চেগুন, কৰৈ আদি কৰি বিভিন্ন ধৰণৰ প্ৰায় দুই লাখ টকাৰ মূল্যবান গছৰ কুণ্ডা জব্দ কৰি ট্ৰাকত ভৰ্তি কৰি হোজাই বন সুৰক্ষা বাহিনীৰ কাৰ্যালয়লৈ লৈ যায়।

ইপিনে, একে গাঁৱৰ আন এটি ঘৰৰ তামোল বাৰীত দ খাৱৈত শিহাৰু, চেগুন আদি কাঠ উদ্ধাৰ হয়। এই সংক্ৰান্তত হোজাই বন বিভাগে চক্ৰটোৰ বিৰুদ্ধে চলোৱা অভিযান কালত চোৰাং কাৰবাৰত জড়িত লোকসকলৰ লগতে কল স্থাপন কৰা বাৰীৰ মহিলাসকলেও ঘৰ এৰি পলায়ন কৰা পৰিলক্ষিত হয়। অভিযানৰ সময়ত ঘৰৰ দৰ্জাত তলা ওলমি আছিল। উল্লেখ্য যে কালি বন বিভাগে চলোৱা বৃহৎ অভিযানত গাঁৱত এক আতংকৰ সৃষ্টি হয়। য'ত মুষ্টিমেয় কেইজনমান লোকৰ বাবে গাঁৱৰ পৰিৱেশ বিনষ্ট হোৱা বুলি সচেতন মহলে উদ্বিগ্নতা প্ৰকাশ কৰাৰ লগতে চোৰাং ব্যৱসায়ীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনায়।



*বৰবাম বাগিছাত আটছাৰ প্ৰতিবাদী কাৰ্যসূচী, মঙলবাৰে।*

# আমগুৰি বৰবাম চাহ বাগিচাত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**
**আমগুৰি, ২২ মাৰ্চ ঃ** আমগুৰি বৰবাম চাহ বাগিচাত আজি আটছাই বৰবাম প্ৰাথমিক গোটে ফেক্টৰী ঘেৰাও কাৰ্যসূচী গ্ৰহণ কৰে। বৰবাম চাহ বাগিচাৰ ফেক্টৰী ঘেৰাও কৰি আটছা বৰবাম প্ৰাথমিক গোটে বিভিন্ন ধ্বনি দি প্ৰতিবাদ পালন কৰে। ঘেৰাও কাৰ্যসূচীৰ জৰিয়তে বাগিচাত ব্ৰিটিছ পলিচি বন্ধ কৰা, বাগিচাৰ প্ৰতিটো পৰিয়ালত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰা, পৰ্যাপ্ত স্কুল বাছৰ ব্যৱস্থা কৰা, শ্ৰমিকসকলৰ গ্ৰেচ্যুইটি, পি এফ আৰু সুদ দিয়াৰ ব্যৱস্থা কৰা, শ্ৰমিকসকলৰ ঘৰ আৰু লেট্ৰিন মেৰামতি'ৰ দাবী জনায়। গুডৰিক কোম্পানীয়ে দীৰ্ঘদিন ধৰি কৰি অহা শোষণৰ বিৰুদ্ধে আজি এই চাৰি ঘন্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে আটছাই।

# জিনজিয়া থানাত অৰুণাচলী সুৰা জব্দ

## উত্তৰ সংমণ্ডলৰ আৰক্ষী উপ-মহাপৰিদৰ্শক

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ২২ মাৰ্চ ঃ** বিশ্বনাথৰ জিনজিয়া আৰক্ষী থানাত কালি উপস্থিত হয় অসম আৰক্ষীৰ উত্তৰ সংমণ্ডলৰ উপ-মহাপৰিদৰ্শক প্ৰশান্ত কুমাৰ ভূঞা। ক্ৰমান্বয়ে ৰাজ্যত বিভিন্ন অসামাজিক কাৰ্যকলাপৰ স'তে জড়িত লোকক নাকী লগোৱাৰ লগতে বিভিন্ন অপৰাধমূলক কাম-কাজ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কঠোৰ হৈছে অসম আৰক্ষী। সেয়েহে এতিয়া সমান্তৰালকৈ দেখিবলৈ পোৱা গৈছে আৰক্ষী উচ্চপদস্থ বিষয়াও পৰিদৰ্শন কৰিব লৈছে আৰক্ষী থানাসমূহ। তাৰ সমান্তৰালকৈ অসম আৰক্ষীৰ উত্তৰ সংমণ্ডলৰ উপ-মহাপৰিদৰ্শক ভূঞাই পৰিদৰ্শন কৰে বিশ্বনাথৰ জিনজিয়া আৰক্ষী থানা। আৰক্ষী বিষয়াজনে পৰিদৰ্শন কৰে জিনজিয়া আৰক্ষীয়ে বিগত সময়ত অভিযান চলাই জব্দ কৰা আৰু শেহতীয়াকৈ জব্দ কৰা বৃহৎ পৰিমাণৰ অবৈধ অৰুণাচলী সুৰা। এই সন্দৰ্ভত তেওঁ সাংবাদিকৰ আগত প্ৰকাশ কৰে যে অসম আৰক্ষী অথবা বিশ্বনাথ জিলাৰ অন্তৰ্গত প্ৰতিখন আৰক্ষী থানাই এই অবৈধ অৰুণাচলী সুৰাৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখব। লগতে এই অবৈধ অৰুণাচলী সুৰা ক্ষেত্ৰত বিশেষকৈ আবকাৰী বিভাগৰ মূল দায়িত্ব আছে। গতিকে আবকাৰী বিভাগেও এই অবৈধ সুৰাৰ বিৰুদ্ধে আৰক্ষীয়ে চলোৱা অভিযানত সহযোগিতা আগবঢ়াব লাগে বুলি তাৎপৰ্য পূৰ্ণ মন্তব্য প্ৰদান কৰে।

# নাথকুছিত ১১১ সংখ্যক শ্ৰীশ্ৰীবাসন্তী পূজা

■ ১১ এপ্ৰিলত সদৌ অসম ভিত্তিত ভেশচন প্ৰতিযোগিতাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**টিহু, ২২ মাৰ্চ ঃ** নামনি অসমৰ অন্যতম প্ৰাচীন আৰু ঐতিহ্যপূৰ্ণ ১১১ সংখ্যক নমাটি বাৰোৱাৰী শ্ৰীশ্ৰী বাসন্তী পূজাখন টিহুৰ নাথকুছিত বাসন্তী পূজা খলাত অহা সাত এপ্ৰিলৰ পৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ আয়োজন কৰা হৈছে। ইতিমধ্যে ১১১ সংখ্যক নমাটি বাৰোৱাৰী শ্ৰীশ্ৰীবাসন্তী পূজা পৰিচালনা সমিতিখনৰ লগতে খেল উপ-সমিতি, সাংস্কৃতিক উপ-সমিতি, সাহিত্য উপসমিতি, অভ্যৰ্থনা উপ-সমিতি আদি চাৰিখন উপ-সমিতি গঠন কৰা হয়। কাৰ্যক্ৰমণিকা অনুসৰি সাত এপ্ৰিল বৃহস্পতিবাৰে পুৱা নাথকুছিৰ বাসন্তী পূজা খলা আৰু নাথকুছি চ'ক বজাৰত সামূহিক চাফাই অভিযান সম্পন্ন কৰাৰ পাছত কনক চন্দ্ৰ বৰ্মন সোঁৱৰণী বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইয়াৰ পাছত পাঁচ গৰাকী বিশিষ্ট ব্যক্তিয়ে গছপুলি ৰোপণ কৰিব। সন্ধিয়া পাঁচ বজাৰ পৰা শ্ৰীশ্ৰীবাসন্তী দেৱীৰ ষষ্ঠাদি কল্পাৰম্ভ, অধিবাস আৰু বিহিত পূজা-অৰ্চনা আৰম্ভ কৰাৰ লগতে ওজাপালিৰ দ্বাৰা দেৱী বন্দনা পৰিৱেশন কৰা হব। আঠ এপ্ৰিল শুকুৰবাৰে পুৱাৰ পৰা শ্ৰীশ্ৰীবসন্তী দেৱীৰ নৱপত্ৰিকা স্থাপন, সপ্তম্যাদি কল্পাৰম্ভ, সপ্তমী বিহিত পূজা আৰম্ভ আৰু ওজাপালিৰ দ্বাৰা দেৱী বন্দনা ৰূপায়ণ কৰা হ'ব। বিয়লি চাৰি বজাত কামৰূপীয়া বৰঢুলীয়া দলৰ ভাওনা প্ৰদৰ্শন আৰু ছয় বজাত কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৰামচৰণ দাস সোঁৱৰণী দুই হেজাৰ এক টকা, দ্বিতীয় পুৰস্কাৰ ৰত্নেশ্বৰ বৰ্মন সোঁৱৰণী এক হাজাৰ পাঁচশ এক টকা আৰু তৃতীয় পুৰস্কাৰ ডিপোৰু ৰাম দাস সোঁৱৰণী এহেজাৰ এক টকা। নিশা 'লাইফ ইন এ পাপেট' শীৰ্ষক বোলছবি প্ৰদৰ্শন কৰা হ'ব। ন এপ্ৰিল শনিবাৰে পুৱা শ্ৰীশ্ৰীবাসন্তী দেৱীৰ মহাষ্টম্যাদি কল্পাৰম্ভ, মহাষ্টমী বিহিত পূজা আৰম্ভ আৰু ওজাপালিৰ দেৱী বন্দনা কৰা হ'ব। ৯-৩০ বজাত আয়তীৰ নাম প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ তিনি হেজাৰ এক টকা, দ্বিতীয় পুৰস্কাৰ ২০০১ টকা আৰু তৃতীয় পুৰস্কাৰ এহেজাৰ পাঁচশ এক টকা প্ৰদান কৰা হ'ব। তদুপৰি ওজাপালি পৰিৱেশন, ঢুলীয়া প্ৰদৰ্শন কৰা হ'ব। সন্ধিয়া বিশিষ্ট চিত্ৰশিল্পী অবিনাশ মজুমদাৰে উদ্বোধন কৰিবলগীয়া সাংস্কৃতিক অনুষ্ঠানত কণ্ঠশিল্পী ৰূপা কাশ্যপ , মনোজ মতিন আৰু জোনালী স্বৰ্গীয়াৰীয়ে গীত পৰিৱেশন কৰিব। ১০ এপ্ৰিল দেওবাৰে পুৱা শ্ৰীশ্ৰীবাসন্তী দেৱীৰ মহানৱমী কল্পাৰম্ভ, মহানৱমী বিহিত পূজা আৰম্ভ আৰু ওজাপালিৰ দেৱী বন্দনা , দুপৰীয়া হোমৰ পূৰ্ণাহুতি প্ৰদান কৰা হ'ব। বিয়লি অনুষ্ঠিতব্য চিত্ৰাংকন প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ বঁটা আৰু নগদ এহেজাৰ এক টকা, দ্বিতীয় পুৰস্কাৰ শ্যামচৰণ দাস সোঁৱৰণী বঁটা আৰু নগদ সাতশ এক টকা, তৃতীয় পুৰস্কাৰ পূৰ্ণিমা পাঠক সোঁৱৰণী বঁটা আৰু নগদ ছয়শ এক টকা প্ৰদান কৰা হ'ব। বিয়লি ঢুলীয়া প্ৰদৰ্শনৰ পাছত সন্ধিয়া আধুনিক একক নৃত্য প্ৰতিযোগিতাৰ প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ ক শাখাত প্ৰথম পুৰস্কাৰ হৰকান্ত শৰ্মা সোঁৱৰণী ২০০১ টকা, দ্বিতীয় পুৰস্কাৰ প্ৰসন্ন দাস সোঁৱৰণী ১৭০১ টকা, তৃতীয় পুৰস্কাৰ বাসন্তী সিনহা সোঁৱৰণী ১৫০১ টকা আৰু নিচুকনি বঁটা গোলক চন্দ্ৰ হালৈ সোঁৱৰণী ১০০১ টকা প্ৰদান কৰা হ'ব। লগতে নৱম শ্ৰেণীৰ পৰা মুকলি থকা খ শাখাত প্ৰথম পুৰস্কাৰ বিত্তিৰাম পাঠক সোঁৱৰণী ২৫০১ টকা, দ্বিতীয় পুৰস্কাৰ পিংকি দাস সোঁৱৰণী ২০০১ টকা, তৃতীয় পুৰস্কাৰ সেহোৰাম দাস সোঁৱৰণী ১৭০১ টকা প্ৰদান কৰা হ'ব। ১১ এপ্ৰিল সোমবাৰে পুৱা শ্ৰীশ্ৰী বাসন্তী দেৱীৰ দশমী বিহিত পূজা-অৰ্চনা কৰা হ'ব, পুৱা ন বজাত সদৌ অসম ভিত্তিত আয়োজিত ভেশচন প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ নগদ ৬০০১ টকা, দ্বিতীয় পুৰস্কাৰ নগদ ৪০০১ টকা, তৃতীয় পুৰস্কাৰ মদন দাস-বৈকাণ্ঠী দাস সোঁৱৰণী ৩০০১ টকা আৰু চতুৰ্থ পুৰস্কাৰ নগদ ২০০১ টকা প্ৰদান কৰা হ'ব। বিয়লি পাঁচ বজাত প্ৰতিমা বিসৰ্জনৰ পাছত বঁটা বিতৰণী আৰু সম্বৰ্ধনা অনুষ্ঠান কৰা হ'ব। সন্ধিয়া মুনীন্দ্ৰ নাথ দেৱ শৰ্মা সোঁৱৰণী মুকলি প্ৰশ্ন মঞ্চ উদ্বোধন কৰিব ধমধমা লুইত একাডেমী জুনিয়ৰ কলেজৰ প্ৰৱক্তা গিৰীশ বৰ্মনে আৰু পৰিচালনা কৰিব দৈনিক অসমৰ উপ-সম্পাদক দীপাংকৰ কৌশিকে। নিশা নলবাৰী জিলা জনস্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ উমেশ ফাংচুয়ে উদ্বোধন কৰিবলগীয়া সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিব কণ্ঠশিল্পী টুটুৰাজ আৰু মানসী চহৰীয়াই। আনহাতে, বাসন্তী পূজাৰ লগত সংগতি ৰাখি আদৰ্শ ব্যক্তি ক্ৰমে শশীন দাস ঠেলাচালক, প্ৰফুল্ল বড়ো গাড়ীচালক, হৰ্ষজিৎ লহকৰ শিল্পী, শিৱেন বড়ো বাঁহীবাদক, হৰেন্দ্ৰ নাথ শৰ্মা কৃতী শিক্ষক, ৰামচৰণ শৰ্মা কৃতী শিক্ষক, পবীন কলিতা নাট্যশিল্পী বিশেষভাৱে সম্বৰ্ধনা জনোৱাৰ দিহা কৰা হৈছে।



# তিনিচুকীয়াত বাৰ্ষিক আশা অভিৱৰ্তন সম্পন্ন

## আশাকৰ্মীসকলৰ প্ৰশংসনীয় স্বাস্থ্যসেৱাৰ বাবে ধন্যবাদ জ্ঞাপন



**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২২ মাৰ্চ ঃ** তিনিচুকীয়াস্থিত মানৱ কল্যাণ ভৱনত আজি তিনিচুকীয়া জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে আশাকৰ্মীসকলৰ বাৰ্ষিক অভিৱৰ্তন অনুষ্ঠিত হয়। তিনিচুকীয়া জিলাৰ উপায়ুক্ত নৰসিং পৱাৰে বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰা আশা অভিৱৰ্তনখনত স্বাস্থ্য বিভাগৰ অতিৰিক্ত উপায়ুক্ত দিপু কুমাৰ ডেকা, জিলা স্বাস্থ্য বিভাগৰ ভাৰপ্ৰাপ্ত যুটীয়া সঞ্চালক ড° ৰমেন সোণোৱাল, তিনিচুকীয়া সদৰ মহকুমাধিপতি শুভ্ৰমাদিত্য বৰা, সহকাৰী আয়ুক্তদ্বয় অপৰূপা বৰগোহাঁই, নিলাক্ষী ভূঞা প্ৰমুখ্যে জিলাখনৰ পাঁচটা স্বাস্থ্য খণ্ডৰ আশাকৰ্মী আৰু আশা ছুপাৰভাইজৰসকল উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে উপায়ুক্ত নৰসিং পৱাৰ লগতে স্বাস্থ্য বিভাগৰ অতিৰিক্ত উপায়ুক্ত দিপু কুমাৰ ডেকা প্ৰমুখ্যে উপস্থিত সকলোৱে তিনিচুকীয়া জিলাত বিভিন্ন সময়ত কৰ্মৰত অৱস্থাত অকালতে মৃত্যুক সাবটি লোৱা আশাকৰ্মীসকলৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ লগতে পুষ্পাঞ্জলি অৰ্পণ কৰে। উপায়ুক্ত পৱাৰে অভিৱৰ্তনত উপস্থিত আশাকৰ্মী আৰু আশা ছুপাৰভাইজৰসকলক গ্ৰামাঞ্চলৰ ৰাইজলৈ আগবঢ়োৱা অনবদ্য স্বাস্থ্যসেৱা তথা ক'ভিড-১৯ মহামাৰীৰ সময়ছোৱাত আগবঢ়োৱা অক্লান্ত সেৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অতিৰিক্ত উপায়ুক্ত ডেকায়ে প্ৰতিগৰাকী আশাকৰ্মী আৰু আশা ছুপাৰভাইজৰসকলক জিলাখনত ক'ভিড-১৯ৰ প্ৰতিষেধক প্ৰদানৰ লগতে অন্যান্য প্ৰতিষেধক প্ৰদানৰ দায়িত্ব সুচাৰুৰূপে তথা নিয়াৰিকৈ চলাই নিয়াৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। এই অভিৱৰ্তনতে আশা কিৰণ আঁচনিৰ অধীনত দুগৰাকী হিতাধিকাৰী ক্ৰমে নিপু ৰাজগুৰু আৰু পাপু ৰাজগুৰুক চেক প্ৰদান কৰা হয়। ইয়াৰ উপৰি তিনিচুকীয়া জিলাৰ হাপজান স্বাস্থ্যখণ্ডৰ আশাকৰ্মী ক্ৰমে লচমী কুৰ্মী, উমেশ্বৰী পেগু, নমিতা গোহাঁই, কাকপথাৰ স্বাস্থ্য খণ্ডৰ আশাকৰ্মী ক্ৰমে চেলিনা তিৰ্কী, হিৰা গগৈ, সুধী চুতবংশী, কটেটং স্বাস্থ্য খণ্ডৰ আশাকৰ্মী ক্ৰমে সোণালী ফুকন, পূৰ্ণিমা বাগছী, শংকৰী চক্ৰৱৰ্তী, নশদিয়া স্বাস্থ্যখণ্ডৰ আশাকৰ্মী ক্ৰমে অনিমা গগৈ, বহাগী কুলী, সুৰভি গগৈ, তিনিচুকীয়া নগৰীয়া স্বাস্থ্য খণ্ডৰ আশাকৰ্মী ক্ৰমে সান্তা সোণোৱাল, জীনা সোণোৱাল আৰু পুতলা সোণোৱালক আজি সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

# খৰাং বতৰে নষ্ট কৰিছে আহু ধানৰ খেতি

## মধ্য যোৰহাটত শুকাই গৈছে উপনৈ

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ২২ মাৰ্চ ঃ** পূব যোৰহাট ৰাজহ চক্ৰৰ অন্তৰ্গত মধ্য যোৰহাটৰ হাতীগড়, চাওখাত, হোলোঙাপাৰ মৌজাত খৰাং বতৰে আহু ধানৰ খেতি নষ্ট কৰিছে। তিনিওটা মৌজাৰ মাজেদি বৈ যোৱা উপনৈসমূহ, জান-জুৰি, জলাশয়ৰ পানী শুকাই যোৱাৰ ফলত কৃষিভূমিৰ উৰ্বৰা শক্তি হ্ৰাস হৈ পৰিছে। চাওখাত, হোলোঙাপাৰ আৰু হাতীগড় মৌজাত কৃষিখণ্ডত জলসিঞ্চনৰ ব্যৱস্থা নথকাত কৃষক ৰাইজে



বছৰৰ পাছত বছৰ ধৰি সমস্যাৰ সন্মুখীন হৈ অহাৰ পাছতো কৃষি বিভাগ আৰু জলসিঞ্চন বিভাগে কোনো পদক্ষেপ গ্ৰহণ নকৰিলে। ফলত আহুধানৰ খেতি নষ্ট হোৱাৰ লগতে জলচৰ প্ৰাণীৰ জীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। ভূমি সংৰক্ষণ বিভাগ যোৰহাট সংমণ্ডলক পূব যোৰহাট ৰাজহ চক্ৰৰ অন্তৰ্গত মধ্য যোৰহাটৰ উপনৈসমূহ, জান-জুৰি আৰু জলাশয়ৰ পানী সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা দাবী জনাইছে কৃষক ৰাইজে। ইপিনে, নৈ, জান-জুৰি, জলাশয়ৰ পানী শুকাই যোৱাৰ ফলত কৃষিভূমি উৎপাদন হ্ৰাস কৰি অৰ্থনীতিৰ বিস্তৰ ক্ষতিসাধন হৈছে। ৰাজ্য চৰকাৰ আৰু জিলা প্ৰশাসনে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ নকৰিলে ভৱিষ্যতে ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হ'ব বুলি কৃষক ৰাইজে ক্ষোভৰ প্ৰকাশ কৰিছে।

# টেঙাখাটত অসম কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ কৃষি বিষয়ক সজাগতা সভা

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২২ মাৰ্চ ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ অষ্টম ষাণ্মাসিকৰ শিক্ষাৰ্থীসকলে গ্ৰাম্য কৃষিকৰ্ম অভিজ্ঞতা আঁচনিৰ অধীনত ডিব্ৰুগড় কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° দিগন্ত শৰ্মাৰ নেতৃত্বত তথা ড° হেমচন্দ্ৰ শইকীয়াৰ তত্বাৱধানত আৰু ড° সংঘমিত্ৰা শৰ্মাৰ উপস্থিতিত কাঠফুলা খেতিৰ প্ৰশিক্ষণৰ লগতে বিভিন্ন শস্য সুৰক্ষা বিষয়ৰ পদ্ধতি প্ৰদৰ্শন কৰাৰ লগতে এখন সজাগতা সভা অনুষ্ঠিত কৰে। অনুষ্ঠানত কপহুৱা গাঁৱৰ গাঁওবুঢ়াৰ লগতে উদীয়মান যুৱক-যুৱতী, কৃষিকৰ্মত জড়িত লোকসকল, প্ৰগতিশীল কৃষক আৰু মহিলাসকলে অংশগ্ৰহণ কৰে। কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰ বিদ্যুৎ বিকাশ নেওগ, পাৰ্থ প্ৰতিম দত্ত, বিদ্যুৎ জ্যোতি দাস, কঙ্কন বনিয়া, অম্লান দীপ চুতীয় আৰু সৌৰভজ্যোতি নাথ অনুষ্ঠানটো সূচাৰুৰূপে পৰিচালনা কৰাত সহয় কৰে। উল্লেখ্য যে বিগত এমাহজুৰি তেওঁলোকে কেঁচুসাৰ উৎপাদন প্ৰণালী, বায়ব ডালধৰা প্ৰণালী, ডাল কলম পদ্ধতি, জৈৱ কীটনাশকৰ ব্যৱহাৰ, বিভিন্ন কৃষি বিষয়ক পদ্ধতি গাঁওবাসীক প্ৰদৰ্শন কৰি আহিছে। ইয়াৰ দ্বাৰা কপহুৱা গাঁৱৰ উদীয়মান কৃষকসকল তথা মহিলাসকল যথেষ্ট উপকৃত হৈছে, কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ এনে প্ৰচেষ্টাক গাঁওবাসীৰ লগতে কৃষকসকলে শলাগ লৈছে।

# ২৭ মাৰ্চত বিহপুৰীয়া জ্যেষ্ঠ নাগৰিক সংস্থাৰ বাৰ্ষিক অধিবেশন

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ২২ মাৰ্চ ঃ** জ্যেষ্ঠ নাগৰিক সংস্থাৰ বিহপুৰীয়া শাখাৰ সপ্তম দ্বিবাৰ্ষিক অধিবেশন অহা ২৭ মাৰ্চত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হ'ব। বিহপুৰীয়া কলেজীয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সেইদিনা পুৱা ন বজাত পতাকা উত্তোলনেৰে আৰম্ভ হ'ব লগা অধিবেশনৰ সকলো কাৰ্যসূচীতে শাখাৰ সকলো সদস্য-সদস্যাৰ উপস্থিতি তথা সহায় সহযোগ শাখাৰ সভাপতি-সম্পাদক ক্ৰমে ৰাজেন্দ্ৰনাথ সভাপণ্ডিত আৰু যাদৱ কটকীয়ে কামনা কৰিছে।

# গুণোৎসৱে ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত মূল্যায়ন কৰিব নোৱাৰে ঃ মজলীয়া স্কুল শিক্ষক সন্থা

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২২ মাৰ্চ ঃ** সদৌ অসম মজলীয়া স্কুল শিক্ষক সন্থাই কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত উল্লেখ কৰা মতে, অসম চৰকাৰৰ শিক্ষা বিভাগে আগন্তুক ২৫ এপ্ৰিলৰ পৰা তিনিটা পৰ্যায়ত স্কুলসমূহৰ গুণাগুণ নিৰূপণৰ বাবে গুণোৎসৱ পালন কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছে। ইয়াৰ পূৰ্বে দুবাৰ স্কুলসমূহত গুণোৎসৱ অনুষ্ঠিত হৈছিল। পূৰ্বৰ গুণোৎসৱত বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু পৰিচালনা সমিতিসমূহৰ সদস্যসকলে অতি আগ্ৰহেৰে নিজৰ টকা-পইচা খৰচ কৰি বিদ্যালয়সমূহ চকুত লগা কৰিছিল। পূৰ্বৰ গুণোৎসৱে বিদ্যালয়সমূহৰ অভাৱসমূহ চৰকাৰে পূৰণ কৰিব বুলি বিশ্বাস কৰিছিল। কিন্তু সকলোৱে ভবাৰ দৰে চৰকাৰে বিদ্যালয়সমূহৰ একো উন্নতি সাধন নকৰিলে। আনকি এ প্লাছ পোৱা স্কুলসমূহক চৰকাৰৰ প্ৰতিশ্ৰুতি অনুসৰি ধনৰাশি প্ৰদান নকৰিলে। বিদ্যালয়সমূহৰ অভাৱ অভাৱ হৈয়েই থাকিল। যোৱা দুটা বৰ্ষ ক'ভিডৰ বাবে দীৰ্ঘদিন বিদ্যালয়সমূহ বন্ধ হৈ থকাৰ পাছত যোৱা ১৫ ফেব্ৰুৱাৰীৰ পৰা শ্ৰেণীসমূহ আৰম্ভ হৈয়েই মাৰ্চৰ প্ৰথম সপ্তাহতে চূড়ান্ত পৰীক্ষা অনুষ্ঠিত কৰিব লগা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে প্ৰায় একো নিশিকাকৈয়ে পৰীক্ষাত বহিব লগা হ'ল। পহিলা এপ্ৰিলৰ পৰা নতুন শিক্ষা বৰ্ষ আৰম্ভ হোৱাৰ পাছতে বিহু আৰু বিহুৰ পাছতে ২৫ এপ্ৰিলৰ পৰা গুণোৎসৱ অনুষ্ঠিত হ'ব। যদিও বিভাগে স্পষ্ট কৰিছে ছাত্ৰ-ছাত্ৰীসকলক পূৰ্বৰ শ্ৰেণীৰ পাঠৰ পৰা মূল্যায়ন কৰিব। কিন্তু ছাত্ৰ-ছাত্ৰীসকলে বিহুৰ পাছতে অনুষ্ঠিত গুণোৎসৱত কিমান গুৰুত্ব দিব সেয়া সন্দেহ আছে। আনহাতে, এইবেলি প্ৰথমবাৰৰ কাৰণে উচ্চ প্ৰাথমিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ হিন্দী বিষয়তো মূল্যায়ন কৰিব।

১৩ পৃষ্ঠাত চাওক্

# বিটিআৰ চুক্তিক বিৰোধিতা কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন

## স্বাক্ষৰকাৰী চানছুমা খুংগুৰ বিছমুতিয়াৰীসহ পাঁচজনৰ পুত্তলিকা দাহ এবছুৰ

**অগ্ৰদূত বাৰ্তা**

**চিথিলা, ২২ মাৰ্চ ঃ** ২০২০ৰ ২৭ জানুৱাৰীত সম্পাদিত হোৱা বিটিআৰ চুক্তিক বিৰোধিতা কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনৰ স্বাক্ষৰকাৰীসকলৰ বিৰুদ্ধে আজি এবছুৱে বিভিন্ন প্ৰান্তৰ লগতে দোতমাতো প্ৰতিবাদ সাব্যস্ত কৰে। মূল স্বাক্ষৰকাৰী প্ৰাক্তন সাংসদ চানছুমা খুংগুৰ বিছমুতিয়াৰী, প্ৰাক্তন বিধায়ক হিতেশ বসুমতাৰী, প্ৰাক্তন উপ-মুখ্য কাৰ্যবাহী সদস্য খাম্পা বৰগয়াৰী, বড়ো ৰাইটাৰ একাডেমী আৰু প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মৰ পুত্তলিকা দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। কোকৰাঝাৰ জিলা সদৰৰ লগতে এবছুৰ দোতমা আঞ্চলিক সমিতিৰ উদ্যোগত আয়োজিত কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলে 'এবছু লং লিভ, চানছুমা খুংগুৰ মুৰ্দাবাদ, চন্দ্ৰ ব্ৰহ্ম মুৰ্দাবাদ' আদি শ্ল'গান দি পৰিস্থিতি উত্তাল কৰি তোলে।

# ২৭ মাৰ্চত চিৰাঙৰ বেংতলত নিখিল বাথৌ মহাসভাৰ বৈঠক

## একত্ৰিত হ'ব বাথৌৰ সকলো সংগঠন

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২২ মাৰ্চ ঃ** নিখিল বাথৌ মহাসভাৰ মাজত বিভাজিত সকলো সংগঠন একত্ৰিত হ'ব অহা ২৭ মাৰ্চত। এই কথা সদৰী কৰিছে নিখিল বাথৌ মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ (পৰমেশ্বৰ ব্ৰহ্মৰ নেতৃত্বাধীন) সাধাৰণ সম্পাদক বসন্ত স্বৰ্গীয়াৰীয়ে। উল্লেখ্য যে নিখিল বাথৌ মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক স্বৰ্গীয়াৰীয়ে আজি প্ৰেৰণ কৰা এক বিবৃতিযোগে কয় যে অহা ২৭ মাৰ্চত চিৰাং জিলাৰ বেংতলৰ মৌনসিন সিব্ৰাই ইংলিছ স্কুল (বাথৌ মিছন)ত বড়ো জনগোষ্ঠীৰ বাথৌ ধৰ্মক কেন্দ্ৰ কৰি বিভাজিত সকলো সংগঠনৰ বিষয়ববীয়াৰ উপস্থিতিত একত্ৰীকৰণৰ বাবে এখন বিশেষ সভা অনুষ্ঠিত হ'ব। উক্ত সভাতেই বাথৌ ধৰ্মক লৈ গঠিত তথা বিভাজিত সকলো সংগঠন একত্ৰিত হৈ নতুনকৈ নিখিল বাথৌ মহাসভাৰ কেন্দ্ৰীয় সমিতিখন গঠন হ'ব। ইতিমধ্যে বাথৌ ধৰ্মৰ সকলো সংগঠনকে সভালৈ নিমন্ত্ৰণ কৰা বুলিও বিবৃতিটোত উল্লেখ কৰা হৈছে। বড়ো জনগোষ্ঠীৰ বাথৌ ধৰ্ম-সংস্কৃতিক অধিক সৱল ৰূপত আগুৱাই নিয়াৰ লগতে জাতীয় অস্তিত্বৰ প্ৰতি লক্ষ্য ৰাখিয়েই বাথৌ ধৰ্মক লৈ গঠিত সকলো সংগঠন একত্ৰিত হ'ব বুলিও বিবৃতিটোত উল্লেখ কৰিছে স্বৰ্গীয়াৰীয়ে।

# বৰখণ্ডীয়াত অনুজৰ মুকলি বিহু

**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ২২ মাৰ্চ ঃ** যোৰহাট জিলাৰ পশ্চিম যোৰহাটৰ বৰখণ্ডীয়া গাঁৱৰ সামাজিক সাংস্কৃতিক অনুষ্ঠান অনুজ সাহিত্য সংস্কৃতি গোষ্ঠীৰ উদ্যোগত অহা তিনি ব'হাগত আয়োজন কৰিছে মুকলি বিহুৰ। এই উপলক্ষে দিনৰ এক বজাৰ পৰা বিহুৰ মূল অনুষ্ঠান আৰম্ভ হ'ব। অনুষ্ঠানৰ আৰম্ভণিতে গাঁওখনৰ প্ৰয়াত ব্যক্তিসকলৰ সোঁৱৰণী, অনুজৰ থিম ছং, মুখপত্ৰ উদয়ন উন্মোচন হ'ব। অঞ্চলটোৰ কৃষক, সমাজকৰ্মী, উদ্যোগী, শিল্পীক সম্বৰ্ধনা জনাব। ইয়াৰ পাছতে আমন্ত্ৰিত শিল্পীৰ দ্বাৰা হুঁচৰি প্ৰদৰ্শন আৰু সংগীতানুষ্ঠান অনুষ্ঠিত হ'ব।

# তামাৰহাটত এম্বুলেন্স-ছুইফট ডিজায়াৰৰ মুখামুখি সংঘৰ্ষ

## কথমপি ৰক্ষা পৰিল শিশুসহ তিনি যাত্ৰী



**তামাৰহাট, ২২ মাৰ্চ ঃ** ধুবুৰী জিলাৰ তামাৰহাট বজাৰৰ নিচেই কাষত আজি এক পথ দুৰ্ঘটনা সংঘটিত হয় যদিও দৈবক্ৰমে তিনিজনকৈ লোক দুৰ্ঘটনাৰ পৰা ৰক্ষা পৰে। এখন এম্বুলেন্স আৰু ছুইফট ডিজায়াৰৰ মুখামুখি সংঘৰ্ষত দুয়োখন বাহনৰ বিস্তৰ ক্ষতি সাধন হয়। এ এছ-২৫ ইচি-৯৮৯২ নম্বৰৰ এম্বুলেন্সখন ধুবুৰীৰ পৰা ৰোগী লৈ তামাৰহাটত নমাই পুনৰ ধুবুৰী অভিমুখে গৈ থকাৰ সময়ত বিপৰীত দিশৰ পৰা অহা এ এছ-০১ ইএম-৪৬০৪ নম্বৰৰ ছুইফট ডিজায়াৰ স'তে মুখামুখি সংঘৰ্ষ হয়। ফলত দুয়োখন গাড়ীৰ ক্ষতিসাধন হয় যদিও ছুইফট ডিজায়াৰ থকা লোকসকলে কথমপি ৰক্ষা পৰে। ইয়াৰ ভিতৰত এটি শিশু আছিল।

# নাহৰকটীয়াত ৫১ সংখ্যক আঞ্চলিক ৰঙালী বিহু সন্মিলন

**অগ্ৰদূত বাৰ্তা**

**নাহৰকটীয়া, ২২ মাৰ্চ ঃ** ৫১ সংখ্যক নাহৰকটীয়া আঞ্চলিক ৰঙালী বিহু সন্মিলন অহা ২৮, ২৯ আৰু ৩০ এপ্ৰিলত নাহৰকটীয়াৰ ৰঙালী-ৰূপালী মঞ্চত অনুষ্ঠিত হ'ব। এই উপলক্ষে ৰঙালী ৰূপালী মঞ্চত পূৰ্বৰ আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ সভাপতি ড° জ্যোতিপ্ৰসাদ কোঁৱৰৰ সঞ্চালনাত অনুষ্ঠিত এক ৰাজহুৱা সভাত আগন্তুক ৫১ সংখ্যক নাহৰকটীয়া আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ উদ্যাপন সমিতিখন গঠন কৰা হয়। পূৰ্বৰ সম্পাদক লক্ষ্মী চাউদাঙে উদ্দেশ্য ব্যাখ্যা কৰা সভাত পূৰ্বৰ সমিতিখন ভংগ কৰি সৰ্বসন্মতিক্ৰমে বিধায়ক তৰংগ গগৈক মুখ্য উপদেষ্টা নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতিপ্ৰসাদ কোঁৱৰক পুনৰ সভাপতি, শৈলেন মন্ত্ৰী আৰু ভাস্কৰজ্যোতি কোঁৱৰক সাধাৰণ সম্পাদকৰূপে লৈ এখন শক্তিশালী সমিতি গঠন কৰা হয়। উল্লেখ্য যে যোৱা দুটা বছৰে দেশৰ ক'ভিড পৰিস্থিতিৰ বাবে বিহু উদ্যাপন কৰিব নোৱাৰাৰ বাবে এইবাৰ দুগুণ উৎসাহেৰে এই অধিবেশন উদ্যাপন কৰিবলৈ লোৱা হৈছে।

# কামপুৰত বিশ্ব জল দিৱস উদ্যাপন ঃ গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**কামপুৰ, ২২ মাৰ্চ ঃ** আজি বিশ্ব জল দিৱস উপলক্ষে কামপুৰ মহাবিদ্যালয় আৰু কামপুৰ পৌৰসভাই বিশ্ব জল দিৱস উদ্যাপন কৰে। কামপুৰ পৌৰসভাৰ সভাকক্ষত কামপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া সুজাতা গগৈৰ সভাপতিত্বত অনুষ্ঠিত আলোচনা চক্ৰত নগাঁও জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা পংকজ বৰদলৈ, প্ৰকৃতিবিদ ধৰণী শইকীয়া, কামপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অসীম কুমাৰ বৰা, শিক্ষাবিদ সুধাময় দাসে কামপুৰ অঞ্চলত পানীত থকা ফ্লৰাইডৰ পৰিমাণৰ লগতে অঞ্চলটোৰ খোৱাপানীৰ বিভিন্ন সমস্যাসমূহ আৰু ইয়াৰ প্ৰতিকাৰৰ ওপৰত বক্তব্য ৰাখে। এই অনুষ্ঠানতে ধৰণী শইকীয়াৰ 'কামপুৰৰ পানী' শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰে ৰাজহ চক্ৰ বিষয়া সুজাতা গগৈয়ে। সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগতে কামপুৰ মহাবিদ্যালয়ৰ প্ৰবক্তাসকল আৰু স্থানীয় বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# বৰপাম আদৰ্শ বিদ্যালয়ত বিশ্ব জল দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ২২ মাৰ্চ ঃ** অসম আদৰ্শ বিদ্যালয় বৰপামত আজি বিশ্ব জল দিৱস পালন কৰা হয়। অসম আদৰ্শ বিদ্যালয় বৰপামৰ সঞ্চালক নৃপেন বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত সজগতামূলক সভাৰ আঁত ধৰে অধ্যক্ষ সঞ্জয় কলিতাই। বিশ্ব জল দিৱস ২০২২ৰ মূল বিষয় 'ভূ-জল অদৃশ্যক দৃশ্যমান কৰা'ৰ ওপৰত বিশিষ্ট শিক্ষাবিদ বিৰিঞ্চি বৰদলৈয়ে ছাত্ৰ-ছাত্ৰীৰ আগত সুন্দৰকৈ ব্যাখ্যা আগবঢ়োৱাৰ লগতে অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ দায়িত্ব, কৰ্তব্যৰ ওপৰত মতামত আগবঢ়ায়। সভাপতি নৃপেন বৰদলৈয়ে সম্পদৰ সুব্যৱহাৰ নজনা আৰু বহনক্ষম উন্নয়নৰ প্ৰতি আগ্ৰহী নোহোৱাৰ বাবেই অসমৰ দৰে ৰাজ্যৰ ৰাজধানীত পানী কিনিবলগীয়া অৱস্থা হৈছে। এনেদৰে চলি থাকিলে বিশ্বনাথ জিলাতো পানীৰ নাটনি হ'ব। জল প্ৰদূষণ হোৱাৰ মূল কাৰণ ৰাসায়নিক সাৰ, কীটনাশক, উদ্যোগৰ আৱৰ্জনা, প্লাষ্টিকেই মূল কাৰণ বুলি মত ব্যক্ত কৰে। সভাত উপস্থিত থকা শতাধিক ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ উপস্থিতিত বিদ্যালয়ৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। বিদ্যালয়ৰ দীপজ্যোতি বৰাক শৈক্ষিক শিতানত বৰ্ষশ্ৰেষ্ঠ ছাত্ৰৰ বাবে নিৰ্বাচিত কৰা হয়।

# ৰোগমুক্ত ভাৰতৰ বাবে নগাঁৱত প্ৰাকৃতিক চিকিৎসা কৰ্মশালা



**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২২ মাৰ্চ ঃ** দেশৰ আজাদী কা অমৃত মহোৎসৱ উপলক্ষে আন্তঃৰাষ্ট্ৰীয় প্ৰাকৃতিক চিকিৎসা সংস্থাৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰাকৃতিক চিকিৎসা প্ৰতিষ্ঠান আৰু সূৰ্য ফাউণ্ডেছনৰ সৌজন্যত নেছনেল এডুকেছনেল চেৰিটেবুল ট্ৰাষ্টৰ ব্যৱস্থাপনাত তথা নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সক্ৰিয় সহযোগিতাত অসম যোগ সংস্থা, নগাঁও জিলা যোগ সংস্থা, ৰাজ্যিক যোগ কেন্দ্ৰ 'নিৰ্বাণ'ৰ দ্বাৰা কালি নগাঁও ছোৱালী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ৰাজ্যিক ভিত্তিত প্ৰাকৃতিক চিকিৎসাৰ এক দিনজোৰা কৰ্মশালা সফলতাৰে অনুষ্ঠিত হয়। কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং, হোজাই, শোণিতপুৰ, মৰিগাঁও আৰু নগাঁও জিলাৰ পৰা ডেৰশতাধিকৰো অধিক লোকে ভাগ লোৱা ব্যতিক্ৰমধৰ্মী এই কৰ্মশালা পুৱা বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে মুখ্য অতিথি আগষ্টিন ক্ৰামছাই। অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ নগাঁৱৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ প্ৰধান বিজ্ঞানী তথা মুৰব্বী ড° নিৰঞ্জন ডেকাই আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানত অসম যোগ সংস্থাৰ সভাপতি তপন কুমাৰ দাসে বক্তব্য ৰাখে। অসম যোগ সংস্থাৰ অধ্যক্ষ তথা জ্যেষ্ঠ চিকিৎসক ডাঃ কৃষ্ণ কুমাৰ বৰাই সমল ব্যক্তিৰূপে সাম্প্ৰতিক সময়ত প্ৰাকৃতিক চিকিৎসাৰ প্ৰয়োজনীয়তাৰ ওপৰত বিস্তাৰিতভাৱে আলোকপাত কৰা কৰ্মশালাত মহকুমা চিকিৎসা বিষয়া ডাঃ মনোজ কুমাৰ শইকীয়া, ডাঃ দীপিকা নাথ (হোমিঅ'), নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক শৰৎ হাজৰিকা, সহকাৰী অধ্যাপক ৰঞ্জিত বৰুৱা, সহযোগী অধ্যাপিকা ড° অমিয়া পাটৰ, ড° জোনালী মুদৈ, কল্পনা ভট্টাচাৰ্য, সঞ্চিতা বৰা আদিয়েও মত-বিনিময় কৰে।

১৩ পৃষ্ঠাত চাওক

# নগাঁও জিলা সাহিত্য সভা কাৰ্যালয়ত চোৰৰ লুটপাট

**বিশেষ সংবাদদাতা**

**নগাঁও, ২২ মাৰ্চ ঃ** নগাঁও জিলাৰ উপায়ুক্তৰ চৰকাৰী আৱাসগৃহৰ প্ৰায় সন্মুখতে অৱস্থিত নগাঁও জিলা সাহিত্য সভাৰ কাৰ্যালয় কমলাদেৱী তোডী স্মৃতি ভৱনত যোৱা নিশা চোৰৰ দলে প্ৰৱেশ কৰি লুটপাট চলায়। নিশা চোৰৰ দলে নগাঁও জিলা সাহিত্য সভা তথা অসম সাহিত্য সভাৰ আঞ্চলিক কাৰ্যালয়টোৰ দুখন দুৱাৰ ভাঙি ভিতৰত প্ৰৱেশ কৰে। পাছত চোৰে কাৰ্যালয়টোৰ কম্পিউটাৰ, চিপিইউ, পানী উত্তোলন কৰা মেচিন, ফেনকে ধৰি বিভিন্ন সামগ্ৰী আৰু আচবাব চুৰি কৰি নিয়ে। নগাঁও জিলা সাহিত্য সভাৰ বিষয়ববীয়াসকলে আজি পুৱা কাৰ্যালয়টোত চুৰি হোৱাৰ বিষয়ে জানিব পাৰি ঘটনা সন্দৰ্ভত নগাঁও সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। সেই এজাহাৰ মৰ্মে নগাঁও আৰক্ষীয়ে এক গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে যদিও এই পৰ্যন্ত চোৰৰ দলটোক কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই। ইপিনে, নগাঁও জিলা সাহিত্য সভা আৰু অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়টোত হোৱা চুৰি কাৰ্যৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে নগাঁও জিলা সাহিত্য সভাৰ সাধাৰণ সম্পাদক ৰেৱত হাজৰিকাই। হাজৰিকাই কয় যে নগাঁও জিলা সাহিত্য সভা আৰু অসম সাহিত্য সভাৰ আঞ্চলিক কাৰ্যালয়টো উপায়ুক্তৰ চৰকাৰী আৱাসগৃহৰ প্ৰায় সন্মুখতে, তদুপৰি এই কাৰ্যালয়ৰ ঠিক সন্মুখতে এজন অতিৰিক্ত উপায়ুক্তৰো চৰকাৰী আৱাসগৃহ। আনকি ওচৰতে নগাঁও আৰক্ষী নিৱেশো আছে। তেনে এক অঞ্চলত চুৰি হোৱাটো উদ্বেগজনক কথা।

# লক্ষেশ্বৰ বৰাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ২২ মাৰ্চ ঃ** যোৰহাটৰ পশ্চিম যোৰহাটৰ চ'ৰাছোৱা গাঁও নিবাসী লক্ষেশ্বৰ বৰা (৮৩)ৰ যোৱা ২০ মাৰ্চত পৰলোকপ্ৰাপ্তি হয়। ভাৰতীয় ৰেল বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী বৰা কিছুদিনৰ পৰা ৰোগত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়ত পত্নী আৰু পুত্ৰসহ বোৱাৰী, জী-নাতিসহ বহুতকে এৰি যায়।

# খটখটিত আৰক্ষী-আবকাৰী বিভাগৰ অভিযান ঃ আলুভৰ্তি ট্ৰাকত অৰুণাচলী সুৰা জব্দ



**অগ্ৰদূত বাৰ্তা**

**বোকাজান, ২২ মাৰ্চ ঃ** সুৰানিষিদ্ধ অসমৰ চুবুৰীয়া ৰাজ্য নগালেণ্ডলৈ কাৰ্বি আংলং জিলাৰ মাজেৰে ব্যাপক হাৰত অবৈধভাৱে বিলাতী সুৰা সৰবৰাহৰ বিৰুদ্ধে শেহতীয়াকৈ কাৰ্বি আংলং জিলা আৰক্ষীয়ে কঠোৰ স্থিতি গ্ৰহণ কৰি অহাৰ সময়তে যোৱা নিশা জিলাখনৰ খটখটিত আৰক্ষী আৰু আৱকাৰী বাহিনীয়ে নগালেণ্ড অভিমুখে নি থকা অৱস্থাত বৃহৎ পৰিমাণৰ অবৈধ বিলাতী সুৰা জব্দ কৰিবলৈ সক্ষম হয়। ঘটনাৰ বিৱৰণি অনুসৰি, এক বিশেষ সূত্ৰে লাভ কৰাৰ তথ্যৰ ভিত্তিত নিশা খটখটিত বোকাজান মহকুমা আৰক্ষী বিষয়া জন দাস আৰু খটখটি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰাজু দুৱৰাৰ নেতৃত্বত বোকাজান আৱকাৰী বিভাগ আৰু খটখটি আৰক্ষীৰ এটা দলে এক বিশেষ তালাচী অভিযান চলায়। তালাচীত অভিযানকাৰী দলটোৱে অৰুণাচলৰ পৰা নগালেণ্ড অভিমুখে নিয়াৰ উদ্দেশ্যে খটখটিৰ এটা পাৰ্কিঙত ৰখাই থোৱা অৱস্থাত এন এল-০১-এন-৯১৭৮নম্বৰৰ এখন আলু কঢ়িয়াই নিয়া ১২ চকীয়া ট্ৰাকত তালাচী চলাই বিভিন্ন ব্ৰেণ্ডৰ প্ৰায় ৯০০ কাৰ্টন অৰুণাচলী বিলাতী সুৰা জব্দ কৰিবলৈ সক্ষাম হয়। ট্ৰাকখনত আলুৰ বস্তাৰ মাজতে সুৰাখিনি কৌশলেৰে লুকুৱাই অনা হৈছিল। উল্লেখ্য যে উক্ত বিলাতী সুৰাসমূহে কেৱল অৰুণাচল ৰাজ্যত বিক্ৰীৰ বাবেহে অনুমতি থকা সুৰাৰ কাৰ্টনসমূহত স্পষ্টকৈ উল্লেখ আছে। আনহাতে, জব্দ হোৱা সুৰাখিনিৰ অৰুণাচলৰ বজাৰমূল্য প্ৰায় ১৮ লাখ হোৱাৰ পৰিৱৰ্তে অসমৰ বজাৰমূল্য প্ৰায় ৪০ লাখ টকা বুলি অনুমান কৰা হৈছে। ট্ৰাকখনৰ পৰা আলুৰ ১৭৩ টা বস্তাও জব্দ কৰা হৈছে। উল্লেখ্য যে ঘটনাৰ লগত জড়িত ট্ৰাকখনৰ চালকজনক আৰক্ষীয়ে আটক কৰি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

# গহপুৰ জিলা মইনা পাৰিজাতৰ বিজ্ঞান মেল সম্পন্ন

## বিজ্ঞান বিষয়ক বিভিন্ন প্ৰতিযোগিতাত ৬৩ গৰাকী মইনাৰ অংশগ্ৰহণ

**অগ্ৰদূত বাৰ্তা**

**গহপুৰ, ২২ মাৰ্চ ঃ** সদৌ অসম মইনা পাৰিজাতৰ অন্যতম সক্ৰিয় জিলা সমিতিৰূপে সুপৰিচিত গহপুৰ জিলা মইনা পাৰিজাতৰ উদ্যোগত তথা মধ্য ছয়দুৱাৰ আঞ্চলিক মইনা পাৰিজাতৰ সৌজন্যত যোৱা ২০ মাৰ্চত গহপুৰ মহকুমাৰ বৰঙাবাৰীস্থিত যাদৱ গোস্বামী জাতীয় বিদ্যালয় আৰু সুৰভি সাহিত্য সমাজৰ কাৰ্যালয়ত 'বিজ্ঞান মেল-২২' শীৰ্ষক বিশেষ কাৰ্যসূচী সফলতাৰে ৰূপায়ণ কৰা হয়। সদৌ অসম মইনা পাৰিজাতৰ আহ্বান মৰ্মে ৰূপায়ণ কৰা উক্ত বিশেষ কাৰ্যসূচীৰ জৰিয়তে গহপুৰ মহকুমাৰ বিভিন্ন প্ৰান্তৰৰ মইনাসকলৰ মাজত বিজ্ঞান বিষয়ক বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি মইনাসকলৰ মাজত বিজ্ঞানমুখী প্ৰৱণতা বৃদ্ধিৰ প্ৰয়াস কৰা হয়। বিজ্ঞানমেলৰ কাৰ্যসূচী অনুসৰি পৰিৱেশ নিকাকৰণৰ পাছত পতাকা উত্তোলন কৰে গহপুৰ জিলা মইনা পাৰিজাতৰ সভাপতি তথা শিক্ষাবিদ পৰমানন্দ ভূঞাই। পতাকা উত্তোলন কৰি দিয়া চমু বক্তব্যত সভাপতিজনে মইনাসকলৰ মাজত বিজ্ঞানৰ প্ৰয়োজনীয়তা আৰু এই ক্ষেত্ৰত সদৌ অসম মইনা পাৰিজাতে বিজ্ঞানমেলৰ জৰিয়তে মইনাসকলৰ মাজত কেনেদৰে বিজ্ঞানমুখী চিন্তা-চৰ্চাৰ বিস্তাৰ



কৰিব বিচাৰিছে সেই সন্দৰ্ভত সৰল ব্যাখ্যা আগবঢ়ায়। পতাকা উত্তোলনৰ পাছতে সদৌ অসম মইনা পাৰিজাতৰ আজীৱন সদস্য, বিশিষ্ট সমাজসেৱক তথা নৱ কিশালয় মইনা পাৰিজাতৰ প্ৰতিষ্ঠাপক সভাপতি অচ্যুৎ হাজৰিকা আৰু শিশুপ্ৰেমী, লেখক তথা পূৰেৰুণ মইনা পাৰিজাতৰ উপদেষ্টা ধীৰেন শইকীয়াৰ পৱিত্ৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে গহপুৰ আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি শিক্ষাবিদ সৰ্বেশ্বৰ বৰাই। পৰৱৰ্তী কাৰ্যসূচী অনুসৰি গহপুৰ জিলা মইনা পাৰিজাতৰ সভাপতি পৰমানন্দ ভূঞাৰ সভাপতিত্বত মূল সভা অনুষ্ঠিত হয়। সুৰভি সাহিত্য সমাজৰ সভাপতি শোভন চন্দ্ৰ শইকীয়াই বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ আৰম্ভ কৰা সভাৰ আৰম্ভণিতে সমবেত সংগীত পৰিবেশন কৰে বৰঙাবাৰী সংগীত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি গহপুৰ জিলা মইনা পাৰিজাতৰ সাধাৰণ সম্পাদক তথা বিশিষ্ট শিশু নাট্যকাৰ বসন্ত কৃষ্ণ বৰাই কয় যে সদৌ অসম মইনা পাৰিজাতে প্ৰতি বছৰে বিজ্ঞান মেলৰ জৰিয়তে মইনাসকলৰ মাজত বিজ্ঞানৰ আৰ্হি প্ৰস্তুত, প্ৰকল্প, চিত্ৰাংকনৰ জৰিয়তে সজাগতা অনাৰ প্ৰয়াস কৰি আহিছে। এনে উদ্দেশ্য আগত ৰাখিয়েই গহপুৰ জিলা মইনা পাৰিজাতে চলিত বৰ্ষৰ বিজ্ঞান মেল অনুষ্ঠিত কৰি মইনাসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

১৩ পৃষ্ঠাত চাওক

# মৰাণত নাহৰফুটুকী বাঘ পিঞ্জৰাবদ্ধ

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২২ মাৰ্চ ঃ** ডিব্ৰুগড় জিলাত বাঘৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাব ধৰিছে। ফলত বহু গাঁৱত বাঘে একপ্ৰকাৰ পোহনীয়া জীৱ-জন্তু ভক্ষণ কৰি সন্ত্ৰাস চলাই অহাৰ অভিযোগ উত্থাপন হৈছে। এনে সময়তে খোৱাং আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অধীনস্থ মৰাণ নগৰৰ সমীপৰ কেন্দুগুৰি চাহ বাগিচাত আজি পুৱতি নিশা এটা প্ৰকাণ্ড নাহৰফুটুকী পিঞ্জৰাবদ্ধ হয়। পিঞ্জৰাবদ্ধ নাহৰফুটুকীটো বৰ্তমান মৰাণত অৱস্থিত খোৱাং আঞ্চলিক বন বিভাগৰ কাৰ্যালয়ত ৰখা হৈছে।




## কাজিৰঙাত মাছৰ মেল

• প্ৰদীপ কুমাৰ বৰা

পুঠিমাৰিত পুঠি নাই
শ'লমাৰিত নাই শ'ল,
কাৰৈমাৰিত উজান উঠিছে
খেপিয়াই ধৰোঁগৈ ব'ল ।
গৰৈমাৰিৰ গৰৈপিপৰা খাবলৈ ভাল,
বৰালীমাৰিত বৰালী ধৰে
পাতি পৰঙনী জাল ।
মোৱামাৰিৰ চিকুণ মোৱা
পাতত দি খায়,
বুঢ়ী আইতাই জাকৈখন লৈ
মোৱা ধৰিবলৈ যায় ।
বৌমাৰিত এতিয়া বৌ মাছৰ
নাম গোন্ধেই নাই,
কান্দুলীমাৰিৰ কান্দুলীমাছ
খৰিকাত দি খায় ।
মিছামাৰিৰ বৰাগী মিছা
দীঘল দীঘল দাড়ি,
কচ মাছে কণী পাৰে শাৰী শাৰী কৰি।
শালমাৰি বিলৰ শালবোৰে
সকলো মাছকে খেদে,
ভেলেঙী লগা ভেদভেদী জনীও,
পলাই পত্ৰং দিয়ে ।
মাছৰ নামেৰে বহু ঠাই আছে
কিছুমান মাছৰহে নাই ,
ঠাইৰ নাম নৰখা মাছবোৰে ক'লে
আমাকহে কৰে অন্যায় ।
সেয়েহে এদিন কাজিৰঙাৰ বিলত
সিহঁতৰ সভা হ'ল,
বামী, তোৰা, চন্দা, চেলেকণা
ভাগে ভাগে গ'ল ।
দৰিকণাৰ লগতে ওপৰ চকুৱা আদিও
গ'ল পশ্বেচন কৰি,
সিহঁতৰ নামেৰেও ঠাই হ'ব লাগিব
সেয়াই প্ৰধান দাবী ।



## কাৰ কি মাত

• হৰেশ্বৰ গোস্বামী

কুকুৰৰ ভুক-ভুক
সদায় থাকে ভোক,
ৰৌ-ৰৌৱাই ৰাও জোৰে
দেখি অচিন লোক।
শিয়ালে কৰে হোৱা-হোৱা
ফেউ-ফেউও কৰে,
ফেউৰাও বোলে।
মেকুৰীৰ মিউ-মিউ
পাকঘৰলৈ যায়,
মাছ-গাখীৰ খাবলৈ
থাকে চল চাই।
গৰুৱে থাকে হেম্বেলিয়াই
গোহালিৰ মান,
ছাগলীয়ে বেবাই ফুৰে
খাব নাপাই পাণ।
বাঘ-সিংহৰ গোঁজৰণি
শুনিছানে বাৰু ?
চিৰিয়াখানাতহে সেয়া
পাবা চাগে আৰু।
ঘৰচিৰিকাৰ চিৰিক চিৰিক
পাৰই দিয়ে ৰুণ,
মৌমাখিয়ে ফুলত পৰি
কৰে ভুনভুন।
কাউৰীয়ে কা-কা কৰি
থাকে ৰমলিয়াই,
নিশা পৰত ফেঁচাজনীয়ে
থাকে কুৰুলিয়াই।
কুকুৰাই ডাক দিয়ে
ফেঁহুজালি পৰত,
শৰালিৰ মাত শুনিবা
বিল, জলাহত।
কুউ, কুউ কুলিৰ মাতত
বসন্ত কাল আহে,
'অ'কেতেকী', 'অ'কেতেকী'
কেতেকীয়েও মাতে।
সোণমইনাৰ কোমল মাত
কলকলাই থাকে,
সুমধুৰ মাত-কথাই
মন পৰশে।
এই পৃথিৱীৰ জীৱ-প্ৰাণী
সকলো আপোন,
এক ঈশ্বৰৰ সৃষ্টি এয়া
ভাবি চোৱাচোন।

## ব্যঞ্জনবৰ্ণৰ ব্যঞ্জনৰ !

• দিগন্ত বৈশ্য

ব্যঞ্জনবৰ্ণৰ ব্যঞ্জনৰ
প্ৰথম ভাগটি ক'লো,
দ্বিতীয় ভাগটি ক'বলৈ
মন মেলিলো।
টংকেশ্বৰৰ মূৰত
নাই এডালো চুলি,
ঠগীৰামে ঠগ দিওঁতেই
বয়স পালে চাৰি কুৰি।
ডিম্বেশ্বৰে ডাক বিভাগত
কৰে ডাকোৱালৰ কাম,
ঢোল বজালেও ঢোপেশ্বৰৰ
নহয় যে ইনকাম।
'ণ' বৰ্ণৰে পিছে কোনো
আদি শব্দ নাই,
মাজত আৰু শেষত বহিহে
নানা অৰ্থ ওলায়।
তৰণীয়ে তৰণীৰ কাম
ভালদৰে কৰে,
ঠগেশ্বৰী আইটিৰ থুৰীয়াযোৰ
নিলে বাৰু কোনে?
দিগম্বৰ দগাবাজক সকলোৰে
চিনি পায়,
ধৰণীৰ দৰে ধোঁৱা-খুলীয়া
ধৰণীপুৰত নাই।
নৰেশ্বৰে নাওবৈচাত নাপিতৰ
কাম কৰে,
ব্যঞ্জনবৰ্ণৰ ব্যঞ্জনত
ৰস পাবা নিতে।

## অ' ঘৰচিৰিকা অ' ঘৰচিৰিকা

(বিশ্ব ঘৰচিৰিকা দিৱস উপলক্ষে)

• গায়ত্ৰী দেৱী বৰঠাকুৰ

অ' ঘৰচিৰিকা অ' ঘৰচিৰিকা
অকলে-অকলে বহি-বহি কিনো বাৰু কৰিছা
লাগিছে যদি সখী সঁচাই তোমাৰ বৰকৈ আমনি
খঁৰা শিয়ালৰ বিয়ালৈকে ওলোৱা লৈ এখন ওৰণি ৰ'দো দিব বৰষুণো
দিব খঁৰা শিয়ালৰ বিয়াত
কিমান যে নাচিম-বাগিম নাথাকিব তাৰ হিচাপ
তোমাৰ হাতৰ তামোল খাই সেলেঙি বোৱাম আমি
সখী তুমি ইমান সৰল যেন মৰমৰ ভেলেঙী
চিৰিক-চিৰিক কৰি গোৱা তুমি কিনো গান
তোমাৰ সুৰত সুৰ মিলাই আমি জোৰো তান
তোমাৰ লগত বিয়ানাম গাম আৰু দিম উৰুলি
আৰু যে কত কিমান কৰিম সখী হাঁহি-ধেমালি
লুচি খাম, ভাজি খাম আৰু খাম এসোপা মিঠাই
তোমাৰ মুখৰ হাঁহিয়ে সখী আমাৰো জেউতি চৰায় ।



*অদিভিং বৰা, জোনাকী সংঘ বিদ্যালয়, যোৰহাট।*



অতি ধুনীয়া কপৌ ফুলক বাৰু অসমীয়াৰ জাতীয় ফুল বুলিবৰ মন নাযায়নে? কপৌফুল বা ৰাইন'ক'ষ্টাইলিছ ৰেটুছা আচলতে অৰ্কিডৰ শাৰীতহে পৰে। এই অৰ্কিড হ'ল সমগ্ৰ পৃথিৱীৰ প্ৰায় ২০ হেজাৰ প্ৰজাতিৰ মাথোঁ এটাহে। অসমীয়াৰ জনজীৱনৰ স'তে এই ফুলৰ সম্পৰ্ক নিৱিড়। বিহুগীত, বনগীত, বিহুৱতী গাভৰু বা কইনাৰ খোপাৰ কপৌফুলপাহ চিনি নোপোৱা কোনো অসমীয়া লোক নোলাব।

# মনোমোহা অৰ্কিডৰ কিছু কথা



**বিহুৰ** বতৰত আমাৰ অসমত দেখা পোৱা এবিধ ফুল হ'ল কপৌ। অতি ধুনীয়া কপৌ ফুলক বাৰু অসমীয়াৰ জাতীয় ফুল বুলিবৰ মন নাযায়নে? কপৌফুল বা ৰাইন'ক'ষ্টাইলিছ ৰেটুছা আচলতে অৰ্কিডৰ শাৰীতহে পৰে। এই অৰ্কিড (Orchid) হ'ল সমগ্ৰ পৃথিৱীৰ প্ৰায় ২০ হেজাৰ প্ৰজাতিৰ মাথোঁ এটাহে। অসমীয়াৰ জনজীৱনৰ স'তে এই ফুলৰ সম্পৰ্ক নিৱিড়। বিহুগীত, বনগীত, বিহুৱতী গাভৰু বা কইনাৰ খোপাৰ কপৌফুলপাহ চিনি নোপোৱা কোনো অসমীয়া লোক নোলাব। উত্তৰ-পূৰ্বাঞ্চলত এই অৰ্কিডৰ বংশৰ প্ৰায় ৬০০ প্ৰজাতিৰ সন্ধান পোৱা যায়। ইয়াৰে এটা অনন্য সুন্দৰ প্ৰজাতি হ'ল কপৌফুল। কিন্তু কপৌফুলতকৈও বহুতো ধুনীয়া অৰ্কিড আমাৰ হাবিয়ে-বননিয়ে অনাদৰত পৰি আছে। সেইবোৰ উপযুক্ত যত্নৰ অভাৱ, দূষিত পৰিৱেশ আৰু মানুহৰ নিষ্ঠুৰ ব্যৱহাৰত ক্ৰমান্বয়ে অৱলুপ্তিৰ পথত। সাম্প্ৰতিক সময়ত হাবি-জংঘল তথা পাহাৰ কাটি মানুহে যি ধ্বংসলীলা চলাইছে, তাৰ ফলশ্ৰুতিত আমি নেদেখাকৈয়ে অনন্য সুন্দৰ অৰ্কিডকে ধৰি বিভিন্ন প্ৰাকৃতিক সম্পদ হেৰুৱাইছো। কপৌফুল পৰাশ্ৰয়ী উদ্ভিদ। ইয়াৰউপৰি মাটিত হোৱা, শিলত হোৱা অৰ্কিড আছে। ই এক পৰম আনন্দ মিশ্ৰিত লাভজনক খেতি। এই অৰ্কিৰ্ডৰ খেতি ছিংগাপুৰ, অষ্ট্ৰেলিয়া, ইংলণ্ড আদিত বিজ্ঞান সন্মতভাৱে কাহানিবাৰে পৰা কৰি আহিছে।



**গুটিৰ পৰা অৰ্কিডৰ পুলি**

এটা অৰ্কিডৰ পূৰঠ হোৱা ফলত আণুবীক্ষণিক আকাৰৰ লক্ষাধিক গুটি থাকে। এই গুটিবোৰে কেৱল মাইকৰৰিজা (অবিধ ভেঁকুৰ)ৰ সংযোগতহে গজালি মেলে। লক্ষাধিক গুটিত উপযুক্ত পৰিৱেশ নাপালে সেইবোৰ অংকুৰিত নহয়। বৰ্তমান আধুনিক কৃষি পামবোৰৰ পৰীক্ষাগাৰত অৰ্কিডৰ পুলি গজোৱা হয়।

অৰ্কিড ফুলে আকাৰ, ৰং আৰু আকৃতিৰ ক্ষেত্ৰত বৈচিত্ৰ্য আৰু ভিন্নতা প্ৰদৰ্শন কৰে। এই বৈচিত্ৰ্য আৰু ভিন্নতাৰ বাবেই অৰ্কিডবোৰে পুষ্পপ্ৰেমী আৰু উদ্ভিদবিদক সাংঘাতিকভাৱে আকৰ্ষিত কৰে। 'চৱালিয়া মাকাম্থা' হ'ল সৰ্ববৃহৎ অৰ্কিড। এই ফুলপাহ এফুটতকৈও ডাঙৰ হয়। আনহাতে, অষ্ট্ৰেলিয়াৰ 'বাল্ফু ফাইলাম মিনুটিছিয়াম' হ'ল আটাইতকৈ সৰু অৰ্কিড। ইয়াৰ আকাৰ এটা বেজীৰ আগৰ সমান। লগতে অসমৰ 'ভাণ্ডা', 'ডেণ্ড্ৰ'ব্ৰিয়াম', 'চিম্বোডিয়াম', 'ব্লু ভাণ্ডা' (মেঘালয়), 'ড'ৰটিছ', 'টাইনিঅ'ফাইলাম' (শিপাৰ ৰং সেউজীয়া, ইয়েই পাতৰ কাম কৰে), ব্ৰিটিছ ফ্লাই অৰ্কিড 'অফৰিছ ইনছেক্টিফেয়াৰ' আদি অৰ্কিডৰ সৌন্দৰ্য আৰু বৈচিত্ৰ্য উল্লেখনীয়। কপৌফুলৰ দৰে মনোমোহা অৰ্কিডসমূহ চিনাক্ত কৰি ইয়াৰ বংশ ৰক্ষা আৰু বৃদ্ধিৰ কাৰণে আমি সকলোৱে চেষ্টা কৰিব লাগিব।

# অমৰ শিল্পী মাইকেল এঞ্জেলো

মধুছন্দা



**অকণিহঁত,** আজি তোমালোকৰ ভাল লগা এটা বিষয়ৰ লগত জড়িত এজন অমৰ শিল্পীৰ বিষয়ে কিছু কথা উল্লেখ কৰিছো তোমালোকে জানিবৰ বাবে। বিষয়টো হৈছে চিত্ৰকলা আৰু ইয়াৰ লগত জড়িত অমৰ শিল্পীজনৰ নাম হৈছে মাইকেল এঞ্জেলো। তোমালোকে নিশ্চয় চিত্ৰকলা জগতৰ মহান চিত্ৰশিল্পী লিঅ'নাৰ্ড' ডা ভিঞ্চি, পাবলো পিকছো, ভেনগগ আদিৰ নাম শুনিছা। সেইসকলৰ দৰে মাইকেল এঞ্জেলো এজন মহান চিত্ৰশিল্পী। ইটালীৰ টাস্কোনি চহৰত ১৪৭৫ৰ ছয় মাৰ্চত এই মহান শিল্পীজনৰ জন্ম হৈছিল। বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে তেওঁ জীৱন কটাব লগা হৈছিল। মাত্ৰ ছয় বছৰ বয়সতে মাকক হেৰুৱাব লগা হোৱা এঞ্জেলোৰ শৈশৱৰ পৰাই চিত্ৰকলাৰ প্ৰতি দুৰ্বাৰ আগ্ৰহ আছিল। জন্মগতভাৱে লাভ কৰা অসাধাৰণ প্ৰতিভাৰ ফলস্বৰূপেই মাত্ৰ ১৩ বছৰ বয়সতে ফ্লোৰেন্সৰ এগৰাকী প্ৰসিদ্ধ শিল্পীৰ তেওঁ প্ৰধান শিক্ষাৰ্থী হোৱাৰ সৌভাগ্য ঘটে আৰু সেইজন শিল্পীৰ আৰু এটা মহৎ গুণ হৈছে ছবি অঁকাৰ উপৰি মূৰ্তি নিৰ্মাণৰ সুনিপুণ অভিজ্ঞতা। সেই উদ্দেশ্য আগত ৰাখিয়েই মাইকেল এঞ্জেলোৱে ১৪৮৯ত ভাস্কৰ বাৰথলভৰ তত্ত্বাৱধানত মূৰ্তি নিৰ্মাণৰ কাম কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে।

নিজকে মূৰ্তিৰ মানুহ বুলি বিবেচনা কৰা বিৰল প্ৰতিভাধৰ এইগৰাকী শিল্পীয়ে মাথোঁ ২৩ বছৰ বয়সতে গঢ়ি উলিয়াইছিল 'পিয়েটা' নামৰ মাৰ্বলৰ এক কালজয়ী ভাস্কৰ্য, য'ত কুমাৰী মেৰীয়ে মৃত যীশুৰ ওচৰত বৈ থকা দেখুওৱা হৈছে। শিল্পীগৰাকীৰ আন এক কালজয়ী ভাস্কৰ্য হৈছে 'ডেভিদ'। ফ্লোৰেন্সৰ মেডিচিৰ বাগিচাত প্ৰায় একুৰি ফুট ওখ এটুকুৰা প্ৰকাণ্ড মাৰ্বল পৰি আছিল। দুঃসাহসী মাইকেল এঞ্জেলোৱে সেই প্ৰকাণ্ড মাৰ্বল ডোখৰেৰে 'ডেভিদ' নামৰ আন এটা মূৰ্তি নিৰ্মাণ কৰে ১৫০১ৰ ১৩ ছেপ্টেম্বৰৰ পৰা ১৫০৪ৰ আঠ ছেপ্টেম্বৰলৈ এই চাৰি বছৰৰ ভিতৰত। পাঁচ বছৰজোৰা অৰ্থাৎ ১৫০৮ৰ মে'ৰ পৰা ১৫৫২ ৰ অক্টোবৰৰ মাজৰ এই সময়ছোৱাত তেওঁ সম্পূৰ্ণ অকলশৰীয়াকৈ চিষ্টাইন গিৰ্জাৰ চিলিঙৰ ৫২০বৰ্গ কিলোমিটাৰ ঠাইত নিৰ্মাণ কৰি উলিয়াইছিল এক বাৰেবৰণীয়া অনন্য জগত। বাইবেলৰ অ'ল্ড টেষ্টামেণ্টৰ বিভিন্ন কাহিনীৰ আধাৰত অংকিত চিত্ৰসমূহৰ ওচৰে-পাঁজৰে পৌৰাণিক গ্ৰীকদেশীয় কাহিনীৰ বহু চৰিত্ৰকো তেওঁ জীৱন্ত ৰূপত ফুটাই তুলি নিজৰ চিত্ৰশিল্পৰ নৈপুণ্যতাৰ পৰিচয় দিছিল। এঞ্জেলোৱে ৩০ বছৰ বয়সতে 'আংগিয়াৰ যুদ্ধ' নামৰ চিত্ৰ এখন অংকন কৰি ইটালীৰ সৰ্বশ্ৰেষ্ঠ চিত্ৰশিল্পী বুলি স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল। ৰেণেছাঁ যুগৰ আটাইতকৈ বিখ্যাত চিত্ৰশিল্পী হিচাপে এইজন মহান শিল্পীৰ নাম সদায় শ্ৰদ্ধাৰে সোঁৱৰা হয়। নিঃসংগতা প্ৰিয় চিৰকুমাৰ মাইকেল এঞ্জেলোৰ বাস্তৱ জীৱনত ঘনিষ্ঠ বুলিবলৈ কোনোৱেই নাছিল। নানান ঘাত-প্ৰতিঘাতেৰে ভৰা জীৱনৰ অধিকাৰী এইগৰাকী মহান শিল্পীৰ জীৱনৰ অৱসান ঘটে ১৫৬৪ৰ ১৮ ফেব্ৰুৱাৰীত। শিল্পীগৰাকীৰ বিষয়ে কিছু কথাহে আজিৰ লেখাত উল্লেখ কৰা হৈছে। তোমালোক ডাঙৰ হ'লে তেওঁৰ বিষয়ে আৰু ভালকৈ জানিব

## জানানে

১) নাথুৰাম গড্‌ছে। মহাত্মা গান্ধীৰ হত্যাকাৰীজন। তেওঁৰ প্ৰকৃত নামটো আছিল ৰামচন্দ্ৰ। কিয় তেওঁক নাথুৰাম বুলি জনা গ'ল জানানে?



২) প্ৰাচীন কালৰে পৰা এটা বিশ্বাস চলি আহিছে যে সোণ যেতিয়া গৰম কৰা হয়, তেতিয়া এবিধ বিশেষ সুন্দৰ সোণত পৰিণত হয়। এই সোণক কি বুলি কোৱা হয়?

৩) অলংকাৰ নিৰ্মাণত ব্যৱহাৰ হোৱা জয়পুৰ ধাৰাৰ কোনটো কাৰ্যৰ দুটা প্ৰধান ৰকম হ'ল ক্লইছন আৰু চেম্পেলেভে?

৪) নৱৰত্ন— জ্যোতিষশাস্ত্ৰত অতি প্ৰভাৱশালী। ৰুবি, বজ্ৰ, ইন্দ্ৰনীল, কোৰেল, মাৰকতম, গোমেদ, পুষ্পৰাগ আদি ৰত্ন নৱৰত্নৰ অন্তৰ্গত। প্ৰত্যেকটো ৰত্নই একোটা গ্ৰহক বুজায়। কোনটো ৰত্নই সূৰ্যক বুজায় জানানে?

৫) হিন্দু ধৰ্মত বিশ্বাস আছে যে গাত সোণ বা তেনে মূল্যবান বস্তু থকাটো ভাল। কিয় এই বিশ্বাস?

৬) কোনো কোনো ভাৰতীয় হিন্দু মানুহে ৰেখিয়া নামৰ অলংকাৰ এবিধ পিন্ধে। এই অলংকাৰ ক'ত থাকে জানানে?

৭) আগৰ দিনৰ ৰজা-মহাৰজাসকলে এবিধ প্ৰায় এক ইঞ্চিমান বহল আঙঠি কেৱল বিয়াৰ দিনাহে পিন্ধিছিল। বিয়াৰ পাছত সেই আঙঠি আন অলংকাৰলৈ সলনি কৰা হৈছিল। এইবিধ আঙঠিক কি বুলি কোৱা হৈছিল?

৮) ভাৰতৰ বহু ঠাইৰ হিন্দু মহিলাই ভৰিৰ দীঘল আঙুলিটোত বিচ্ছুৱা বা কুৰিয়ান নামৰ এটা আঙঠি পিন্ধে। এই আঙঠিটো কিয় পিন্ধা হয়?

৯) 'ঝুম্‌কা গিৰা হ্যে বেৰেইলী কে বাজাৰ ম্যে' শীৰ্ষক আশা ভোঁচলেৰ কণ্ঠৰ এটা অতি জনপ্ৰিয় গীত। এই ঝুম্‌কা হ'ল এবিধ অলংকাৰ। ইয়াক ক'ত পিন্ধা হয় জানানে?

১০) প্ৰাচীন অসমত লোকাপাৰ বুলি এবিধ অলংকাৰ ব্যৱহৃত হৈছিল। এই অলংকাৰ বিধ কোনে কি অংগত পিন্ধিছিল?

**উত্তৰ ঃ**

১) ৰামচন্দ্ৰ বা নাথুৰামৰ পিতৃ-মাতৃৰ আগৰ ল'ৰা দুজনৰ মৃত্যু হোৱাত তেওঁক নাকফুলি পিন্ধাই ছোৱালী সজাই ৰাখিছিল বাবে নামটো নাথুৰাম হ'ল। ২) কুন্দন, ৩) মিনা কৰা, ৪) ৰুবি, ৫) মৃত্যুৰ পাছত বৈতৰণী পাৰ কৰি দিয়া নাৱৰীয়াজনক দিবলৈ, ৬) দাঁতত, ৭) অংগুষ্ঠান বাহদিৰাউ, ৮) জীৱিত স্বামীৰ স'তে বিয়া হোৱাটো বুজাবলৈ, ৯) কাণত, ১০) মতা মানুহে পৰিধান কৰিছিল।

## বীৰবল বুদ্ধিমান হোৱাৰ ৰহস্য

**মোগল** সম্ৰাট আকবৰৰ ৰাজসভাৰ অন্যতম ৰত্ন আছিল মন্ত্ৰী বীৰবল। প্ৰচুৰ বুদ্ধিৰ বাবেই বীৰবল আছিল বিখ্যাত। তাৎক্ষণিকভাৱে বুদ্ধি উলিয়াই যিকোনো সমস্যা সমাধান কৰা বীৰবলৰ অনেক মজাৰ কাহিনী আছে। সম্ৰাট আকবৰেও কেতিয়াবা প্ৰয়োজনত বা কেতিয়াবা ধেমালি কৰিবলৈকে বীৰবলক অতি কঠিন বা অদ্ভুত প্ৰশ্ন কৰিছিল। এদিন আকবৰে বীৰবলক প্ৰশ্ন কৰিলে, 'তুমি ইমান প্ৰখৰ বুদ্ধি ক'ৰ পৰা লাভ কৰিলা?' বীৰবলেও কোনো সময় নষ্ট নকৰি উত্তৰ দিলে, 'জাহাঁপনা, বুদ্ধিবোৰ মই মুৰ্খৰ পৰা পাইছো।'



প্ৰশ্নটো যিমান সৰল আছিল; উত্তৰটো আছিল সিমানেই পাকলগা আৰু আচৰিত কৰি তুলিব পৰা। কাৰণ মুৰ্খৰ মগজুত বুদ্ধি নাথাকে। বুদ্ধিহীনতাৰ বাবেই তেনে মানুহক মুৰ্খ বুলি কয়। মুৰ্খৰ যিহেতু বুদ্ধি নাই; তেনেস্থলত তেওঁ কিদৰে আনক বুদ্ধি দিব পাৰিব? উত্তৰটো বুজিব নোৱাৰি আকবৰে পুনৰ প্ৰশ্ন কৰিলে, 'মুৰ্খৰ পৰা কেনেকৈ বুদ্ধি পাইছা?'

বীৰবলে পুনৰ গহীনভাৱে উত্তৰ দিলে, 'জাহাঁপনা, মই মুৰ্খৰ পৰাই বুদ্ধি লাভ কৰিছো। যি আচৰণ আৰু ব্যৱহাৰৰ বাবে এজন ব্যক্তিক মুৰ্খ আখ্যা দিয়া হয়, মই সেইবোৰৰ পৰা বাচি আছো। ইয়াৰ ফলত মোৰ বুদ্ধিমান হোৱাৰ পথ নিষ্কণ্টক হৈ পৰিল।'

# প্ৰাণী জগতৰ বিচিত্ৰ নিদ্ৰা

## স্তন্যপায়ী প্ৰাণীৰ নিদ্ৰা

প্ৰশান্ত বৰা



**সচৰাচৰ** স্তন্যপায়ী প্ৰাণীৰ নিদ্ৰা মানুহৰ দৰেই। স্তন্যপায়ী প্ৰাণীৰ নিদ্ৰাৰ তিনিটা পৃথক পৰ্যায় হৈছে পাতল নিদ্ৰা, গভীৰ নিদ্ৰা আৰু আৰ ই এম নিদ্ৰা। অৱশ্যে নিদ্ৰাৰ পৰিমাণৰ ক্ষেত্ৰত ব্যাপক পাৰ্থক্য দেখা যায়। আৰ্মাডিল্ল' বা অপ'চামে দিনটোৰ প্ৰায় ১৮ ঘণ্টা শুই থাকে, তাৰ তুলনাত ঘোঁৰা বা জিৰাফে শোৱে ছয় ভাগৰ এভাগ সময়। মানুহ অৱশ্যে এই দুই শ্ৰেণীৰ মাজভাগত পাৰে। গড় হিচাপত এজন মানুহে নিশা সাতৰ পৰা ন ঘণ্টা শোৱে। অধিকাংশ স্তন্যপায়ী প্ৰাণীয়ে এদিনত একাধিকবাৰ শোৱে। এই ধৰণৰ নিদ্ৰাক কোৱা হয় 'পলিফেজিক' নিদ্ৰা। প্ৰজাতি ভেদে প্ৰাণীয়ে দিনত বা ৰাতি নিদ্ৰাগ্ৰহণ কৰে। দিবাচৰ প্ৰাণীবোৰে নিশাৰ ভাগত আৰু নিশাচৰ প্ৰাণীয়ে দিনৰ ভাগত শুবলৈ পছন্দ কৰে।

'প্ৰাইমেট' শ্ৰেণীৰ প্ৰাণীবোৰে দিনটোত এবাৰহে শোৱে। বান্দৰে আক্ৰমণকাৰীৰ পৰা ৰক্ষা পাবলৈ পাতলকৈ বহি শোৱে, যদিও গৰিলা বা চিম্পাজীয়ে দীঘল দি পৰি শুবলৈ ভাল পায়। এইবোৰ প্ৰাণীয়ে মানুহৰ বিছনাৰ দৰে গছত এক বাসস্থান তৈয়াৰ কৰি লয়। সিহঁতৰ এই বিছনাসমূহে সিহঁতক ওখ গছত থকাত সহায় কৰে, যাতে আক্ৰমণকাৰী বা বিৰক্তিকৰ পোক- পৰুৱাৰ উপদ্ৰৱৰ পৰা ৰক্ষা পৰে। এইদৰে চিম্পাজী, গৰিলা আদিৰ আৰ ই এম নিদ্ৰা প্ৰায় উপদ্ৰৱহীনভাৱে সম্পন্ন হয় তথা অৱধাৰণগত উন্নতি ঘটে, যি অন্যান্য বহু প্ৰজাতিৰ প্ৰাণীতকৈ সিহঁতক প্ৰতিযোগিতাত আগুৱাই ৰাখে।



জলচৰ স্তন্যপায়ীবোৰৰ নিদ্ৰাৰ স্বৰূপ অৱশ্যে কিছু ভিন্ন। ইয়াতে ক'ব পাৰি ডলফিন বা ছীলৰ কথা। এইবোৰ প্ৰাণীয়ে পানীত বাস কৰিলেও শ্বাস লোৱাৰ বাবে পানীৰ ওপৰলৈ উঠি আহে। সেয়ে নিদ্ৰাৰত অৱস্থাত ইহঁতৰ শ্বাসৰোধৰ আশংকা থাকে। ইয়াৰ পৰা বাচিবলৈ সিহঁতে সকলো সময়তে মস্তিষ্কৰ একাংশ সক্ৰিয় অৱস্থাত ৰাখি শোৱে। অৰ্থাৎ নিদ্ৰাৰ সময়তো ইহঁতৰ মস্তিষ্কৰ এভাগ মস্তিষ্ক ক্ৰিয়াশীল অৱস্থাত থাকে। ফলত প্ৰাণীটোৱে এটা চকুৰে দেখা পায়, শ্বাসগ্ৰহণ কৰিব পাৰে, আনকি ঘূৰা-ফুৰাও অব্যাহত ৰাখিব পাৰে। এই ধৰণৰ নিদ্ৰাক কোৱা হয় 'ইউনিহেমিস্ফেৰিক' নিদ্ৰা।

কিছুক্ষেত্ৰত ডলফিনে নিদ্ৰাৰত অৱস্থাতে পানীৰ ওপৰত ওপঙি থাকিব পাৰে। এই প্ৰৱণতাক কোৱা হয় 'লগিং'। বিজ্ঞানীৰ মতে, কিছুমান ডলফিনে আনকি চক্ৰাকাৰে সাঁতুৰি থকা অৱস্থাতো শুই থাকে। আন এক গৱেষণাত গম পোৱা গৈছে, ডলফিনে হেনো ইউনিছেমিস্ফেৰিক' নিদ্ৰাৰ ইমান মাত্ৰা অৰ্জন কৰিছে যে এতিয়া নিদ্ৰাৰত অৱস্থাতো সিহঁতে সকলো জটিল কাম কৰিব পাৰে।

স্তন্যপায়ী প্ৰাণীবোৰৰ ভিতৰত তিমিয়েই সকলোতকৈ কম শোৱে। অৰ্কা প্ৰজাতিৰ সদ্যোজাত তিমি আৰু মাকে কেইসপ্তাহ পৰ্যন্ত নোশোৱাকৈ থাকিব পাৰে। আকৌ স্পৰ্শ তিমিয়ে একেবাৰে পাতল টোপনি গ্ৰহণ কৰে আৰু সিহঁতে এটা মস্তিষ্ক সজাগ কৰিও নোশোৱে। বিজ্ঞানীসকলে বিশ্বাস কৰে যে স্তন্যপায়ী প্ৰাণীবোৰৰ ভিতৰত তিমিয়েই সবাতোকৈ কমকৈ শোৱে।

## কাগজৰ ইতিহাস



**আমি** য'ত লিখো, সেই কাগজৰ আৱিষ্কাৰ হৈছিল দ্বিতীয় শতিকাতে। সেইসময়তে চীনা লোকসকলে কাগজৰ আৱিষ্কাৰ কৰি ব্যৱহাৰ কৰিবলৈ লৈছিল। কিন্তু ৭০০ খ্ৰীষ্টাব্দৰ পাছলৈকে এই প্ৰয়োজনীয় সামগ্ৰীবিধ আন মানুহৰ বাবে সাঁথৰ যেনেই হৈ আছিল। ৭৫১ত সমৰখণ্ডৰ কাৰাগাৰত বন্দী হৈ থকা চীনা যুদ্ধবন্দী কিছুমানে আৰবৰ মানুহক কাগজ তৈয়াৰ কৰাৰ পদ্ধতি শিকোৱাৰ পাছতহে ইয়াৰ ৰহস্য বিশ্ববাসীৰ বাবে মুকলি হৈ পৰিছিল। ইয়াৰ পাছৰে পৰা মানুহে বহুলভাৱে কাগজৰ ব্যৱহাৰ কৰিবলৈ ধৰিলে। লগতে কাগজৰ বিষয়ে বিশ্বৰ অন্যান্য দেশকো জানিবলৈ দিলে।

সেইসময়তে ভাৰতৰ সিন্ধু প্ৰদেশলৈ অহা আৰবী লোকসকলে লগত কাগজ লৈ আহিছিল। তেনেদৰেই ভাৰততো কাগজৰ ব্যৱহাৰ আৰম্ভ হ'ল। ১৪১৭-৬৭ৰ ভিতৰত চুলতান জয়নাল আবেদিনৰ তত্ত্বাৱধানত কাশ্মীৰত এটা কাগজৰ উদ্যোগ গঢ়ি উঠিল। সেয়াই আছিল ভাৰতত প্ৰথম কাগজৰ উদ্যোগ। গুণগত মানদণ্ডৰ বাবে কাশ্মীৰৰ কাগজে কমদিনৰ ভিতৰতে বিশ্বব্যাপী জনপ্ৰিয়তা অৰ্জন কৰিলে। পৰৱৰ্তী সময়ছোৱাত পঞ্জাৱৰ শিয়ালকোট (বৰ্তমান পাকিস্তানত), অৱধৰ জৌনপুৰ, বিহাৰৰ বিহাৰশ্বৰিফ আৰু গয়া, বংগৰ হুগ্‌লী, গুজৰাটৰ আহমেদাবাদ, খম্ব্‌ফট আৰু পটনত তথা দক্ষিণ ভাৰতৰ ঔৰংগাবাদ আৰু মাইছুৰত বৃহৎ পৰিসৰত কাগজৰ উদ্যোগ গঢ়ি উঠিল। ক্ৰমান্বয়ে বিশ্ববাসীৰ লগতে ভাৰতীয়সকলৰ বাবেও জীৱনৰ এক অপৰিহাৰ্য অংগ হৈ পৰিল কাগজ। জানি থোৱা উচিত যে কাগজৰ আৱিষ্কাৰৰ পূৰ্বে মানুহে যিকোনো কথা লিখিবলৈ শিল, টিনপাত, কাপোৰৰ টুকুৰা, তামৰ ফলি আদি ব্যৱহাৰ কৰিছিল।

## বাহাদুৰৰ বাহাদুৰি

প্ৰদীপ নাৰায়ণ ভট্ট

**হৰবাহাদুৰ** ছেত্ৰী লখৰা অঞ্চলৰ এজন নামী-দামী গোৱাল। তেওঁৰ প্ৰায় ১০-১২টা মান জাৰ্চী গাই আছে। তেওঁৰ এখন ভেনো আছে য'ত তেওঁ গাখীৰৰ ডাঙৰ ডাঙৰ পাত্ৰবোৰ সমগ্ৰ গুৱাহাটীত অ'ত-ত'ত লৈ ফুৰায়। বাহাদুৰৰ দুই-তিনিজনমান লগুৱাও আছে। সিহঁতে দিনটো কেঁচা ঘাঁহ বিচাৰি ফুৰে আৰু গৰু-গাইক নিয়মিত যোগান ধৰে। গাই খীৰাবলৈও তেওঁৰ মানুহ আছে। গাখীৰ বিক্ৰী কৰাৰ সমানে সমানে তেওঁ দৈ, মাখন, ঘি, ক্ৰীম আৰু পনিৰো বিক্ৰী কৰে। ৰাতিপুৱা তেওঁৰ ঘৰৰ পদূলি মুখত মানুহৰ ভিৰ লাগে। মুঠতে তেওঁৰ টকা-পইচা, গাড়ী-ঘোঁৰাৰ অভাৱ নাই। অৱশ্যে অভাৱৰ অন্তও নাই। এটাৰ পাছত এটা নতুন অভাৱে আমাক সদায় আকৰ্ষণ কৰে। তাতে আকৌ টকা-পইচা বেছি হ'লেও বিপদ। ইয়ে আপোনাক মানুহ হৈ থাকিব নিদিয়ে। বাহাদুৰৰ ক্ষেত্ৰতো একে দশা হ'ল। তাৰ অভাৱ দিনক দিনে বাঢ়িবলৈ ধৰিলে। জেপত থকা টকাৰ বাণ্ডুলবোৰ দেখিলে তেওঁ বলিয়া হৈ যায়। মানুহক মানুহ জ্ঞান নকৰা হ'ল। এটা সময়ত বাহাদুৰে দুই নম্বৰী চিন্তা-চৰ্চা আৰম্ভ কৰিলে আৰু ভেজাল উপায় উদ্ভাৱন কৰিলে। প্ৰাকৃতিকভাৱে লাভ কৰা গাখীৰৰ ঠাইত ভেজাল পাউদাৰৰ গুড়ি গাখীৰ বিক্ৰী কৰা আৰম্ভ কৰিলে। তেনেকৈও তেওঁ লাখ লাখ টকা ঘটিলে। অৱশ্যে দিন সদায় একে নাথাকে। এদিন তেওঁৰ গাখীৰ সেৱন কৰি চহৰৰ বহুকেইটা পৰিয়ালৰ সদস্য হঠাৎ অসুস্থ হৈ পৰিছিল। প্ৰত্যেকটো পৰিয়ালে চিকিৎসাৰ নামত বহুত টকা খৰচ কৰিব লগা হৈছিল। সিহঁতে সকলোৱে অনুভৱ কৰিছিল যে সিহঁতৰ অসুস্থতাৰ কাৰণ বাহাদুৰৰ গাখীৰ। সিহঁতে গোপনে গোপনে কথাটো আৰক্ষীক জনালে। এদিন হঠাৎ আৰক্ষী লোক বাহাদুৰৰ ঘাটিত উপস্থিত হৈছিল আৰু হাতে-লোটে সেই দুই নম্বৰী উপায় ধৰা পেলালে। বাহাদুৰৰ অপকৰ্ম পোহৰলৈ আহিল। তাৰ গাখীৰৰ ব্যৱসায় বন্ধ হৈ গ'ল। লগতে সি জেল-জৰিমনাও ভৰিব লগা হ'ল। এতিয়া বাহাদুৰ ৰঙা ঘৰৰ আলহী। পূৰ্বৰ বাহাদুৰি আজি তাৰ নাই। কাৰণ অহংকাৰে তাৰ সকলো কাঢ়ি লৈ গ'ল। অতি লোভো তাৰ বাবে কাল হ'ল। বেছি লোভে তাক অপকৰ্ম কৰিবলৈ বাধ্য কৰালে। হয়তো সীমিত উপাৰ্জনৰ মাজত আনন্দ বা সুখ আৰ্জিব জনা হ'লে তেনে ভুল নকৰিলেহেঁতেন। সঁচাই আমি পোৱাখিনিৰ মাজতে শান্তি বিচাৰি ল'ব জানিলে ভাল। যিদৰে বেছিকৈ মুখ মেলিলে কোৱাৰি ফাটি যায়।








## আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা ঃ বেটিঙত ব্যৰ্থ হ'লেও বলিঙত চমক

# বাংলাদেশৰ বিৰুদ্ধে বৃহৎ জয় ভাৰতৰ





**হেমিল্টন, ২২ মাৰ্চ ঃ** ভাৰতীয় মহিলা ক্ৰিকেট দলে চলিত আই চি চি মহিলা বিশ্বকাপৰ ছেমিফাইনেলত প্ৰৱেশৰ আশা এতিয়াও সজীৱ কৰি ৰাখিছে। উল্লেখ্য যে আজি হোৱা এখন গুৰুত্বপূৰ্ণ মেচত ভাৰতীয় মহিলা ক্ৰিকেট দলে বাংলাদেশৰ বিৰুদ্ধে ১১০ ৰাণৰ ব্যৱধানত জয়লাভ কৰি বিশ্বকাপৰ ছেমিফাইনেলত প্ৰৱেশৰ সম্ভাৱনাৰ দুৱাৰ মুকলি ৰাখিছে। বাংলাদেশৰ বিৰুদ্ধে আজিৰ খেলখন ভাৰতীয় মহিলা ক্ৰিকেট দলৰ ছেমিফাইনেলৰ দৃষ্টিৰে মৰণপণ আছিল। ছেমিফাইনেলত প্ৰৱেশৰ আশা সজীৱ ৰখাৰ বাবে আজিৰ মেচত ভাৰতক নিশ্চিত জয়ৰ প্ৰয়োজন আছিল। গুৰুত্বপূৰ্ণ মেচখনত পোনতে বেটিং কৰি ভাৰতীয় মহিলা ক্ৰিকেট দলে ৫০ অভাৰত সাত উইকেটত ২২৯ ৰাণ কৰে। দলৰ হৈ যছিকা ভাটিয়াই ৫০, শ্বেফালী বাৰ্মাই ৪২, স্মৃতি মান্ধানা আৰু পূজাই ২০ ৰাণকৈ তথা স্নেহে ২৭ আৰু ৰিছাই ২৬ ৰাণ কৰে। কিন্তু ব্যৰ্থ হয় মিতালী ৰাজ (০ৰ আৰু হৰমনপ্ৰিত (১৪ৰঙ্গ প্ৰত্যুত্তৰত, ২৩০ ৰাণৰ বিজয়লক্ষ্য লৈ বেটিং কৰা বাংলাদেশে ৪০.৩ অভাৰতে ১১৯ ৰাণত ইনিংছ সামৰি ১১০ ৰাণৰ ব্যৱধানত পৰাজয় স্বীকাৰ কৰে। ভাৰতৰ হৈ স্নেহে চাৰিটা তথা ঝুলন গোস্বামী আৰু পূজাই দুটাকৈ উইকেট দখল কৰে। বেটিং বিপৰ্যয়ৰ মাজতে অৰ্ধশতক অৰ্জন কৰা ভাৰতৰ যছিকা ভাটিয়াই মেচৰ শ্ৰেষ্ঠ হয়। ভাৰতীয় মহিলা ক্ৰিকেট দলে অহা ২৭ মাৰ্চত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চলিত আই চি চি মহিলা বিশ্বকাপৰ নিজৰ অন্তিম মেচখন খেলিব। এই মেচত জয়ী হ'লে ছেমিফাইনেলত প্ৰৱেশ কৰিব ভাৰত।

জগত দাস ক্ৰিকেট

## ৰঙিয়া, ৰেৰ নৰ্থ ইষ্টৰ অগ্ৰগতি লাভ

অগ্ৰদূত বাৰ্তা
**মঙলদৈ, ২২ মাৰ্চ ঃ** মঙলদৈত চলি থকা জগত চন্দ্ৰ দাস সোঁৱৰণী টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ৰঙিয়া ক্ৰিকেট একাডেমী আৰু ৰেৰ নৰ্থ ইষ্ট ক্লাবে জয়লাভ কৰি অগ্ৰগতি লাভ কৰিছে। আজিৰ প্ৰথম মেচত ৰঙিয়া ক্ৰিকেট একাডেমীয়ে জেনিথ ক্লাবক ৩৫ ৰানত পৰাজিত কৰে। ৰঙিয়াই ১১৯ ৰান কৰাৰ বিপৰীতে জেনিথ ক্লাবে ১৪.৩ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৮৪ ৰান সংগ্ৰহ কৰে। ইপিনে আজিৰ দ্বিতীয় মেচত ৰেৰ নৰ্থ ইষ্ট ক্লাবে ফেয়াৰীলেণ্ড ক্ৰিকেট একাডেমীক তিনি ৰানত পৰাজিত কৰে। প্ৰথমে বেট ধৰি ৰেৰ নৰ্থ ইষ্টে জিতু আলীৰ ৪৯ আৰু ৰাজবীৰ সিঙৰ ৪২ ৰানৰ সহায়ত পাঁচ উইকেটত ১৫৯ ৰান কৰাৰ বিপৰীতে ফেয়াৰীলেণ্ড ক্ৰিকেট একাডেমীয়ে ১৫৬ ৰান কৰি পৰাজয় বৰণ কৰে।


পেভিলিয়নলৈ আজাহাৰ।

## দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে আমি শ্ৰেষ্ঠ খেল খেলিম ঃ ঝুলন গোস্বামী



**হেমিল্টন, ২২ মাৰ্চ ঃ** 'ছেমিফাইনেলত প্ৰৱেশৰ লক্ষ্যত আমি উপনীত হ'ম বুলি দৃঢ় বিশ্বাসী। আজি আমি যিদৰে খেলিছো অহা দেওবাৰেও একেই দৃঢ়তাৰে খেলিম।' এই মন্তব্য ভাৰতীয় মহিলা দলৰ অভিজ্ঞ সদস্যা ঝুলন গোস্বামীৰ। উল্লেখ্য যে ভাৰতীয় মহিলা ক্ৰিকেট দলে চলিত আই চি চি মহিলা বিশ্বকাপৰ ছেমিফাইনেলত প্ৰৱেশৰ আশা এতিয়াও সজীৱ কৰি ৰাখিছে। ভাৰতীয় মহিলা ক্ৰিকেট দলে আজি বাংলাদেশৰ বিৰুদ্ধে ১১০ ৰাণৰ ব্যৱধানত জয়লাভ কৰে। অহা ২৭ মাৰ্চত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ভাৰতে নিজৰ অন্তিম মেচখন খেলিব। এই মেচত জয়ী হ'লে ছেমিফাইনেলত প্ৰৱেশ কৰিব ভাৰত। আজিৰ মেচ ভাৰতৰ বাবে গুৰুত্বপূৰ্ণ আছিল। উল্লেখ্য যে ভাৰতে পূৰ্বে খেলা পাঁচখন মেচৰ দুখনত জয়ী হোৱাৰ বিপৰীতে তিনিখনত পৰাজয়ৰ সন্মুখীন হয়। সেয়ে বাকী থকা দুয়োখন মেচ ভাৰতীয় মহিলা ক্ৰিকেট দলৰ বাবে কাৰ্যতঃ মৰণপণ হৈ পৰে। উল্লেখ্য যে নিউজিলেণ্ডত চলি থকা আই চি চি মহিলা বিশ্বকাপত পাকিস্তানক পৰাস্ত কৰি প্ৰত্যাসিত আৰম্ভণি কৰা ভাৰতীয় মহিলা ক্ৰিকেট দলে দ্বিতীয়খন মেচত কিন্তু শক্তিশালী নিউজিলেণ্ডৰ বিৰুদ্ধে ৬২ ৰাণত পৰাস্ত হয়। কিন্তু সফল প্ৰত্যাৱৰ্তন কৰি তৃতীয়খন মেচত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে জয়ী হৈ স্থিতি দৃঢ় কৰে। ইফালে, বেটিং ব্যৰ্থতাৰ বাবে ভাৰতে নিজৰ চতুৰ্থখন মেচত চাৰি উইকেটত পৰাস্ত হয় ইংলণ্ডৰ বিৰুদ্ধে। নিজৰ পঞ্চম মেচত ভাৰতক ছয় উইকেটত হৰুৱাই অষ্ট্ৰেলিয়াই ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। এই পৰাজয়ৰ পাছতে ছেমিফাইনেল খেলাৰ আশা কঠিন হৈ পৰে ভাৰতৰ বাবে। কিন্তু আজিৰ শক্তিশালী প্ৰত্যাবৰ্তনে ভাৰতক সুযোগ দিছে। এই সুযোগ অথলে যাব নিদিয়ে বুলি কয় ঝুলনে।

### দেওবাৰে অঘোষিত কোৱাৰ্টাৰ ফাইনেল খেলিব মিতালীৰ দলে

## অন্তিম লীগ মেচৰ ফলাফলৰ পাছত নিৰ্ণয় হ'ব ভাৰতৰ ছেমিফাইনেলত প্ৰৱেশৰ পথ

**হেমিল্টন, ২২ মাৰ্চ ঃ** আই চি চি মহিলা বিশ্বকাপত আজি ভাৰতে তৃতীয় বিজয় অৰ্জন কৰে। উল্লেখ্য যে বাংলাদেশৰ বিৰুদ্ধে খেলা মেচত ভাৰতীয় দলটোৱে ১১০ ৰাণত জয়ী হয়। এই জয়ৰে ছেমিফাইনেলত প্ৰৱেশৰ আশা এতিয়াও সজীৱ কৰি ৰাখিছে ভাৰতে। উল্লেখ্য যে, বৰ্তমানলৈকে ভাৰতীয় মহিলা দলটোৱে ছয় খন মেচ খেলি তিনিখনত জয় লাভ কৰাৰ লগতে তিনিখনত পৰাস্ত হৈছে। হেমিল্টনত অনুষ্ঠিত হোৱা মেচখনত ভাৰতে টছত জয় লাভ কৰি বেটিং কৰাৰ সিদ্ধান্ত লয় আৰু বাংলাদেশৰ সন্মুখত ২৩০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। এই লক্ষ্য অনুসৰণ কৰি বাংলাদেশে মাত্ৰ ১১৯ ৰাণ হে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। আজিৰ



মেচখনত এই বিজয়ৰ লগে লগে ভাৰতে ছয় পইণ্ট অৰ্জন কৰি মহিলা বিশ্বকাপৰ পইণ্ট টেবুলত তৃতীয় স্থানত উপনীত হৈছে। শীৰ্ষত থকা অষ্ট্ৰেলিয়াই ইতিমধ্যে ছেমিফাইনেলত প্ৰৱেশ কৰিছে। অন্য তিনিটা স্থানৰ দৌৰত আছে ভাৰত, দক্ষিণ আফ্ৰিকা, ৱেষ্ট ইণ্ডিজ আৰু ইংলণ্ড। ভাৰতীয় মহিলা ক্ৰিকেট দলে অহা ২৭ মাৰ্চত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চলিত আই চি চি মহিলা বিশ্বকাপৰ নিজৰ অন্তিম মেচখন খেলিব। এই মেচত জয়ী হ'লে ছেমিফাইনেলত প্ৰৱেশ কৰিব ভাৰত। এই মেচখন দক্ষিণ আফ্ৰিকাৰ বাবেও ছেমিফাইনেলত প্ৰৱেশ কৰাৰ অন্তিম সুযোগ। দলে আঠ পইণ্ট লাভ কৰি দ্বিতীয় স্থানত আছে। ইতিমধ্যে ছেমিফাইনেলত প্ৰৱেশ কৰা অষ্ট্ৰেলিয়াৰ পইণ্ট ১২ঙ্গ

## দিবা-নৈশ ভলীবলত আমগুৰি দল চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, নামতি, ২২ মাৰ্চ ঃ** বৃহত্তৰ নামতি অঞ্চলৰ দিকচুত ক্ৰীড়াৰ ক্ষেত্ৰত অনন্য পৰিৱেশ গঢ়ি তোলাৰ মানসেৰে দিকচু যুৱ পৰিষদৰ উদ্যোগত তথা দিকচুবাসী ৰাইজৰ সহযোগতএখনি দিবা-নৈশ ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায় । দিকচু মজলীয়া বিদ্যালয় খেলপথাৰত অনুষ্ঠিত এই প্ৰাইজমনি ভলীবল প্ৰতিযোগিতাখনিত উজনি অসমৰ মুঠ ১০ টা দলে অংশ গ্ৰহণ কৰে । শিৱসাগৰ জিলা যুৱ পৰিষদৰ সভাপতি মৃগাংক শইকীয়াই উদ্বোধন কৰা প্ৰতিযোগিতাখনিত বিজয়ীৰ সন্মান লাভ কৰে আমগুৰি ভলীবল দলে । আনহাতে, প্ৰথম ৰাণাৰ্চ আপৰ খিতাপ লাভ কৰিবলৈ সক্ষম হয় ধেমাজি ভলীবল দলে । প্ৰতিযোগিতাখনিত বিশিষ্ট অতিথি হিচাপে বিজেপি অ' বি চি মৰ্চা শিৱসাগৰ জিলা সভাপতি হৰিপ্ৰসন্ন হাজৰিকা, দিকচু গাঁও পঞ্চায়তৰ সভাপতি সঞ্জীৱ বড়া, সাংবাদিক ৰূপম বৰবৰা, অসীম চুতীয়া, ধ্ৰুৱজ্যোতি গগৈ আদি।

## ফুটবল একাডেমীৰ বাবে খেলুৱৈ বাছনি

**গুৱাহাটী, ২২ মাৰ্চ ঃ** ষ্টীল অথৰিটী অফ ইণ্ডিয়া লিমিটেড চমুকৈ ছেইল ফুটবল একাডেমীৰ বাবে দুলিয়াজানত অহা দুই আৰু তিনি এপ্ৰিলত বাচনি শিৱিৰৰ আয়োজন কৰা হৈছে । ঝাৰখণ্ডৰ বোকাৰু ছেইল ফুটবল একাডেমী আৰু পশ্চিমবংগৰ বাৰ্ণপুৰ ছেইল ফুটবল একাডেমীৰ বাবে খেলুৱৈৰ সন্ধানত এই বাচনি অনুষ্ঠিত হ'ব । দুলিয়াজানৰ নেহৰু মৈদানত পুৱা ৭ বজাৰ পৰা বাচনি পৰ্ব আৰম্ভ হ'ব । শিবিৰত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুক খেলুৱৈ ২০০৬ ৰ জানুৱাৰীৰ পৰা ২০০৭ ৰ ডিচেম্বৰৰ ভিতৰত জন্মগ্ৰহণ কৰা হ'ব লাগিব । গ'ল ৰক্ষকৰ উচ্চতা পাঁচ ফুট ১০ ইঞ্চি আৰু আন খেলুৱৈৰ উচ্চতা পাঁচ ফুট সাত ইঞ্চিৰ হ'ব লাগিব তথা দাঁতৰ সংখ্যা ২৮ ৰ অধিক হ'ব নালাগিব । প্ৰাৰ্থীয়ে আধাৰ কাৰ্ড, জন্মৰ প্ৰমাণপত্ৰৰ প্ৰতিলিপি আৰু পাছপৰ্ট আকাৰৰ ফটো জমা দিব লাগিব । আগ্ৰহীসকলে ৰাগুই সিং-৬০০০৫-৪৬৮৩৩ নাইবা ভবেন চাংমাই ৭০০২২-৬৭২৯২ ৰ সৈতে যোগাযোগ কৰিব পাৰিব ।


আই পি এলৰ বাবে সাজু ঋষভ

## সমৰকলা প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধন

**তিতাবৰ, ২২ মাৰ্চ ঃ** তিতাবৰৰ ৰঙাজানস্থিত জ্যোতিৰূপা ক্ৰীড়া সাংস্কৃতিক বিকাশ কেন্দ্ৰ আৰু মইনা পাৰিজাতৰ উদ্যোগত সমৰকলা প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধন কৰা হৈছে। ছট' কান কাৰাটে-ড' স্পৰ্টছ এচছিয়েনৰ পাঠ্যক্ৰমৰ আধাৰত প্ৰশিক্ষণ প্ৰদান কৰিবলগীয়া কেন্দ্ৰটোৰ শুভ উদ্বোধন উপলক্ষে মৰাণগাওঁ প্ৰাথমিক বিদ্যালয়ত এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। জ্যোতিৰূপাৰ সভাপতি দিগন্ত বৰাৰ পৌৰহিত্যত অনুষ্ঠিত মুকলি সভাখনত উদ্বোধকৰূপে বক্তব্য আগবঢ়ায় তিতাবৰ প্ৰেছ ক্লাবৰ সম্পাদক দুলাল কলিতাই। সমৰকলা কেন্দ্ৰটোৰ প্ৰশিক্ষক বিষ্ণুপ্ৰসাদ শৰ্মাই প্ৰশিক্ষাৰ্থী আৰু অভিভাৱক সকলক উদ্দেশি ছাত্ৰ-ছাত্ৰী শাৰিৰীক বিকাশ আৰু মানসিক সন্তুলন ৰখাৰ ক্ষেত্ৰত সমৰকলাই কেনেদৰে সহায় কৰে সেই উদ্দেশ্য বিস্তৃত ব্যাখা আগবঢ়ায়। সভাত দৈনিক জনমভূমি কাকতৰ ষ্টাফ ৰিৰ্পটাৰ সঞ্জীৱ দত্তৰ লগতে জ্যোতিৰূপাৰ প্ৰতিষ্ঠাপক ভৱ গগৈয়েও অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্য কৰি মননশীল বক্তৃতা আগবঢ়ায়। উদ্যোক্তা সকলৰ তৰফৰপৰা অৱসৰপ্ৰাপ্ত শিক্ষক অৰুণ গগৈ, চি আৰ চি চি প্ৰাণজিত বৰকাকতী, প্ৰদীপ গগৈকো ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়।



## ৰাষ্ট্ৰীয় নেটবলৰ অসমৰ পুৰুষ-মহিলা দল ঘোষণা

**গুৱাহাটী, ২২ মাৰ্চ ঃ** হাৰিয়ানাত অহা ৩০ মাৰ্চৰ পৰা তিনি এপ্ৰিললৈ অনুষ্ঠিত হ'ব ৩৯ সংখ্যক ছিনিয়ৰ ৰাষ্ট্ৰীয় পুৰুষ আৰু মহিলাৰ নেটবল চেম্পিয়নশ্বিপ । ভাৰতীয় নেটবল ফেডাৰেচনৰ সভাপতি ভাগিশ পাঠক আৰু সম্পাদক বীজেন্দ্ৰ সিঙে এক জাননী যোগে এই প্ৰতিযোগিতাত যোগদানৰ বাবে ৰাজ্যিক দলবোৰক আহ্বান জনাইছে । প্ৰতিযোগিতা অনুষ্ঠিত হ'ব হাৰিয়ানাৰ ভিৱানী জিলাৰ খাৰাট- কালিংগা ৰোডৰ শ্ৰী বালাজী ছিনিয়ৰ ছেকণ্ডাৰী স্কুলত । অসম নেটবল সন্থাই ৰাজ্যৰ পুৰুষ আৰু মহিলা দল দুটা ঘোষণা কৰিছে । অসম নেটবল সন্থাৰ সম্পাদক বিৰ্জু ৰামে ঘোষণা কৰা অনুসৰি অসমৰ দল দুটা হ'ল পুৰুষ ঃ সুৰুয চাংমাই, শশাংক বৰুৱা, প্ৰশান্ত সন্দিকৈ, হীৰকজ্যোতি বৰুৱা, কনক বসুমতাৰী, লেখন ফুকন, পল্লৱ নাৰায়ন ফুকন, ৰমেন শইকীয়া, অম্লানজ্যোতি ফুকন, ৰঞ্জন কুকুৰাচোৱা, সুখেশ্বৰ কলিতা আৰু হেমাংগ গগৈ । মহিলা দলটো হ'ল ঃ মাইদাংশ্ৰী বসুমতাৰী, গামাইশ্ৰী বড়ো, গায়ত্ৰী বড়ো, সুজিতা বড়ো, পদমি বড়ো, অংকিতা চেতিয়া, অদিতি ফুকন, সংগীতা চেতীয়া, কংকনা বৰুৱা, উৰ্মিলা গগৈ, গায়ত্ৰী ডেকা আৰু ভনীমা কিষাণী । মহিলা দলৰ প্ৰশিক্ষক লতিকা ডেকা, মেনেজাৰ দেৱনাথ গোৱালা । পুৰুষ দলৰ মেনেজাৰ ৰাতুলমনি মহন্ত । অসম দলটো অহা ২৯ মাৰ্চত হাৰিয়ানালৈ ৰাওনা হ'ব ।

## দুঃসাহসিক মট'ক্ৰছ ক্ৰীড়াৰ সফল সামৰণি




অগ্ৰদূত বাৰ্তা
**গোৰেশ্বৰ, ২২ মাৰ্চ ঃ** ভাৰত- ভূটান সীমান্তৰ বগামাটিত দুঃসাহসিক পৰ্যটন ক্ষেত্ৰখনক আগুৱাই নিবৰ বাবে গ্ৰীণ ট্ৰেক এণ্ড এডভেঞ্চাৰ নামৰ সংস্থাটোৱে অহৰহ প্ৰচেষ্টা চলাই আহিছে। সেই প্ৰচেষ্ঠাৰেই ভাৰত ভূটান সীমান্ত তথা বৰ্তমানৰ তামুলপুৰ জিলাত অৱস্থিত বগামাটি হৈ পৰিছে এখন লেখত ল'বলগীয়া পৰ্যটন ক্ষেত্ৰ। দুঃসাহসিক ক্ৰীড়া আৰু অধিক জনপ্ৰিয় কৰাৰ উদ্দেশ্যৰে গ্ৰীনট্ৰেক এণ্ড এডভেন্সাৰৰ উদ্যোগত আৰু বড়োলেণ্ড ট্যুৰিজিমৰ সহযোগত দুদিনীয়াকৈ অনুস্থিত হয় বৰনদী ৰাইডাৰ্চ মীট ২০২২। নৱগঠিত তামুলপুৰ জিলাৰ অন্তৰ্গত বগামাটিত অনুষ্ঠিত হোৱা এই অনুস্থানৰ স'তে সংগতি ৰাখি আয়োজিত হয় বৰনদী মটক্ৰছ চেম্পিয়নশ্বিপ।। দুঃসাহসিক ক্ৰীড়াক জনপ্ৰিয় কৰা আৰু পৰ্যটন মানচিত্ৰত বগামাটিক বিশ্ব দৰবাৰত তুলি ধৰাৰ উদ্দেশ্যে আয়োজিত এই চেম্পিয়নশ্বিপত এইবেলি ছিকিম, মেঘালয় আৰু অসমৰ প্ৰায় ৬০ প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে। মুঠ পাঁচটা বিভাগত আয়োজিত প্ৰতিযোগিতাত নগদ ধনৰ লগতে আকৰ্ষণীয় ট্ৰফীৰে পুৰস্কৃত কৰা হয় বিজয়ীসকলক। প্ৰাক্তন ৰাষ্ট্ৰীয় চেম্পিয়ন দিগন্ত হাজৰিকা, অমৰজিৎ সিং, অবিনাশ টাইৰ তত্বাবধানত আয়োজিত এই খেলখনৰ ফ্লেগ অফ কৰে বিটিআৰৰ পৰ্যটন বিভাগৰ কাৰ্যবাহী সদস্য ধৰ্মনাৰায়ন দাসে। লগতে উপস্থিত থাকে বড়োলেণ্ড পৰ্যটন বিভাগৰ ডিপুটি ডিৰেক্টৰ জয়ন্ত শৰ্মা, অ' এচ ডি সনত কুমাৰ মহন্ত, তামুলপুৰৰ এডিচি বেদাংগ তালুকদাৰ, তামুলপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰ দেঘৰীয়া , নাগ্ৰীজুলি আৰক্ষী চকীৰ বিষয়া মইদুল ইছলাম আদি। খেলত এক'চপাৰ্ট শাখাত প্ৰথম বান্টাইলাং জাইৰা, দ্বিতীয় অমিত চেত্ৰী, তৃতীয় দাৰেন খৰহোংগাৰ, নোভিচ শাখাত প্ৰথম বিজয় কলিতা, দ্বিতীয় কৰন শৰ্মা আৰু তৃতীয় জেকি তাৰাং, টু ষ্ট্ৰক শাখাত বান্টাইলাং জাইৰা, দ্বিতীয় অশোক চেত্ৰী আৰু তৃতীয় জিমি চেফ, বিগিনাৰ্চ শাখাত অংকু কলিতা প্ৰথম, বানাইলাং ব্লেনি দ্বিতীয়, তাপস বৰ্মন তৃতীয় আৰু স্কুটি শাখাত তুমন শৰ্মা প্ৰথম, অজিত শৰ্মা দ্বিতীয় আৰু য়াচিন আলী তৃতীয় স্থান লাভ কৰে। গ্ৰীণটেক এণ্ড এডভেন্সাৰৰ এই ব্যতিক্ৰমী পদক্ষেপে দুঃসাহসিক ক্ৰীড়াৰ ক্ষেত্ৰত বগামাটিক আগুৱাই নিয়াৰ লগতে দেশৰ এডভেন্সাৰ ট্যুৰিজিমৰ ক্ষেত্ৰতো অন্য এক মাত্ৰা প্ৰদান কৰিছে । ২০২১ ৰ পৰা আৰম্ভ কৰা এই বৰনদী ৰাইডাৰচ মিট ত গ্ৰীন ট্ৰেক এণ্ড এডভেঞ্চাৰৰ লগত সহযোগিতা কৰিছিল বগামাটি ডাওৰাইঝাৰ ইকো টুৰিজিম চছাইটি আৰু গেৰেমচা এনজিঅ'ই। প্ৰতিযোগিতাৰ অন্তত বিজয়ী প্ৰতিযোগী সকলক বঁটা প্ৰদান কৰা হয়। প্ৰতিযোগিতাত বিছাৰক হিছাপে উপস্থিত থাকে দিগন্ত হাজৰিকা আৰু অমৰজিৎ সিংএ। যুৱ প্ৰজন্মৰ বাইকৰ প্ৰতি থকা আকৰ্ষণ তথা যুৱচামৰ পথত বাইক ৰেচ কৰা প্ৰৱনতাটোক সঠিক দিশলৈ আনিবলৈ এনে ধৰনৰ বাইক ৰেচ প্ৰতিযোগিতাই সহায় কৰিব বুলি গ্ৰীন ট্ৰেক এণ্ড এডভেঞ্চাৰৰ সভাপতি জুলিমা ডেকাই উল্লেখ কৰে।

## তৃতীয় টেষ্টত ৩৯১ ৰাণত প্ৰথম ইনিংছ সামৰিলে অষ্ট্ৰেলিয়াই

**লাহোৰ, ২২ মাৰ্চ ঃ** লাহোৰত চলি থকা অষ্ট্ৰেলিয়া আৰু পাকিস্তানৰ মাজৰ চলিত তিনিখনীয়া টেষ্ট শৃংখলাৰ তৃতীয় তথা অন্তিমখন মেচত কেংগাৰু বাহিনীয়ে ৩৯১ ৰাণত প্ৰথম ইনিংছ সামৰিছে। ইফালে, দ্বিতীয় দিনাৰ খেলৰ অন্তত পাকিস্তানে প্ৰথম ইনিংছত এক উইকেট হেৰুৱাই ৯০ ৰাণ কৰিছে। এতিয়াও ৩০১ ৰাণ পিছ পৰি আছে পাকিস্তান। উল্লেখ্য যে প্ৰথমদিনা টছত জয়ী হৈ বেটিং কৰা অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত পাঁচ উইকেটত ২৩২ ৰাণ কৰিছিল। কেংগাৰু বাহিনীৰ হৈ উস্মান খাৱাজাই ৯১ আৰু ষ্টিফেন ষ্টিথে ৫৯



ৰাণ কৰাৰ পাছত আজি গ্ৰীনে ৭৯ আৰু কেৰীয়ে ৬৭ ৰাণ কৰে। পাকিস্তানৰ হৈ শ্বাহিন আৰু নাছিমে চাৰিটাকৈ উইকেট পায়। উল্লেখ্য যে শৃংখলাৰ প্ৰথম দুখন টেষ্ট নিৰস ড্ৰ হোৱাৰ পাছত এতিয়া উভয় দলৰ লক্ষ্য তৃতীয় টেষ্ট জয়ৰে শৃংখলা হস্তগত কৰা। কিন্তু লাহোৰৰ উইকেটে জয়ৰ সম্ভাৱনা দিব নে নাই সেয়াহে গুৰুত্বপূৰ্ণ। কাইলৈ তৃতীয় দিনাই তাৰ উমানো পোৱা যাব। উল্লেখ্য যে ৰাৱালপিণ্ডিৰ প্ৰথম টেষ্টত পোনতে বেটিং কৰা পাকিস্তানে প্ৰথম ইনিংছত চাৰি উইকেটত ৪৭৬ ৰাণ কৰাৰ প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছ সামৰে ৪৫৯ ৰাণত। ইফালে, দ্বিতীয় ইনিংছ আৰম্ভ কৰি পাকিস্তানে কোনো উইকেট নেহেৰুৱাকৈ ২৫২ ৰাণ কৰাত মেচখন ড্ৰ ঘোষণা কৰা হয়। পাঁচ দিনত পতন হয় মাত্ৰ ১৪ টা উইকেটৰ। সেয়ে পাকিস্তানৰ উইকেটক লৈ ইতিমধ্যে অসন্তুষ্ট হৈছে আই চি চি। বেটাৰৰ ৰম্যভূমি হোৱা উইকেট বলাৰৰ বাবে বধ্যভূমি হৈ পৰিছে। দ্বিতীয় টেষ্টতো কোনো পৰিৱৰ্তন নহ'ল। কৰাচিত হোৱা দ্বিতীয়খন টেষ্ট মেচো ড্ৰৰূপে সমাপ্ত হয়। অষ্ট্ৰেলিয়াই পাকিস্তানৰ সন্মুখত জয়ৰ বাবে ৫০৬ ৰাণ লক্ষ্য দিছিল। প্ৰত্যুত্তৰত এই লক্ষ্য অনুসৰণ কৰি পাকিস্তানে অন্তিম দিনা দ্বিতীয় ইনিংছত সাত উইকেটত ৪৪৩ ৰাণ কৰাৰ সময়তে মেচখন ড্ৰৰূপে সমাপ্ত হয়।

